ৰহস্যৰ ৰহঘৰা

(চাৰ আৰ্থৰ কনন্ ডয়লৰ বিশ্ব-বিখ্যাত
কালজয়ী গল্পৰ ভাঙনি)

সত্যেন বৰকটকী

STATE CENTRAL LIBRARY
Call No.
★ ASSAM. ★

বৰুৱা এজেঞ্চি
গুৱাহাটী-১

Rahasyar Rahaghara : *An Assamese collection of detective stories of Sir Arthur Conan Doyle translated by Satyen Barkataki and published by Barua Agency, Gauhati-1. Year of Publication : September, 1980.*

প্ৰকাশক :
বৰুৱা এজেঞ্চি
দীঘলী পুখুৰী পাৰ
গুৱাহাটী-১

প্ৰথম প্ৰকাশ :
ছেপ্তেম্বৰ, ১৯৮০

বেটুপাত :
শ্ৰীপ্ৰদ্যোত চক্ৰৱৰ্তী
গুৱাহাটী

মূল্য : পাঁচ টকা

ছপাশাল :
প্ৰেষক
দীঘলী পুখুৰী পাৰ
গুৱাহাটী-১

STATE CENTRA
ASS

গুপ্ত নথিৰ ৰহস্য
১

ঢেলঢেলীয়া সৈনিক
৪৯

তিন টুপীয়া ঘৰ
৭৯

মোৰ বিয়াৰ পিছৰ জুলাই মাহটো স্মৰণীয়, কাৰণ সেই মাহটোত শ্বার্লক্ হ'ম্চে তদন্ত কৰিবলৈ হাতত লোৱা তিনিটা বিষয়ৰ সংক্রান্তত তেওঁৰ অনুসন্ধান-পদ্ধতি অধ্যয়ন কৰাৰ ঘনিষ্ঠ সুযোগ মই পাইছিলোঁ। তাৰে দ্বিতীয় বিষয়টোৰ কথাহে আজি কবলৈ ওলাইছোঁ, কিয়নো সেই ঘটনাই এসময়ত আন্তর্জাতিক গুৰুত্ব লওঁ লওঁ অৱস্থা হৈছিল। তদুপৰি ঘটনাৰ কেইবাটাও বিচিত্র দিশ আছিল।

পঢ়াশালিত পঢ়ি থাকোঁতে পাৰ্চি ফেল্প্চ্ নামেৰে এটি লৰাৰ লগত মোৰ নলে-গলে লগা বন্ধুত্ব স্থাপিত হৈছিল। আমাৰ দুয়োৰো বয়স সমানেই আছিল কিন্তু তেওঁ মোতকৈ দুই শ্রেণী ওপৰত পঢ়িছিল। ফেল্প্চ্ পঢ়াত বৰ চোকা আছিল; প্ৰত্যেকটো পৰীক্ষাতে বঁটা পাইছিল, আৰু পঢ়াশালিৰ শেহৰটো পৰীক্ষাত বৃত্তি ধৰি কেম্ব্রিজ বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি, তাতো সুনাম আৰু কীৰ্তি আৰ্জিছিল। তেওঁ অভিজাত গোষ্ঠীৰ লৰা আছিল; কনজাৰভেটিভ্ পাৰ্টিৰ সুবিখ্যাত ৰাজনীতিজ্ঞ পুৰুষ, লৰ্ড হ'ল্ড্হাৰ্ষ্ট আছিল তেওঁৰ মোমায়েক। পঢ়াশালিত পঢ়ি থাকোঁতেই আমি সেই কথা জানিবলৈ পাইছিলোঁ। সেই সম্বন্ধৰ বলতেই কেম্ব্রিজত পঢ়া সাং কৰি তেওঁ পৰৰাষ্ট্ৰ দফ্তৰত ভাল চাকৰি পায়। সেই বাতৰিও মই পাইছিলোঁ। কিন্তু তেতিয়াৰপৰা তেওঁৰ লগত মোৰ দেখাদেখি হোৱা নাছিল; মোৰ মনৰপৰা সম্পূৰ্ণ তেওঁ আঁতৰি গৈছিল। এই চিঠিখন পাইহে বহুদিনৰ মূৰত তেওঁলৈ আকৌ মনত পৰিল; তেওঁ লিখিছিল:

ব্ৰাৰাৰব্ৰি, ৱকিং।

মৰমৰ ৱাটচন্,—'টেড্পোল' ফেল্প্চক তোমাৰ নিশ্চয় মনত আছে। তুমি তৃতীয় শ্ৰেণীত পঢ়ি থাকোঁতে মই পঞ্চম শ্ৰেণীত। মোমাইদেউৰ সহায়ত যে মই পৰৰাষ্ট্ৰ বিভাগৰ দফ্তৰত ভাল চাকৰি পাইছিলোঁ। লাহে লাহে সেই দফ্তৰত মই এক গুৰুত্বপূৰ্ণ, সন্মানিত আসনো লাভ

কৰিবলৈ সক্ষম হৈছিলোঁ। কিন্তু এটা বিষম দুৰ্ঘটনাই মোৰ কৰ্মজীৱনত ওলট-পালট লগাই দিলে।

সকলোবোৰ কথা চিঠিত ভাঙিপাতি লিখিব নোৱাৰি। যদি তুমি মোৰ অনুৰোধ ৰাখাঁ, তেতিয়াহলে লগ পালে হয়তো সকলো কথা তোমাক খুলি ক'ব পাৰিম। নটা সপ্তাহ 'ব্ৰেইন্ ফিভাৰ'ত (মগজুৰ জ্বৰ) ভুগি এতিয়া অকনমানহে সকাহ পাইছোঁ, মোৰ শৰীৰৰ অৱস্থা এতিয়াও অতি দুৰ্বল। তোমাৰ বন্ধু শ্বাৰ্লক্ হ'ম্চক মোৰ গুৰিলৈ লৈ আহিব পাৰিবাঁনে? মোৰ ওপৰৱালাসকলৰ মতে মোৰ নিস্তাৰৰ বাট নাই, তথাপি তেখেতৰ লগত মই এবাৰ পৰামৰ্শ কৰিবলৈ ইচ্ছা কৰোঁ। যিমান সোনকালে পাৰাঁ অনুগ্ৰহ কৰি তেওঁক লৈ আহিবলৈ চেষ্টা এটা দি চাবাঁনে? মোৰ বৰ্ত্তমানৰ মানসিক অৱস্থাত এঘণ্টাই মোৰ মানত এদিন। তেওঁক এই কথা বুজাই ক'বাঁ যে কেতিয়াবাই মই তেওঁৰ পৰামৰ্শ বিছৰা উচিত আছিল, যদিও বিছৰা নাছিলোঁ। তেওঁৰ বুদ্ধিবৃত্তিৰ প্ৰতি অশ্ৰদ্ধাৰ কাৰণে নহয়; ঘটনাতো ঘটিবৰ দিনাৰপৰা এতিয়ালৈকে মোৰ মগজুৰে ঠিক নাছিল— সেই কাৰণেহে। এতিয়া মগজু পৰিষ্কাৰ হৈছে। কিন্তু এই বিষয় লৈ বৰকৈ চিন্তা কৰিলে ৰোগে আকৌ ধৰাৰ সম্ভাৱনা আছে। নিজ হাতেৰে চিঠি লিখিব পৰা শক্তি এতিয়াও ঘূৰাই পোৱা নাই; সেই বাবে শ্ৰুতলিপি দিবলগীয়া হ'ল। যেনে তেনে তেওঁক লৈ আহাঁ যেন।

পঢ়াশলীয়া দিনৰ তোমাৰ বন্ধু

পাৰ্চি ফেল্প্‌চ্।

চিঠিখনৰ কৰুণ সুৰে মোৰ মৰ্ম স্পৰ্শ কৰিলে; তুৰন্তে হ'ম্চৰ ওচৰলৈ যাবলৈ ওলালোঁ। মোৰ বৈণীয়েও ক'লে যে চিঠিৰ কথা আৰু সুৰলৈ চাই এক মিনিটো পলম কৰা উচিত ন'হ'ব। ব্ৰেক্‌ফাষ্ট্ খাই এঘণ্টাৰ মূৰতে বেকাৰ ষ্ট্ৰীটৰ বহু দিনৰপৰা পৰিচিত সেই ঘৰটোত ওলালোঁগৈ।

ড্ৰেচিং গাউনটো পিন্ধি, মেজৰ কাষত চকী এখনত বহি হ'ম্চে

কিবা ৰাসায়নিক পৰীক্ষণ চলাই আছিল। তেওঁক কামত মগ্ন হৈ থকা দেখি আৰামী চকী এখনত বহি তেওঁ আজৰি হবলৈ বাট চাই ৰলোঁ।

কিবা এবিধ জুলীয়া পদাৰ্থত 'লিট্‌মাচ্ পেপাৰ' ডুবাই, তাৰ বৰণ পৰীক্ষা কৰি, হ'মৃচে ক'লে, "নিচেই সাধাৰণ তৰপৰ হত্যাকাণ্ড" ; তুমি নিশ্চয় ইয়াতকৈ ভাল বিষয়বস্তু আনিছা, ৱাটচন্; কোৱাঁচোন, বৃত্তান্তনো কি শুনোঁ।"

মোৰ বন্ধুৰ চিঠিখন তেওঁক পঢ়িবলৈ দিলোঁ। চিঠিখন তেওঁ মনপুতি পঢ়ি চালে। চাই ক'লে, "সৰহ কথাতো ইয়াত লিখা নাই।" সেইবুলি কৈ চিঠিখন মোক ঘুৰাই দিলে।

—চিঠিৰপৰা বিশেষ একো বুজাৰ উপায় নাই।

—হাতৰ আখৰকিটা ইণ্টাৰেষ্টিং।

—সেয়া মোৰ বন্ধুৰ হাতৰ আখৰ নহয়।

—নহয়, সেই কথা বুজি পাইছোঁ; এয়া মাইকী মানুহৰ হাতৰ আখৰ।

মই ক'লোঁ, "নহয়, মতা মানুহৰহে।"

—হ'বই নোৱাৰে ; মাইকী মানুহৰহে হাতৰ আখৰ। তিৰোতা গৰাকী অসাধাৰণ চৰিত্ৰৰ। মোৰ মনত কৌতূহল জন্মিছে, ৱাটচন। তুমি সাজু আছা যদি, দুৰৰম্বাত পৰা সেই কূটনীতিজ্ঞজনক আৰু চিঠি লিখা মহিলাগৰাকীক লগ পাবলৈ এতিয়াই ৱকিঙলৈ যাত্ৰা কৰোঁ, ব'লা।

ৱাটাৰ্লু ষ্টেশন পায়েই ৰেল এখন পোৱা গ'ল। এঘণ্টাৰ ভিতৰতে আমি 'ফাৰ' আৰু 'হেদাৰ'ৰ গছনিৰে ভৰপূৰ ৱংকিং পালোঁগৈ। ৰেল ষ্টেশনৰপৰা ব্ৰায়াৰব্ৰিলৈ কেই মিনিটমানৰহে বাট। ব্ৰায়াৰব্ৰি আছিল, বিস্তীৰ্ণ ওৱাৰিৰ মাজত অৱস্থিত এটি ডাঙৰ ঘৰ। আমাৰ 'কাৰ্ড' পঠাই দিলত, সুৰুচিপূৰ্ণ আচবাবেৰে সজ্জিত এটা ড্ৰইং ৰুমত আমাক নি বহুওৱা হ'ল। খন্তেক পিছতে আবলুখা মানুহ এজনে আথেবেথে

আমাক সম্ভাষণ জনালেহি। তেওঁৰ বয়স চল্লিছৰ ওচৰাওচৰি হ'ব, কিন্তু তেওঁৰ গাল দুখন ইমান ৰঙা আৰু চকুত এনে ফুৰ্তিৰ ভাব যে তেওঁক লোদোৰ-পোদোৰ আধাকটা লৰা এটি যেনহে দেখি।

অতি সাদৰেৰে আমাৰ কৰমৰ্দন কৰি মানুহজনে ক'লে, "আপোনা-লোক অহাত আমি যে ইমান ৰং পাইছোঁ, কি ক'ম। পাৰ্চিয়ে আজি পুৱাৰেপৰা আপোনালোকৰ কথা সুধিব লাগিছে। বেচেৰাৰ পানীত পৰি ককবকোৱাৰ লেখিয়া অৱস্থা হৈছে। আপোনালোকক লগ ধৰিবলৈ তাৰ বাপেকমাকে মোক কৈছিল ; তেওঁলোকে নিজে এই বিষয় লৈ এষাৰ মাত মাতিবলৈকো দুখ পায়।"

হ'মচে উত্তৰ দিলে, "বিতং বাতৰিতো একো এতিয়াও আমি পোৱা নাই ; আপুনিতো এই পৰিয়ালৰ মানুহ নহয়।"

পোনতে মানুহজন আচৰিত হোৱা যেন লাগিল ; তাৰ পাচত ঢেক্‌ঢেকাই হাঁহি এটা মাৰি ক'লে, "মোৰ 'লকেট'ত খোদাই কৰা 'জে-এইচ" আখৰ দুটা দেখি আপুনি সেইষাৰ কথা ক'লে। মই পোনতে আকৌ ভাবিছিলোঁ, এইজন সৰবজান নেকি ? মোৰ নাম হেৰিচন্। পাৰ্চিয়ে মোৰ ভনী এনিক বিয়া কৰোৱাৰ কথা আছে। বিয়াৰ পিছত ময়ো এওঁলোকৰ সম্বন্ধীয়াই হ'ম। মোৰ ভনী এতিয়া পাচিৰ কোঠাতে আছে। যোৱা দুমাহ ধৰি তাই দেহেকেহে তাৰ শুশ্ৰূষা কৰিছে। তালৈকে যাও ব'লক ; পাচি বৰ উৎকণ্ঠাত আছে।"

যিটো কোঠালৈ আমাক লৈ যোৱা হ'ল, ড্ৰইং ৰুমটোৰ দৰে সেইটো কোঠাও একেবাৰে তলৰ মহলাত। এপিনে শোৱা ঠাই, আনপিনে বৈঠকখানা। কোঠাটোৰ চুকে-কোনে কেউপিনে সজাই থোৱা আছিল থোকা থোকা ফুল। খিৰিকীৰ কাষত পাতি থোৱা চোকা এখনত বাগৰ দি পৰি আছিল এটি শেঁতা আৰু ৰোগা ডেকা। খিৰিকীয়েদি আহি সোমাইছিল বাহিৰৰ বাগিচাৰ ফুৰফুৰীয়া গোন্ধ আৰু গ্ৰীষ্মকালৰ আৰামদায়ক বতাহ। ডেকাৰ কাষতে এগৰাকী তিৰোতা মানুহ বহি

আছিল ; আমাক দেখি থিয় হ'ল। তাৰ পাছত সুধিলে, "পার্চি, মই আঁতৰি যাম নেকি ?"

পার্চিয়ে হাত এখনত ধৰি তেওঁক বহুৱাই মোলৈ চাই সুধিলে "কেনে আছা, ৱাটচন ? যি কোচা হে গোঁফ ৰাখিছা, আন ঠাইত দেখিলে তোমাক চিনিকে নাপালোহেঁতেন। এৱেঁই তোমাৰ খ্যাতিমান বন্ধু মিষ্টাৰ শ্বার্লক হ'ম্চ্ নহয় জানো ?" মই দুয়োকো চিনাকি কৰি দিয়াৰ পাছত আমি দুয়ো বহিলোঁ। নোদোকা মানুহজন কোঠাটোৰ পৰা ওলাই গ'ল ; তেওঁৰ ভনীয়েক তাতে থাকিল। তেওঁৰ হাতখন তেতিয়াও ৰোগীৰ হাতৰ মুঠিত। মানুহগৰাকী থাউকাল আৰু অলপ শকত হলেও শুৱনী। মুখখনি জলফাই বৰণীয়া ; চকুযোৰ ইতালীয় তিৰোতাৰ দৰে ডাঙৰ ডাঙৰ, ক'লা; চুলিতাঁৰি ঘোৰ ক'লা আৰু ডাঠ। তেওঁৰ তেজাল মুখখনিৰ কাষত লগৰীয়াজনৰ শেঁতা মুখখন অতিপাত শেঁতা দেখাইছিল।

চোফাখনতে উঠি বহি ডেকাই ক'লে, "আপোনাৰ সময়খিনি হানি নকৰোঁ ; পাতনি নেমেলাকৈয়ে ঘাই কথালৈ যাওঁ। মই সুখী আৰু কর্মক্ষেত্রত সাফল্য লাভ কৰা এজন মানুহ আছিলোঁ ; বিয়া কৰোৱাৰো বন্দৱস্ত কৰিছিলোঁ। কিন্তু আকস্মিক ভয়াবহ দুর্ঘটনাই মোৰ জীৱন লণ্ড-ভণ্ড কৰি পেলালে।

"মই পৰৰাষ্ট্ৰ দফ্তৰত কাম কৰাৰ কথা ৱাটচনে বোধকৰোঁ আপোনাক কৈছে। মোৰ মোমাই লর্ড হ'ল্ড্হার্ষ্টৰ প্ৰভাৱৰ গুণত অলপ দিনতে মোৰ যথেষ্ট উন্নতিও হৈছিল। মোমাইদেউ পৰৰাষ্ট্ৰ মন্ত্ৰী হোৱাৰ পাছত তেওঁ মোক কেবাটাও দায়িত্বপূর্ণ কামত নিয়োগ কৰিছিল, আৰু প্ৰত্যেকটো কাম মই সুচাৰুৰূপে সম্পন্ন কৰাৰ ফলত মোৰ দক্ষতা আৰু কর্ম-কুশলতাৰ ওপৰত তেওঁৰ অগাধ আস্থা জন্মিছিল।

"দহ সপ্তাহৰ আগত—মে মাহৰ ২৩ তাৰিখৰ দিনা—মোমাইদেৱে মোক তেওঁৰ কাম কৰা কোঠালৈ মতাই নি, মোৰ কামৰ তাৰিফ কৰি মোক এটা গুৰুত্বপূর্ণ কামৰ ভাৰ দিয়াৰ কথা উলিয়ালে।

"তেওঁৰ ডেৰাজৰপৰা ধোৱাঁবৰণীয়া কাগজৰ মুৰা এটা উলিয়াই ক'লে, 'এয়া হ'ল ইংলণ্ড আৰু ইতালিৰ মাজত হোৱা গুপ্ত সন্ধিৰ নথি। সুখৰ বিষয় এই সম্বন্ধে সাংবাদিক মহলে ঘুনুক-ঘানাককৈ ইতিমধ্যে অলপ জানিবলৈ পাইছে। ঘৃণাক্ষৰেও এই সম্বন্ধে আৰু কোনো কথা বেকত হোৱাটো বাঞ্চনীয় নহয়। এই সন্ধি-পত্ৰৰ মৰ্ম জানিবলৈ ফৰাচী আৰু ৰুচ দূতাবাসে অজস্ৰ টকা ঢালিব। মোৰ ডেৰাজৰপৰা নথি কলৈকো যোৱাৰ কথা নহয়, কিন্তু ইয়াৰ নকল এটা নকৰালেও নচলে। তোমাৰ ডেৰাজত তলা-চাবি লগাব পৰা ব্যৱস্থা আছে নহয়?"

—আছে।

—তেনেহলে এই নথিপত্ৰ তাত বন্ধ কৰি থ'বা। আনবিলাক বিষয়া অফিছৰপৰা যোৱাৰ পাছত তুমি ইয়াৰ নকল এটা কৰিবাঁ। এক বৰ্ণ আখৰতো কাৰো চকু পৰিব নালাগে। নকল কৰা হ'লে ডেৰাজ চাবি মাৰি বন্ধ কৰি থ'বা— মূল আৰু নকল দুয়োটাকে। কাইলৈ পুৱা মূল আৰু নকল দুয়োটা আনি হাতে হাতে মোক দিবাঁহি।" কাগজ মুৰা মই হাতত ললোঁ আৰু—"খন্তেক ৰ'বচোন" বুলি হ'মচে মাত লগাই সুধিলে, "কোঠাটোত অকল আপোনালোক দুজনেই আছিল নে আন কোনোবাও আছিল?"

—মাত্ৰ আমি দুজন।

—কোঠাটো কিমান ডাঙৰ?

—দীঘে বহলে ত্ৰিছ ফুট।

—আপোনালোক কোঠাটোৰ সোঁ-মাজত আছিল?

—প্ৰায়।

—ডাঙৰকৈ মাত মাতিছিল নে সৰু মাতেৰে কথা হৈছিল?

—মোমাইদেৱে সদায় সৰু মাতেৰে কথা কয়; মই মাত মতাই নাছিলোঁ বুলি কব পাৰি।

—ধন্যবাদ, এতিয়া কৈ যাওক।

মোমাইদেউৰ নির্দেশ অনুসৰি আনবিলাক বিষয়া আৰু কেৰাণী অফিছ এৰি যোৱাৰ পিছত মই বাট চালোঁ। সকলোবোৰ যোৱাৰ পিছতো শ্বাৰ্ল গ'ৰ' বোলা এজনে মোৰ কোঠাতে বহি কাম কৰি আছিল। তেওঁৰ যাবলৈ পলম থকা যেন দেখি মই ডিনাৰ খাবলৈ ওলাই গলোঁ।

"সোনকালকৈ মই কামটো খতম কৰিব খুজিছিলোঁ, কাৰণ জোজেফ্ অর্থাৎ আপোনালোকে আহিয়েট লগ পোৱা মিষ্টাৰ হেৰিচন—সেইদিনা চহৰলৈ অহাৰ বাতৰি মই পাইছিলোঁ। নিশা এঘাৰ বজাৰ ৰেলখনত তেওঁ ব্ৰকিঙলৈ ঘুৰি অহাৰ কথা আছিল। পাৰিলে ময়ো সেইখন ৰেলকে ধৰিবলৈ মন কৰিছিলোঁ।

"মোৰ কাম কৰা কোঠালৈ ঘুৰি আহি সন্ধিপত্ৰৰ নথি পঢ়ি চাই খন্তেকতে বুজিব পাৰিলোঁ যে সেই নথিৰ গুৰুত্ব সম্পৰ্কে মোমাইদেৱে অকণো বঢ়াই কোৱা নাছিল। থোৰতে কবলৈ হ'লে, ভূমধ্য সাগৰত ফৰাচীৰ নৌ বল বৰকৈ বাঢ়ি গ'লে ইংলণ্ড আৰু ইতালিয়ে কি কি ব্যৱস্থা হাতত ল'ব লাগিব, সেই সম্বন্ধে সকলো কথা বিতংকৈ সন্ধিপত্ৰত লিখা আছিল। প্ৰায় ভাগ কথা আছিল দুয়োখন দেশৰ নৌ-বাহিনী সম্বন্ধীয়। তলত দুয়োখন দেশৰ পৰৰাষ্ট্ৰ মন্ত্ৰীৰ চহী আছিল। এবাৰ সন্ধিপত্ৰখন পঢ়ি লৈ মই নকল কৰিবলৈ লাগি গলোঁ।

"সন্ধিপত্ৰখনি আছিল ফৰাচী ভাষাত লিখা ছাব্বিছ দফীয়া এখনি দীঘলীয়া দলিল। যিমান পৰা যায় খৰকৈয়ে মই নকল কৰিছিলোঁ, তথাপি ন বজাত ন দফা হে মুঠেই নকল কৰা হৈছিল। সেই দেখি এঘাৰ বজাৰ ৰেলখন ধৰাৰ আশা মই এৰি পেলালোঁ। গোটেই দিনটো কাম কৰি ডিনাৰ খোৱাৰ পিছত মোক টোপনিয়ে জোকাবলৈ ধৰিলে; ভাগৰো লাগিছিল; ভাবিলোঁ এপিয়লা কফি খাই লোৱা যাওক। খটখটীৰ তলতে সৰু ঘৰ এটাত চকীদাৰ এটা নিশা থাকে। মাজে সময়ে আমি নিশালৈকে কাম কৰি থাকিবলগীয়া হ'লে 'স্পিৰিট-লেম্প্' এটাত পানী উতলাই সি আমাক কফি তৈয়াৰ কৰি দিয়ে। মই ঘন্টাটো

বজাই দিলত সি নাহি পিছে মাইকী মানুহ এজনীহে আহি ওলোৱাত মই অলপ আচৰিত হৈছিলোঁ—গেৰেলী, কঠুৱা চেহেৰাৰ, বয়সীয়াল মাইকী মানুহ। কঁকালত তাইৰ 'এপ্রন' এটা অঁৰা আছিল। চকীদাৰৰে তাই ঘৈণীয়েক বুলি মোক জনালে; অফিচ ঘৰ সৰাপোছা তাইয়ে বোলে কৰে। মই তাইক কফি তৈয়াৰ কৰিবলৈ কলোঁ।

'আৰু দুই দফা নকল কৰাৰ পিছত বৰ টোপনি ধৰিলে। হাত-ভৰি পোনাব-পঁজৰাবলৈ চকীৰপৰা উঠি মই কোঠাটোৰ ভিতৰতে টহল দিবলৈ ধৰিলোঁ। পিছে, কফি দেখোন নাহে হে নাহে! কিয়নো পলম হৈছে চাবলৈ দুৱাৰখন খুলি বুলনি ঘৰেদি খোজ ললোঁ। মই কাম কৰা কোঠাটোৰ পৰা ওলোৱাৰ সেইটোৱেই বাট; আন বাট নাই। তাত টিমিক-টামাককৈ চাকি এটা জ্বলি আছিল। বাটটোৰ সিমূৰে অকীয়া-পকীয়া এটা খটখটী; খটখটীৰ তলতে চকীদাৰৰ ঘৰ। খটখটীৰ সোঁমাজতে 'লেণ্ডিং' এডোখৰ আছে। তাৰপৰা সমকোনিয়াকৈ আৰু এটা বাট গৈ আন এটা খটখটীত গৈ লাগিছে। খটখটীৰ তলতে এখন দুৱাৰ। সেই দুৱাৰেদি চাকৰ-বাকৰে অহা-যোৱা কৰে; চাৰ্লচ ষ্ট্ৰীটৰ পিনৰপৰা অহা কেৰাণীহঁতো সেইখন দুৱাৰেদি অফিছ-ঘৰত সোমায়হি। এই ছবিখন চালে সকলো কথা ভালকৈ বুজিব পাৰিব:



হ'মচে ক'লে, "ধন্যবাদ, বুজি পাইছোঁ।"

"কোঠাৰপৰা ওলাই খটখটীয়েদি নামি গৈ মই তলৰ বুলনি ঘৰটো পালোঁগৈ। চকীদাৰৰ ঘৰলৈ ভুমুকিয়াই চাই দেখিলোঁ, সি টোপনিত ঘোৰ্ঘোৰাই আছে; স্পিৰিট লেম্পত বহুৱাই থোৱা কেট্‌লীটোত পানী ভকভকাই উতলি বাগৰি পৰিছে। চকীদাৰৰ গাত হেঁচুকি জগাওঁ বুলি তাৰ কাষ চাপিছোঁ এনেতে ঘণ্টাটো ঢংঢঙাই বাজি উঠিল চকীদাৰ টোপনিৰপৰা উচাপ খাই উঠিল।

"বৰ আচৰিত হোৱা যেন হৈ মোলৈ চাই সি ক'লে, 'মিষ্টাৰ ফেল্পচ্ চাৰ!'

—কফি তৈয়াৰ হ'ল নে নাই চাবলৈ আহিছিলোঁ।

—কেট্‌লীটো জুইত দি কেতিয়ানো টোপনি গলোঁ কবকে নোৱাৰোঁ চাৰ বুলি কৈ সি তেতিয়াও ল'ৰি থকা ঘণ্টাটোলৈ ভয়ানক আচৰিত হোৱা যেন হৈ চাই ৰ'ল। খন্তেক পিছত ক'লে, 'আপুনি ইয়াতে আছিল যদি, ঘণ্টাটো বজালে কোনে?'

—ঘণ্টা? কি ঘণ্টাৰ কথা কৈছা?

—আপোনাৰ কাম কৰা কোঠাৰপৰা ৰচী টানিলেহে এই ঘণ্টাটো বাজে।

চেঁচা হাতেৰে মোৰ বুকুখনত কোনোবাই চেপা মাৰি ধৰা যেন পালোঁ। সন্ধিপত্ৰখন মোৰ মেজত মেল খাই পৰি আছে, আৰু সেই কোঠাতে তেনেহলে আন কোনোবা সোমাইছে। উধাতু খাই খটখটী বগাই বুলনি ঘৰেদি ল'ৰি গৈ মোৰ কোঠা পালোঁগৈ। বাটত কাকো নেদেখিলোঁ, মোৰ কোঠাতো কেও নাছিল। কোঠাটো হুবহু মই এৰি থৈ যোৱা অৱস্থাতে আছিল; মাথোন সন্ধিপত্ৰৰ নথি মেজত নাই। নকলটো মেজতে পৰি আছিল, কিন্তু থাই নথি নিফুট!"

হ'মচে পোনহৈ বহি, হাত দুখন মোহাৰিবলৈ ধৰিলে। বুজিব পাৰিলোঁ যে ঘটনাত তেওঁ বৰ ৰস পাইছে।

তেওঁ সুধিলে, "আপুনি তেতিয়া কি কৰিলে কওকচোন।"

"বুজিবলৈ মোৰ বাকী নাথাকিল যে চোৰ পিছফালৰ দুৱাৰেদি সোমাইছিল। যাই দুৱাৰেদি সোমোৱা হ'লে নিশ্চয় তাক মই বাটত লগ পালোঁহেতেন।"

—চোৰ আগৰেপৰা আপোনাৰ কোঠাতে নাইবা চকা-চমকা পোহৰ পৰি থকা বুলনি ঘৰটোতে লুকাই থকা নাছিল বুলি আপুনি ডাঠি কব পাৰিবনে ?

—তাত লুকাই থকাটো একেবাৰে অসম্ভৱ কথা। কোঠাতে বা বুলনি-ঘৰতে এন্দুৰ এটা লুকাই থকা হ'লেও মোৰ চকুত পৰিলহেঁতেন।

—ধন্যবাদ, কৈ যাওক।

"মোৰ মুখৰ চেহেৰালৈ চাই কিবা এক সাংঘাতিক ঘটনা ঘটিছিল বুলি চকীদাৰটোৱে গম পাই, সিও মোৰ পিছে পিছে ওপৰলৈ ল'ৰি আহিছিল। মোৰ কোঠাৰপৰা ওলাই আমি দুয়ো চাৰ্লচ্ ষ্ট্ৰীটৰ ফালৰ দুৱাৰখনৰ পিনে লৰ ধৰিলোঁ। দুৱাৰখন জপোৱা আছিল কিন্তু তাত তলা লগোৱা নাছিল। দুৱাৰখন মেলি ল'ৰি আমি বাজলৈ ওলালোঁ। মোৰ মনত আছে, ঠিক সেই সময়তে ওচৰৰ গীৰ্জাঘৰ এটাত দহ বজাৰ ঘণ্টা পৰিছিল।'

"সেইটো অতি লাগতিয়াল কথা" বুলি কৈ, হ'মচে তেওঁৰ কামিজৰ হাতৰ আগটোত কিবা টুকি ল'লে।

"সেই নিশাটো ঘোপমৰা আন্ধাৰ আছিল; কিনকিনীয়া বৰষুণ দিছিল। চাৰ্লচ ষ্ট্ৰীটত জনপ্ৰাণী এটিও তেতিয়া নাই, কিন্তু সিমূৰে হোৱাইট হল ৰাস্তাত তেতিয়াও সচৰাচৰ চলাৰ দৰে যান-বাহন চলিয়েই আছিল। খালি মূৰেৰে ফুটপাথেদি আমি ল'ৰিবলৈ লাগিলোঁ। অলপ দূৰ গৈ পুলিচৰ চিপাহী এটা লগ পালোঁ। শেহাই-ফোপাই মই তাক কলোঁ, 'এটা ডকাইতি হৈছে; পৰৰাষ্ট্ৰ দপ্তৰৰপৰা অতি

গুৰুত্বপূর্ণ নথি এটা নাইকিয়া হৈছে। এই ফালেদি কাৰোবাক যোৱা দেখিছিলোঁ নে?'

—মই পোন্ধৰ মিনিট সময় ইয়াতে থিয়দি আছোঁ; গাত শাল কাপোৰ এখন মেৰোৱা, ওখপাখ, বয়সীয়া মাইকী মানুহ এজনীৰ বাহিৰে এই পোন্ধৰ মিনিটত এই পিনেদি কোনো যোৱা নাই।

চকীদাৰটোৱে ক'লে, "অ', সেইজনী মোৰ ঘৈণী; আন কোনো যোৱা নাইনে?"

—কোনো যোৱা নাই।

"চোৰ তেন্তে সিপিনেদিহে পলাইছে" বুলি চকীদাৰটোৱে মোৰ চোলাৰ হাতত আঁজোৰ এটা মাৰিলে।

তাৰ কথাত মই পতিয়ন নগলোঁ; সি মোক তাৰপৰা আঁতৰাই নিব খোজা দেখি, তাৰ ওপৰত মোৰ সন্দেহ বাঢ়িলহে।

"মাইকী মানুহজনী কোন ফালেদি গ'ল" বুলি মই চিঞৰ মাৰি সুধিলোঁ।

—সঠিক ক'ব নোৱাৰোঁ; সিমানকৈ মই মন কৰা নাছিলোঁ। মন কৰাৰ কোনো কাৰণো নাছিল, কিন্তু তাই বেগাবেগিকৈ যোৱা যেন দেখিলোঁ।

—তাই এই ফালেদি যাবৰ কিমান পৰ হ'ল?

—সৰহপৰ হোৱা নাই।

—পাঁচ মিনিট?

—সিমানেই হ'ব।

চকীদাৰটোৱে এনেতে মাত দিলে, "আপুনি অবাবত সময়হে হানি কৰিছে চাৰ; প্ৰত্যেকটো মিনিট এতিয়া গুৰুত্বপূর্ণ। বিশ্বাস কৰক, মোৰ ঘৈণীৰ চুৰিৰ লগত কোনো সম্পৰ্ক নাই; আমি এতিয়া আলিবাটটোৰ সিমূৰলৈ যোৱাহে কথা। আপুনি নাযায় যদি ময়ে যাওঁ" বুলি বিপৰীত দিশেদি সি লৰ ধৰিলে।

'মই তাৰ পিছে পিছে চোঁচা লৈ খপ কৰে তাৰ বাউসিত ধৰি সুধিলোঁ, 'তুমি ক'ত থাকা?'

—১৬ নং আইভি লেইন্, ব্রিক্সটনত, কিন্তু মিষ্টাৰ ফেল্পচ্, ভুলকৈ পম খেদিবলৈ নোলাব। আলিবাটৰ সিমূৰলৈ ব'লক; তাত কিবা বাতৰি পোৱা যায় নে কি, চোৱা যাওক।

'তাৰ কথাকে মানি, পুলিচটোকো লগত লৈ, আমি লৰ মাৰি আলিবাটটোৰ সিমূৰ পালোঁগৈ। বৰ-আলিত তেতিয়াও যান-বাহন আৰু মানুহ দুনুহৰ চলাচল বন্ধ হোৱা নাছিল। সেই ডাৱৰীয়া, সেমেকা নিশা সকলো খৰখেদাকৈ ঘৰাঘৰি যোৱাত ব্যস্ত। এনেয়ে থিয়া-থিই কৰি থকা মানুহ এটাও নেদেখিলোঁ।

"তাৰ পিছত আমি অফিছলৈ উলটি গৈ খটখটী আৰু বুলনি-ঘৰত তন্ন তন্ন কৈ বিচাৰি কাকো নাপালোঁ। মোৰ কোঠালৈ যোৱা বুলনি ঘৰটোত এখন কোমল 'লিনলিয়াম' দলিচা পৰা আছিল। তাত খোজ দিলে চিন পৰে। খুব সাবধানে পৰীক্ষা কৰিও তাত কাৰো ভৰিৰ খোজৰ চিন পোৱা ন'গ'ল।

—সেই দিনা সন্ধিয়াবেপৰা বৰষুণ দিয়েই আছিল নেকি?

—সাতমান বজাৰপৰা দিছিল।

—মাইকী মানুহজনী ন মান বজাত আপোনাৰ কোঠালৈ অহা বুলি কৈছিল; তেতিয়া হ'লে তাইৰ জোতাত লাগি অহা বোকাৰ চিনতো দলিচাত পৰিব লাগিছিল।

—আপুনি সেইটো কথা উনুকিওৱাৰ বাবে ভাল পাইছোঁ, কাৰণ সেই কথাটো মোৰ মনলৈকো এবাৰ আহিছিল, কিন্তু অফিছ ঘৰ ঝাৰ-পোছ কৰা মাইকীবোৰে জোতা চকীদাৰৰ ঘৰতে খুলি থৈ, চটি জোতা পিন্ধিহে ওপৰলৈ উঠে।

—বুজিলোঁ; যদিও সেই নিশা বৰষুণ হৈছিল। তথাপি দলিচাত বা আন ঠাইত কাৰো ভৰিৰ খোজৰ চাব পৰা নাছিল। বৰ

কৌতুহল জন্মোৱা বিধৰ ঘটনা। বাৰু, তাৰ পাছত কি কৰিলে, কণ্ডকচোন।

"কোঠাটোৰ ভিতৰখনো কেউপিনে চুক-কাণ মাৰি চোৱা হ'ল। কোঠাটোলৈ সোমাব পৰা গুপুত বাট নাছিল, আৰু খিৰিকীবিলাকো মাটিৰ পৰা ত্ৰিছ ফুট ওপৰত। খিৰিকী, ভিতৰৰপৰা শলখা লগাই বন্ধ কৰা আছিল। এই কথা মই শপত খাই ক'ব পাৰোঁ যে নথি চোৰ আগ দুৱাৰেদিয়েইহে আহি সোমাইছিল।

—জুহালখনেদি তলৰপৰা কোঠাটোলৈ সোমোৱা সম্ভৱ নে ?

—কোঠাটোত জুহাল নাই ; ষ্টভ এটাহে আছে। চকীদাৰৰ ঘৰত থকা ঘণ্টাটো বজাবলৈ হ'লে মোৰ কাম কৰা মেজৰ সোঁফালে ওলমি থকা ৰচীডাল টানি দিব লাগে। গতিকে যিজনে ৰচীডাল টানিছিল, তেওঁ মোৰ মেজৰ কাষলৈ আহিছিল, কিন্তু চোৰে ঘণ্টাটো কিয় বজাবলৈ গৈছিল, সেই কথা ভাবিহে আচৰিত মানিছোঁ। সি এক দুৰ্বোধ্য ৰহস্য নহয়নে ?

--হয় ! তাৰ পাছত আপুনি কি কৰিলে বাৰু, কণ্ডকচোন কোঠাটো পৰীক্ষা কৰি চাওঁতে তাত চিগাৰৰ গুৰি, হাতমোজা বা চুলিত খোঁচা কাঁটা—তেনে ধৰণৰ লাপি-লুপা বস্তু কিহবাত চকু পৰিছিলনে ?

—তেনে একো পোৱা নাছিলোঁ।

—কিহবাৰ গোন্ধ পাইছিল নেকি ?

—শুঙি চোৱাৰ কথা আমাৰ মনত খেলোৱা নাছিল।

—ধপাতৰ গোন্ধ পোৱা হ'লে, সেই কথাই এনে ধৰণৰ অনুসন্ধানত আমাক বিশেষ সহায় কৰিলেহেঁতেন।

– চুৰট ধপাত খোৱাৰ অভ্যাস মোৰ নাই ; গতিকে কোঠাটোত তেনে বস্তুৰ গোন্ধ থকা হ'লে মই গোন্ধ পাব লাগিছিল। মন কৰিব-লগীয়া কথা মই মাথোন এটাকেহে বিচাৰি পাইছিলোঁ—মানুহ জনী—তাইৰ নাম মিচেচ্ টেঞ্জি—সেই ঠাইৰপৰা বেগাবেগিকৈ আঁতৰি যোৱা

কথাটো। চকীদাৰে সেই কথাৰ একো কৈফিয়ৎ দিব নোৱাৰিলে: মাথোন ক'লে যে সেইটো তাইৰ ঘৰলৈ উলটি যোৱাৰ সময়েই। পুলিচ্ কনিষ্টবলে আৰু মই থিৰ কৰিলোঁ যে মানুহজনীয়েই নথি চুৰ কৰিছে; গতিকে কাগজখিনি তাই হস্তান্তৰ কৰাৰ আগতে তাইক ধৰিব লাগে।

"স্কটলেণ্ড য়ার্ডক ইতিমধ্যে খবৰটো দিয়া হ'ল। ফৰ্ব্চ্ নামেৰে ডিটেক্‌টিভ এজনে তুৰন্তে আহি তৎপৰতাৰে তদন্ত কৰিবলৈ লাগি গ'ল। বাগী এখন কেৰেয়া কৰি আধা ঘণ্টাৰ ভিতৰত আমি চকীদাৰে দিয়া ঠিকনাত ওলালোঁগৈ। মিচেচ্ টেঞ্জিৰ ডাঙৰ জীয়েকে দুৱাৰ খুলি দিলে; মাক তেতিয়াও ঘৰলৈ উলটি অহা নাছিল। আগফালৰ কোঠাটোত আমাক বহিবলৈ দিলে।

"দহ মিনিটমানৰ মূৰত দুৱাৰত কোনোবাই আহি টুকুৰিওৱাৰ শব্দ শুনা গ'ল, আৰু ঠিক সেই মুহূৰ্তত আমি এটা ডাঙৰ ভুল কাম কৰিলোঁ। তাৰ বাবে মযে জগৰীয়া। দুৱাৰখন নিজে খুলি নিদি, জীয়েকে খুলি দিবলৈ বাট চালোঁ। দুৱাৰ খুলি তাই কোৱা শুনিলোঁ, 'মা, দুজন মানুহ তোমাক লগ পাবলৈ বৈ আছে।' পিছ মুহূৰ্ততে বুলনিঘৰেদি কোনোবা ল'ৰি যোৱাৰ উমান পালোঁ। ফৰ্বচে ঘপ কৰে বহা কোঠাৰ দুৱাৰখন খুলিলে। আমি দুয়ো বুলনি ঘৰেদি লৰ মাৰি গৈ, বহা কোঠাৰ পিছফালে থকা ৰান্ধনি ঘৰটোত সোমালোঁ গৈ। মানুহজনী আমাৰ আগতে গৈ তাত সোমাইছিল। 'তোমালোকেনো কি কৰিব পাৰা, চাওঁচোন' ভাব দেখুৱাই, তাই আমাৰ পিনে চাই হাত সাৰটি থিয় দিলে। তাৰ পিছত মোক চিনি পাই, বৰ আচৰিত হোৱা যেন হৈ ক'লে, 'আৰে! আমাৰ অফিছৰ মিষ্টাৰ ফেল্‌চ্ দেখোন!'

ফৰ্ব্চে ক'লে, "থোৱঁা থোৱঁা, ভাও দিব নালাগে। আমাক কোন বুলি ভাবিনো তুমি ইয়ালৈ লৰ দিছিলা ?

—পাওনাদাৰ আহিছে বুলি ভাবিছিলোঁ ; সিহঁতৰ এটাৰ লগত মোৰ থকাখুন্দা লাগিছিল ।

—তেনেবোৰ কথাৰে পেট নভৰে দেই । তুমি পৰৰাষ্ট্ৰ দফ্তৰৰপৰা গুৰুত্বপূৰ্ণ কাগজপত্ৰ সৰকইছা বুলি সন্দেহ কৰাৰ থল আছে ; তোমাৰ গা খানাতালাচি কৰাব লাগিব ; তুমি এতিয়া আমাৰ লগত স্কট্‌লেণ্ড্ যাৰ্ডলৈ ব'লা ।

"তাই ঘোৰ আপত্তি কৰিলে, পিছে তাইৰ আপত্তিলৈ আমি কাণ নিদিলোঁ । চাৰি চকৰীয়া বাগী এখন অনোৱা হ'ল । বাগীত উঠাৰ আগতে ৰান্ধনি ঘৰটো, বিশেষকৈ জুহালখন, ভালকৈ পৰীক্ষা কৰি চোৱা হ'ল—কিজানি, যি খন্তেক তাই কোঠাটোত অকলে আছিল তাৰ মাজতে কাগজ সোপা ক'ৰবাত লুকুৱাইছিল বা জুইত দিছিল । কাগজৰ ছাই বা টুকুৰা ক'তো পোৱা ন'গ'ল । বাগীৰে আমি তিনিও স্কট্‌লেণ্ড্ য়াৰ্ডত উপস্থিত হোৱা মাত্ৰকে ফৰ্ব্‌চে তাইৰ গা খানাতালাচি কৰিবলৈ মাইকী চিপাহী এজনীৰ হাতত তাইক চমজাই দিলে । আন এটা কোঠাত উদ্বিগ্ন হৈ আমি বাট চালোঁ । অলপ পৰৰ মূৰত মাইকী চিপাহীয়ে আহি জনালে যে মানুহ জনীৰ চোলা-কাপোৰৰ তলত কোনো কাগজপত্ৰ পোৱা ন'গ'ল ।

"মই যে কি ঘোৰ বিপদত পৰিলোঁ তেতিয়াহে সম্যকৰূপে উপলব্ধি কৰিব পাৰিলোঁ । তেতিয়ালৈকে হুৰাহুৰিৰ মাজত চিন্তা কৰিবলৈ সময়কে পোৱা নাছিলোঁ । নথি উদ্ধাৰ হ'ব বুলিয়েই মই খাটাং কৈ ধৰি লৈছিলোঁ ; উদ্ধাৰ কৰিব নোৱাৰিলে পৰিণতি যে কি হ'ব ভাবিকে চোৱা নাছিলোঁ । এতিয়া কৰিবলৈ আৰু একো বাকী নথকাতহে নিজৰ কথা ভাবিবলৈ প্ৰথম আজৰি পালোঁ । ৱাট্‌চনক সুধিলে গম পাব, পঢ়াশলীয়া দিনৰেপৰা মই অলপ-ধতুৱা বেগেতে চুৰ্তি হেকওৱা বিধৰ লোক । মোৰ স্বভাৱেই তেনেকুৱা । নিজৰ, লগাভগা সকলোৰে, আৰু বিশেষকৈ মোমাইদেউ আৰু তেওঁৰ সহকৰ্মী সকলৰ মূৰত, মই যি

কলঙ্ক, অপমানৰ বোজা জাপি দিলোঁ, সেই কথা ভাবি বেবুৰা হলোঁ। মোৰ গাত দোষ নাথাকিলে কি হ'ব ? কূটনীতিৰ জগতত এনে ধৰণৰ ভুলৰ বাবে কোনেও দয়া মমতা দেখুৱাবলৈ নাহে। মোৰ ভৱিষ্যত তেনেই বৰ্বাদ হ'ল। তেতিয়া মই কি কৰিছিলোঁ ক'ব নোৱাৰোঁ; বোধ-কৰোঁ বলিয়া মানুহৰ দৰে ব্যৱহাৰ কৰিছিলোঁ। এদল বিষয়াই মোক বেৰি লৈ শান্তনা দিবলৈ চেষ্টা কৰাৰ কথা ৰিণিকি ৰিণিকি মোৰ মনত পৰে। তেওঁলোকৰে এজনে মোক ৰটালু ষ্টেশ্বনলৈ নি, ৰকিঙলৈ অহা ৰেলত তুলি দিলে। সেইখন ৰেলতে মোৰ ওচৰঘৰীয়া ডাক্তৰ ফেৰিয়াৰো উঠিছিল। তেওঁক লগ নোপোৱা হ'লে বোধকৰো বিষয়াজন মোৰ লগত ৰকিঙলৈকে আহিলহেঁতেন। ডাক্তৰ ফেৰিয়াৰে দয়া কৰি মোৰ দায়িত্ব ল'লে। ন'হ'লে লেঠাই আছিল—ৰেল ষ্টেশ্বনতে এবাৰ মই মূৰ্চ্ছ গৈছিলোঁ। ঘৰ আহি পালত মই প্ৰলাপ বকি থকা সম্পূৰ্ণ এটা বলিয়া মানুহ।

"দুপৰ নিশা ঘৰ আহি পাওঁতে ঘৰৰ সকলোটি টোপনিত। ডাক্তৰে টিলিঙাটো বজাই দিলত সাৰ পাই মোৰ মানসিক অৱস্থা দেখি ঘৰৰ ঘৰোৱাহৰে কেনে লাগিছিল, নক'লেও আপুনি বুজিব। এনি আৰু মোৰ আই তেনেই ভাঙি পৰিল। ডাক্তৰ ফেৰিয়াৰে ডিটেকটিভ ফৰ্ব্‌চৰপৰা সকলো কথা ৰটালু ষ্টেশ্বনতে গম পাইছিল। সেইবোৰ কথা তেওঁ ঘৰত ভাঙি-পাতি জনালে। তাৰপৰা অৱশ্যে পৰিস্থিতিৰ উন্নতি একো ন'হ'ল; সকলোৱে বুজিলে যে ভালে দিনলৈ মই শয্যাশায়ী হ'ব লাগিব। এইটো কোঠা জোজেফে ব্যৱহাৰ কৰিছিল। ইয়াৰপৰা তেওঁক খেদাই, মোক ইয়াতে শুৱাই শুশ্ৰূষাৰ ব্যৱস্থা কৰা হ'ল। এই কোঠাতে মগজুৰ জ্বৰত ভুগি, প্ৰলাপ বকি বকি, যোৱা নটা সপ্তাহ মই পৰি আছোঁ। জ্ঞানো মোৰ নাছিল। ডাক্তৰ আৰু মিচ্ হেৰিচনৰ অক্লান্ত শুশ্ৰূষাৰ গুণতহে আজি আপোনাৰ লগত কথা পাতিব পৰা অৱস্থালৈ আহিছোঁ। দিনৰ দিনটো মিচ্ হেৰিচন মোৰ গাটোৰ লগত ছাঁটো হৈ

থাকে আৰু নিশা এগৰাকী নাৰ্চে ৰখে, কাৰণ মগজৰ ঠিক নথকা অৱস্থাত কেতিয়া মই কি কৰোঁ তাৰ একো নিশ্চয়তা নাছিল। লাহে লাহে মোৰ মগজুটো পৰিস্কাৰ হৈ আহিবলৈ ধৰিছিল। কিন্তু মাত্ৰ যোৱা তিনটা দিনতহে মোৰ স্মৃতিশক্তি ঘূৰাই পাইছোঁ। ঘূৰাই নোপোৱা হ'লেই ভাল আছিল বুলিহে মাজে সময়ে মোৰ মনলৈ ভাব আহে। অলপ প্ৰকৃতিস্থ হৈয়েই মিষ্টাৰ ফৰ্বচলৈ চিঠি এখন পঠালোঁ। তেওঁ আহি মোক জনালে যে কৰিবলগীয়া সকলোখিনি সাধ্যমতে তেওঁলোকে কৰিলে! কিন্তু ঘটনাৰ শুং একো বিচাৰি পোৱা ন'গ'ল: চকীদাৰ আৰু তাৰ ঘৈণীয়েকক ঘূৰাই ঘূৰাই জেৰা কৰিও একো উলিয়াব নোৱাৰিলে। পুলিচৰ তাৰ পাছত চোভা হ'ল শ্বাৰ্ল গ'ৰ'ৰ ওপৰত। তেওঁ সেই নিশা ভালেমান পৰলৈকে আফিছত কাম কৰি থকাৰ কথা আগতে কৈছোঁ; আপোনাৰ মনত থাকিব পায়। তদুপৰি তেওঁৰ নামটোও হ'ল ফৰাচী নাম। গতিকে তেওঁৰ ওপৰত সন্দেহ হোৱা স্বাভাৱিক, কিন্তু তেওঁ যোৱাৰ পিছতহে মই কাম আৰম্ভ কৰিছিলোঁ আৰু এই কথা মই বটিয়াকৈ জানো যে কেইবা পুৰুষো তেওঁৰ পৰিয়াল ইংলণ্ডত নিগাজীকৈ বাস কৰি আছে; আপুনি, মই যেনে খাঁটি ইংৰাজ, তেওঁও এতিয়া তেনে খাঁটি ইংৰাজ। যি কি নহওক তেওঁৰ বিৰুদ্ধে একো পোৱা নগ'ল আৰু তদন্তৰ সেইখিনিতে অন্ত পৰিল। শেষ আশ্ৰয়স্থল হিচাপে মই এতিয়া আপোনাৰ শৰণাপন্ন হৈছো, মিষ্টাৰ হ'মচ। আপুনি কিবা এটা ন'কৰিলে সন্মানৰ মূৰতো খামেই, চাকৰিও যাব; মোৰ ভৱিষ্যত তেনেই বৰ্বাদ হ'ব।"

কথাখিনি কৈ ৰোগা ভাগৰি পৰিছিল: কুশনত মূৰ থৈ তেওঁ কাতি হ'ল। মিচ হেৰিচনে গালৈ বল অনা দৰৱ এপালি তেওঁক খুৱাই দিলে। মূৰটো চকীৰ পিঠিত পেলাই, চকু মুদি হ'মচ নিমাত হৈ বহি থাকিল। তেওঁৰ সেই মূৰ্তি দেখি আনে ভাবিব যে তেওঁ টোপনিয়াবলৈহে ধৰিছে, মই কিন্তু বুজি পাইছিলোঁ যে তেওঁ তেতিয়া ধ্যানত মগ্ন।

ভালেমান পৰৰ মূৰত মূৰ দাঙি, চকু মেলি হ'ম্‌চে ক'লে, "আপুনি সকলোবোৰ কথা যিদৰে ভাঙিপাৰি ক'লে, তাৰ পাছত মোৰ সুধিব লগীয়া একো নাথাকিলেই বুলি ধৰক। কিন্তু মই আপোনাক এটা অতি গুৰুত্বপূৰ্ণ প্ৰশ্ন কৰিব লাগিব—আপোনাক সেই বিশেষ কামটোৰ ভাৰ দিয়াৰ কথা আপুনি কাৰোবাক কৈছিল নেকি?"

—কাকো কোৱা নাছিলোঁ।

—মিচ্ হেৰিচনকো কোৱা নাছিলনে?

—নাই কোৱা। কামৰ ভাৰ পোৱাৰ আৰু কাম আৰম্ভ কৰাৰ মাজত তো মই ৰকিঙলৈ অহা নাছিলোঁ।

—আপোনাৰ চিনাকি বা লগাভগা কোনো আপোনাক লগ পাবলৈ যোৱা নাছিল?

—নাই যোৱা।

—আপোনাৰ ঘৰৰ মানুহ কোনোবাই আপোনাৰ অফিছত ক'ত কি থাকে সেইবোৰ কথা গম পায়নে?

—পায়, কাৰণ তেওঁলোক কেতিয়াবা অফিছলৈ মোক লগ পাবলৈ আহোঁতে ঘূৰাইপকাই গোটেইটো অফিছ মই তেওঁলোকক দেখুৱাইছিলোঁ।

—কিন্তু আপুনি সেই বিশেষ কামটোৰ কথা কাকো কোৱা নাছিল যেতিয়া, সেই বিলাক কথাত গুৰুত্ব দিবলগীয়া একো নাই; নহয় জানো?

—কাকো মই একো কোৱা নাছিলোঁ।

—চকীদাৰটোৰ সম্বন্ধে আপুনি কি জানে?

—সি এটা অৱসৰপ্ৰাপ্ত সৈনিক, সিমানকৈহে জানোঁ।

—তাৰ পল্টনৰ নামটো কি?

—ক'ল্ড্‌ষ্ট্ৰীম্ গাৰ্ড্চ্।

—ধন্যবাদ। আৰু কিবা জানিবলগীয়া হ'লে ফৰ্বচৰ পৰা তথ্য

সংগ্ৰহ কৰিব পাৰিম। তথা গোটেৰাত কৰ্তৃপক্ষ পাকৈত, পিছে তথাবোৰ সদায় কামত খটুৱাবহে নোৱাৰে। গোলাপ ফুল যে কেনে এটি ধুনীয়া বস্তু।

সেই বুলি কৈ হ'ম্‌চ মেল খাই থকা খিৰিকীখনৰ কাষলৈ গৈ. লতা গোলাপৰ ডাল এটা হাতত লৈ, তাত লাগি থকা সেউজীয়া আৰু ৰঙাৰে মিহলিবৰণীয়া গোলাপ ফুল এপাহিলৈ ৰ লাগি চাই ৰ'ল। হ'মচৰ চৰিত্ৰৰ এই দিশটো মোৰ অজ্ঞাত আছিল, কাৰণ প্ৰাকৃতিক সৌন্দৰ্য্যই তেওঁক আকৰ্ষণ কৰা আগতে কাহানিও দেখা নাছিলোঁ।

ফুলটো কিছুপৰ পৰীক্ষা কৰি আমালৈ চাই ধৰ্ম, ঈশ্বৰ, ফুল আদিৰ সম্বন্ধে তেওঁ এটি চমু বক্তৃতা দিলে।

হ'ম্‌চৰ এইবিলাক কাণ্ড কাৰখানা দেখি পাৰ্চি ফেল্পচ্‌ আৰু মিচ্‌ হেৰিচন্‌ আচৰিত আৰু বিৰক্ত হোৱা যেন দেখিলোঁ। বক্তৃতাৰ অন্তত, ফুলপাহি আঙুলি দুটাৰ মাজত সুমুৱাই, সেই পিনলৈ চাই হ'ম্‌চ্‌ আকৌ চিন্তাত মগ্ন হ'ল। তেনেকৈ কিছু সময় পাৰ হোৱাৰ পিছত, গাভৰু গৰাকীয়ে কিঞ্চিৎ কট্‌ মাতেৰে প্ৰশ্ন কৰিলে, "এই ৰহস্য ভেদ কৰিব পৰাৰ কিবা আশা আছেনে, মিষ্টাৰ হ'ম্‌চ্‌?"

"অ' আপুনি ৰহস্যটোৰ কথা সুধিছে" বুলি আকৌ আমাৰ ওচৰলৈ চাপি আহি হ'ম্‌চে কলে, "ৰহস্য যে ঘোৰ জটিল সেই কথা অস্বীকাৰ কৰা বাতুলতা হ'ব, কিন্তু আপোনালোকক প্ৰতিশ্ৰুতি দিলোঁ যে সকলো কথা পৰীক্ষা কৰি চাই, কিবা লাগতিয়াল কথা চকুত পৰিলে আপোনালোকক নিশ্চয় জনাম।"

—কিবা শুং বিচাৰি পাইছেনে ?

—সাতোটা শুং বিচাৰি পাইছোঁ, পিছে তাৰে কেইটা কামত লাগিব, সেই কথা হে ক'ব পৰা নাই।

— কাক আপুনি সন্দেহ কৰে ?

—নিজকে।

—তাৰ মানে ?

—তাৰ মানে, ঘপৰাই সিদ্ধান্তত উপনীত হওঁ বুলি নিজৰ ওপৰত সন্দেহ জন্মে।

—তেনেহ'লে লণ্ডনলৈকে উলটি যাওকগৈ; তাতে গৈ কি সিদ্ধান্তত উপনীত হয়, হওকগৈ। "আপোনাৰ পৰামৰ্শ অতি উত্তম, মিচ্ হেৰিচন্" বুলি মোলৈ চাই হ'ম্চে কলে, "ৱাট্চন্, এখেতৰ পৰামৰ্শকে এতিয়া সাৰোগত কৰাহে সমীচীন হ'ব। মিষ্টাৰ ফেল্প্চ, িছা আশা আপোনাক নিদিওঁ; ঘটনা পাকলগা বিধৰ।"

—আপোনাৰ পৰা সমিচাৰ নোপোৱালৈকে মই বৰ উদ্বিগ্ন আৰু অধৈৰ্য্য হৈ থাকিম।

—আজি অহাৰ পৰতে কাইলৈ মই ওলামহি, কিন্তু কিবা আশাপ্ৰদ বাতৰি আনিব পাৰিম বুলি ভাৰসা হলে নকৰোঁ।

আমাৰ মক্কেলে ক'লে, "ঈশ্বৰে আপোনাৰ মঙ্গল কৰক, মিষ্টাৰ হ'ম্চ্। আপুনি আকৌ আহিব বুলি দিয়া আশ্বাসকণেও মোক নতুন জীৱন দান কৰিছে। অ' ৰ'ব, আৰু এটা কথা আছে—লৰ্ড হ'ল্ড্হাৰ্স্টৰপৰা এখন চিঠি পাইছো।"

—হা! তেখেতে কি কয়?

—তেখেতৰ চিঠিৰ ভাষা চেঁচা, কিন্তু চোকা নহয়। মোৰ অসুখৰ কথা শুনি বোধকৰোঁ চোকা ভাষা প্ৰয়োগ নকৰিলে। তেখেতে পুনৰ মোক জনাইছে যে বিষয় অতিশয় গুৰুতৰ, কিন্তু মই নিৰাময় নোহোৱালৈকে মোৰ ভৱিষ্যত সম্বন্ধে কোনো সিদ্ধান্ত লোৱা ন'হ'ব, অৰ্থাৎ মোক কামৰপৰা বৰ্খাস্ত কৰা ন'হ'ব, আৰু গুপুনথিৰ পুনৰোদ্ধাৰ হ'লে মোৰ ভৱিষ্যত সম্বন্ধে বিবেচনা কৰা হ'ব।

—তাতকৈ যুক্তিযুক্ত আৰু সহানুভূতিপূৰ্ণ কথানো আৰু তেখেতে কি ক'ব পাৰে? ব'লা ৱাট্চন্, দিনটোৰ ভিতৰত আমি ভালেমান কাম কৰিব লাগিব।

মিষ্টাৰ জোজেফ্ হেৰিচনে বাগীৰে আমাক ৰেল ষ্টেশ্বনত থ'লেহি। পৰ্ট্‌চ্‌মাউথৰপৰা অহা ৰেল এখনত আমি উঠিলোঁ। ৰেলত উঠি হ'ম্‌চ্ চিন্তাত মগ্ন হ'ল। ক্লেফাম্ জংচন আহি পালতহে তেওঁ মাত দিলে, "ফেল্পচে বৰকৈ মদ খায় নে কি?"

মই কলোঁ। "বোধকৰোঁ নাখায়।"

—নাখাব পাৰে, তথাপি সকলো সম্ভাব্য কথালৈ আমি মন দিব লাগিব। বেচৰা সঁচাকৈয়ে বৰ বিপদত পৰিছে। তেওঁক উদ্ধাৰ কৰিব পাৰিম নে নোৱাৰিম, সেই কথাহে ক'ব পৰা নাই। মিচ্ হেৰিচন্ সম্পৰ্কে তুমি কি ভাবাঁ?

—বলিষ্ঠ চৰিত্ৰৰ ছোৱালী।

—হয়, মোৰ যদি ভুল হোৱা নাই, ভাল ছোৱালী। তাই আৰু ককায়েক নৰ্দাম্বাৰলেণ্ডৰ কোনোবা এজন লোহাৰৰ একমাত্ৰ লৰা-ছোৱালী। যোৱা বছৰ জাৰ-কালি সেই অঞ্চলত ফুৰিবলৈ যাওঁতে ফেল্প্‌চে তাইক লগ পাই তাইৰ লগত বিয়াৰ বন্দবস্ত কৰে। মাক দেউতাকহঁতৰ লগত চিনাকি কৰিবলৈ তাইক ৱকিংলৈ লৈ আহে। ককায়েকো লগতে আহিল, তাইৰ ৰখীয়া হিচাপে। তাৰ পাছতে বিঘিনিটো ঘটিল। চেনেহীক শুশ্ৰূষা কৰিবলৈ তাই ৱকিংতে ৰৈ গ'ল। বঢ়িয়াকৈ খাবলৈ ব'বলৈ পাই ককায়েকো থাকিল। তলে তলে মই কিছু অনুসন্ধান ইতিমধ্যে কৰিলোঁ; আজি আৰু ভালেমান তথ্য সংগ্ৰহ কৰিব লাগিব।

"মোৰ ডাক্তৰি ব্যৱসায়ৰ তেনেহলে দেখোন" বুলি মই ক'বলৈহে পালোঁ, হ'ম্‌চে থংমুৱা হৈ উত্তৰ দিলে, "মোৰ লগত তদন্তত যোগ দিয়াতকৈ ৰোগী চাই তুমি ভাল পোৱাঁ যদি—"

মই বাধা দি কলোঁ, "মই ক'ব খুজিছিলোঁ যে দুদিন ডাক্তৰি নকৰিলে একো ক্ষতি ন'হ'ব, কাৰণ বৰ্তমান বেমাৰ-আজাৰ নাই বুলিলেই হয়।"

মোৰ কথা শুনি হ'মচে ৰং পাই ক'লে, "বঢ়িয়া কথা ; তেনেহ'লে আমি দুয়ো মিলি এই ৰহস্যৰ যুটীয়া তদন্ত কৰিম। পোন প্ৰথমে আমি ফৰ্ব্‌চক লগ ধৰিব লাগিব। খুঁটিনাটি সকলোবোৰ বতৰা তেওঁৰপৰা সংগ্ৰহ কৰিছে, কোন দিশৰপৰা তদন্ত আৰম্ভ কৰা যুগুত হ'ব, সেই কথা থিৰ কৰিব পৰা যাব।"

—কিবা এটা শুং বিচাৰি পাইছা বুলি তুমি কৈছিলা নহয় ?

—এটা নালাগে কেইবাটাও পাইছো, পিছে সেই বিলাকৰ মূল্য কিমান, তদন্তত আগ বাঢ়িলেহে বুজা যাব। যিবিলাক দোষণীয় কাৰ্য্যৰ গুৰিত কোনো মত্‌লব্‌ বিচাৰি পোৱা নাযায়, তেনে দোষণীয় কাৰ্য্যৰ দোষীক ধৰা পেলাবলৈ টান হয়। এই ঘটনাৰ অন্তৰালত মত্‌লব্‌ আছে। এই কাৰ্য্যৰপৰা কাৰ লাভ হ'ব পাৰে ? ফৰাচী ৰাষ্ট্ৰদূত, ৰুচ্‌ ৰাষ্ট্ৰদূত, আৰু যিজনে এওঁলোক দুজনৰ যেই সেই এজনক গুপ্তনথি বেচিব পাৰে, তেওঁৰ। তাৰ উপৰিও সন্দেহজনক মানুহ আৰু এজন আছে ; তেওঁ হল লৰ্ড্‌ হল্ড্‌হাৰ্ষ্ট।

আচৰিত হৈ মই সুধিলোঁ, "লৰ্ড্‌ হল্ড্‌হাৰ্ষ্ট ?"

—নথিটো নাইকিয়া কৰোৱাৰ কিবা উদ্দেশ্য ৰাজনীতিজ্ঞ পুৰুষ এজনৰ থকাটো অসম্ভৱ কথা নহয়।

—লৰ্ড হল্ড্‌হাৰ্ষ্টৰ নেখিয়া এজন সৎ আৰু সন্মানী পুৰুষৰ পক্ষে তেনে কাম কৰাটো সম্ভৱপৰ নহয়।

—সম্ভৱপৰ নহয় বুলি থাটাংকৈ ক'ব নোৱাৰি। আজি আমি মাননীয় লৰ্ড চাহাবক দেখা কৰিম। তেওঁনো ৰহস্যত কি পোহৰ পেলাব পাৰে চাব লাগিব। ইতিমধ্যে আন আন দিশৰপৰাও মই তদন্ত আৰম্ভ কৰিছোঁ।

—ইতিমধ্যে কৰিলাইনে ?

—কৰিলোঁ, ৱকিং ৰেলষ্টেশনৰ পৰা আজি আবেলি ওলাবলগীয়া

কেউখন বাতৰি কাকতলৈকে টেলিগ্ৰাম দিলোঁ। এই বিজ্ঞাপন ভুখৰি আজি আবেলিকৈ সকলোবোৰ কাকতত ওলাব।

নোটবহীৰ পাত এখিলা ফালি তেওঁ মোৰ হাতত দিলে। তাত লিখা আছিল :

দহ পাউণ্ড্ পুৰস্কাৰ—২৩ মেই তাৰিখৰ দিনা নিশা দহ বাজিবলৈ পোন্ধৰ মিনিট থাকোঁতে চাৰ্ল্চ্ ষ্ট্ৰীটত অৱস্থিত পৰৰাষ্ট্ৰ দফ্তৰৰ দুৱাৰ মুখত এখন বাগীৰপৰা এজন মানুহ নামিছিল। সেইবাগীৰ নম্বৰটো যি জনে তলত দিয়া ঠিকনালৈ পঠাব পাৰিব, তেওঁক সেই পুৰস্কাৰ দিয়া যাব—২২১ বি বেকাৰ ষ্ট্ৰীট্।

—চোৰ যে বাগীত আহিছিল সেই-সম্বন্ধে তুমি নিঃসন্দেহ নে কি ?

—"নি.সন্দেহ নহ'লেও বিজ্ঞাপন ভুখৰিয়ে একো হানি নকৰে। মিষ্টাৰ ফেল্প্চে কোৱা মতে কাম কৰা কোঠাটোত বা বুলনি ঘৰত লুকাই থকাৰ ঠাই নাই যদি চোৰ বাহিৰৰ পৰা আহিছিল। সেই নিশা বৰষুণ দিছিল, অথচ জোতাৰ চিন দলিচাত পৰা নাছিল। গতিকে চোৰ বাগাত অহাই সম্ভৱ। মোৰ বোধেৰে বাগীতে আহিছিল বুলি আমি ধৰি ল'ব পাৰোঁ।

"সেইটো এটা শুং পোৱা গৈছে ; তাৰপৰা হয়তো আমি আন শুঙলৈ আগ বাঢ়িব পাৰিম। তাৰ পাছত, ঘণ্টাটো বাজি উঠাৰ কথাটোলৈ মন কৰাঁচোন ; সেইটোৱেই সকলোতকৈ মন কৰিব লগীয়া কথা। ঘণ্টাটো বাজি উঠিল কিয় ? চোৰে বাহাদুৰী দেখুৱাবৰ মনেৰে ঘণ্টাটো বজাই দিলে নে কি ? নে আন কোনোবাই চোৰৰ কাৰ্য্যত বাধা দিবলৈ ঘণ্টাটো বজাইছিল ? নে বচাত অকস্মাতে কেনেবাকৈ টান পৰি ঘণ্টাটো বাজিছিল ? নে—?" বুলি বাক্যশাৰী শেষ নকৰাকৈয়ে হ'ম্চ্ আকৌ গভীৰ চিন্তাত নিমগ্ন হ'ল। বুজিলোঁ যে আন কিবা সম্ভাৱনাৰ কথাই তেওঁৰ মনত ভুমুকি মাৰিছে।

তিনি বাজি বিছ মিনিট যোৱাত লণ্ডনত উপস্থিত হৈ ৰেস্তৰাঁ

এটাত বহি কাণে-নাকে কিবা অলপ গুজি আমি স্কট্‌লেণ্ড য়াৰ্ড পালোঁগৈ। হ'ম্‌চে ফৰ্ব্‌চলৈ আগতে টেলিগ্ৰাম পঠাইছিল। ফ'ৰ্বচে আমাৰ বাট চাই আছিল—শিয়ালৰ লেখিয়া মানুহটো, বুদ্ধিত চোকা যেন অনুমান হ'ল, কিন্তু হাবভাব অমায়িক বিধৰ নহয়। আমাৰ প্ৰতি তেওঁৰ সম্ভাষণ কঠুৱা যেন লাগিল। বিশেষকৈ যি উদ্দেশ্যেৰে আমি তেওঁক দেখা কৰিবলৈ গৈছিলোঁ, সেই কথা জনোৱাৰ পিছত।

টেঙা মাতেৰে তেওঁ ক'লে, "আপোনাৰ তদন্ত-পদ্ধতি মোৰ জনা আছে, মিস্টাৰ হ'ম্‌চ্; আপুনি পুলিচৰপৰা সকলো তথ্য সংগ্ৰহ কৰি নিজৰ পদ্ধতিৰে এনেদৰে তদন্তৰ সামৰণি মাৰে যে আমি ইঁাহিয়াতৰ পাত্ৰ হওঁ।"

হ'ম্‌চে উত্তৰ দিলে, "সমুলি নহয়; যোৱা কেইমাহে মই হাতত লোৱা তেপ্পন্নটা তদন্তৰ চাৰিটাত হে মাথোন মোৰ নাম প্ৰকাশিত হৈছিল, বাকী উণপঞ্চাচটাৰ বাবে পুলিচেহে তাৰিফ পাইছিল। আপুনি সেই কথা নজনাৰ বাবে আপোনাক মই হেকান পাৰিব খোজা নাই, কাৰণ আপোনাৰ বয়স আৰু অভিজ্ঞতা তাকৰ: কিন্তু কামত উন্নতি কৰিবৰ মন আছে যদি মোৰ বিৰুদ্ধে ন'গৈ, মোৰে সৈতে সহযোগিতা কৰা হে ভাল হ'ব।"

ডিটেকটিভজনৰ হাবভাবত অলপ সালসলনি ঘটা যেন দেখিলোঁ। তেওঁ ক'লে, "আপোনাৰপৰা দুই এটা ইঙ্গিত পালে সুখী হ'ম, কাৰণ এই বিষয়ে তদন্তত এতিয়ালৈকে মই এফেৰিও তাৰিফ্‌ পোৱা নাই।"

—আপুনি কি কি ব্যৱস্থা হাতত লৈছে?

—চকীদাৰটোৰ পিচত ৰিপ্‌ৱা লগাইছোঁ। চৰিত্ৰত ক'লা দাগ নেপেলোৱাকৈ গাৰ্ড পল্টনত কাম কৰি সি অৱসৰ লৈছিল। তাৰ ঘৈণীয়েকজনী সুবিধাৰ মাইকী নহয়। মোৰ বিশ্বাস, এই ঘটনাসম্বন্ধে তাই যিবোৰ কথা কৈছে, তাতকৈ সৰহ কথা তাই গম পায়।

—তাইৰ পাছতো বিপুৰা লগাইছেনে ?

—হয়। এজনী মাইকী ডিটেক্‌টিভ্‌ক তাইৰ পাছত লগোৱা হৈছে। মিচেচ্‌ টেঙ্গিয়ে সৰহকৈ মদ খায়। তাইৰ নিচা হোৱা অৱস্থাতো তুবাৰো আমাৰ মানুহজনীয়ে তাইক লগ ধৰি একো কথা উলিয়াব নোৱাৰিলে।

—মই পোৱা বাতৰি মতে সিহঁতৰ ঘৰলৈ পাওনাদাৰ যায়।

—পাওনাদাৰে পাবলগীয়া ধন পালে।

—টকা ক'ৰপৰা আহিল ?

—চকীদাৰে তাৰ পেন্‌চনৰ টকা পাইছিল। সৰহকৈ সিহঁতৰ হাতলৈ ধন-বিত অহাৰ কোনো প্ৰমাণ নাই।

—মিস্টাৰ ফেল্‌চে কফি খাবৰ মনেৰে ঘন্টাটো বজাওঁতে, গিৰিয়েক ন'গৈ তাই কিয় তেওঁৰ ওচৰলৈ গৈছিল, সেই সম্বন্ধে তাই কি কৈফিয়ৎ দিছিল ?

—কৈছিল যে গিৰিয়েকৰ বৰ ভাগৰ লগা বাবে তায়েঁ গৈছিল।

—কথাষাৰ মিছা হ'ব নালাগে, কাৰণ খন্তেক পিছতে গিৰিয়েকক টোপনি অহা অৱস্থাত পোৱা গৈছিল। গতিকে চকীদাৰৰ ঘৈণীয়েকৰ চৰিত্ৰৰ বাহিৰে সিহঁত দুটাৰ ওপৰত সন্দেহৰ আন হেতু নাই। তাই কিয় সেই নিশা বেগা-বেগিকৈ শুচি আহিছিল, সেই সম্বন্ধে তাইক প্ৰশ্ন কৰিছিল নে ? তাই বেগদি খোজ কঢ়াৰ কাৰণে কনিষ্টবলটোৰ তাইৰ ওপৰত চকু পৰিছিল।

—সেই নিশা ঘৰলৈ ওলটোঁতে পলম হৈছিল বাবেহে বোলে তাই খৰ-খেদা কৰিছিল।

—তাই শুচি যোৱাৰ অন্ততঃ কুৰি মিনিট পিছতহে আপুনি আৰু মিষ্টাৰ ফেল্‌চ্‌ তাইৰ ঘৰলৈ বাওনা হৈছিল ; তথাপি তাইতকৈ আগতে আপোনালোক কেনেকৈ সেই ঠাই পালেগৈ, সেই সম্বন্ধে তাইৰ দৃষ্টি আকৰ্ষণ কৰা হৈছিল নে ?

—তাই কয় যে তাই বাচত (ঘোঁৰাই টনা) গৈছিল, আৰু আমি গৈছিলোঁ বাগীত। সেই বাবে আমি আগতে গৈ পাইছিলোঁ।

—ঘৰ পাই, ৰান্ধনি ঘৰলৈ তাই কিয় লৰ দিছিল, তাৰ কিবা কৈফিয়ৎ তাই দিছিল নে?

—তাই বোলে ৰান্ধনি ঘৰত টকা থৈছিল। পাওনাদাৰ আহিছে বুলি ভাবি টকা আনিবলৈ গৈছিল।

—দেখা যায়, প্ৰত্যেক প্ৰশ্নৰে তাইৰ একোটা উত্তৰ আছে। তাই ঘৰমুৰা হৈ অফিছৰপৰা ওলাই যাওঁতে চাৰ্ল্চ্ ষ্ট্ৰীটত কাৰোবাক লগ পাইছিল নে বা কাৰোবাক তাত টহলি থকা দেখিছিলনে, সেই প্ৰশ্ন তাইক কৰা হৈছিল নে?

—কনিষ্টবলজনৰ বাহিৰে আন কাকো বোলে তাই দেখা নাছিল।

—বুজিলোঁ, আপুনি তাইক জেৰা কৰিবলৈ বাকী ৰখা নাই। আৰু কি কি কৰিলে, কওকচোন।

—যোৱা ন সপ্তাহ এটা ৰিপুৰাই গ'ৰ' বোলা কেৰাণীজনৰ পিছ এৰা নাই, কিন্তু তেওঁৰ বিৰুদ্ধেও আমি একো পোৱা নাই।

— আৰু কিবা?

— আৰু একো নাই; তদন্তত আগুৱাবলৈ কোনো প্ৰমাণেই আমি পোৱা নাই।

— ঘণ্টাটো কেনেকৈ বাজিবলৈ পালে সেই সম্বন্ধে কিবা ভাবি উলিয়াইছেনে?

—মই স্বীকাৰ কৰিছোঁ যে সেই সম্বন্ধে মই উৱাদিহ পোৱা নাই। কথাটো বৰ আচৰিত যেন লাগে।

—হয়, বৰ আচৰিত। যি কি নহওক, আপুনি যিখিনি খবৰ দিলে, তাৰ বাবে বহুত ধন্যবাদ। চোৰ ধৰা পেলাব পাৰিলে আপোনালৈ বাতৰি পঠাম। ব'লা ৱাট্‌চন্, এতিয়া যোৱা যাওক।

পুলিছ অফিছৰপৰা ওলাই আহোঁতে মই হ'মচক সুধিলোঁ, এতিয়া নো ক'লৈ যোৱা হ'ব ?"

—কেবিনেট মন্ত্ৰী আৰু ইংলণ্ডৰ ভাবী প্ৰধান মন্ত্ৰী লৰ্ড হ'ল্ডহাৰ্স্টক এতিয়া আমি দেখা কৰিব লাগিব।

আমাৰ কপাল ভাল আছিল। লৰ্ড্ হ'ল্ড্হাৰ্স্ট্ তেতিয়াও তেওঁৰ ডাউনিং ষ্ট্ৰীটৰ অফিছতে আছিল। হ'মচে তেওঁৰ কাৰ্ডখন পঠোৱা মাত্ৰকে মন্ত্ৰীয়ে আমাক মতোৱালে। লৰ্ড্ হ'ল্ড্হাৰ্স্ট্ পুৰণা চামৰ অভিজাত ; ব্যৱহাৰ অমায়িক। আথেবেথে সম্ভাষণ জনাই, জুহালৰ দুই কাষে থকা মৰগীয়া আৰামী চকী দুখনত তেওঁ আমাক বহুৱালে। আমাৰ দুয়োৰো মাজত, জুইৰ কাষত তেওঁ থিয় দি ৰল। মানুহজন ওখ পাখ, লিতা ; নাক চকু চোকা ; মুখত চিন্তাশীলতাৰ ভাব ; চৌখেলা চুলি অকালতে অলপ অলপ পকিছে। থোৰতে ক'বলৈ গ'লে নিভাঁজ ডাঙৰ মানুহৰ চেহেৰা।

তেওঁ ক'লে, "আপোনাৰ নাম মই শুনিছোঁ, মিষ্টাৰ হ'মচ, আৰু ইয়ালৈ আজি আপোনাৰ অহাৰ উদ্দেশ্য কি সেই কথা নজনাৰ ভাও ধৰিব মই নোখোজোঁ। আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিবলগীয়া ঘটনা এই অফিছত এটাইহে মাথোন ঘটিছে। আপুনি কাৰ পক্ষে তদন্তত হাত দিছে, সুধিব পাৰোঁনে ?"

—মিস্টাৰ পাচি ফেল্প্চৰ পক্ষে।

—আ ! মোৰ দুৰ্ভগীয়া ভাগিনৰ পক্ষে। সি মোৰ সম্বন্ধীয়া বাবে তাৰ দোষ ঢাকিবলৈ চেষ্টা কৰা মোৰ পক্ষে আৰু টান কাম হ'ব। ঘটনাটোৰ বাবে তাৰ ভবিষ্যতত বেয়া ফল ফলিবই।

—কিন্তু যদি নথিৰ পুনৰোদ্ধাৰ হয় ?

—পুনৰোদ্ধাৰ হয় যদি বেলেগ কথা।

—লৰ্ড হ'ল্ড্হাৰ্স্ট্, দুটা প্ৰশ্ন আপোনাক মই কৰিব পাৰোঁনে ?

—ঘটনা সম্বন্ধে মই জনা সকলো খবৰ আপোনাক দিব পাৰিলে মই সুখীহে হ'ম।

—নথিটো নকল কৰোৱা সম্বন্ধে এই কোঠাতে আপুনি কথা পাতিছিল নে কি?

—হয়, এইটো কোঠাতে।

—তেনেহলে আপোনালোক দুজনে পতা কথা আনৰ কাণত পৰা সম্ভৱ নহয়।

—একেবাৰে অসম্ভৱ।

—নথিটো নকল কৰোৱাৰ কথা আন কাৰোবাক আপুনি কৈছিল নে কি?

—কেতিয়াও নাই কোৱা।

– সেই সম্বন্ধে আপুনি নিঃসন্দেহ?

—সম্পূৰ্ণ নিঃসন্দেহ।

—নথি সম্বন্ধে আপুনি কাকো একো কোৱা নাছিল; মিস্টাৰ ফেল্প্‌চেও কাকো একো কোৱা নাছিল; গতিকে চোৰটো আকস্মিক ভাবেহে কোঠাটোত আহি সোমাইছিল। সোমাই, বহুমূলীয়া নথিটো দেখি তাক হস্তগত কৰিলে। নহয় জানো?

ৰাজনীতিজ্ঞ পুৰুষজনে হাঁহি এটা মাৰি ক'লে, "মোৰখন জগতৰ বাহিৰলৈ আপুনি মোক টানি নিছে, মিস্টাৰ হ'ম্‌চ।"

খন্তেক টলকা মাৰি বৈ হ'ম্‌চে আকৌ ক'লে, "আৰু এটা লাগতিয়াল কথা আপোনাৰে সৈতে আলোচনা কৰিব খোজোঁ। নথিৰ গুপুত কথা জনাজাত হ'লে তাৰ ফল গুৰুতৰ হ'ব বুলি আপুনি শংকা কৰিছিল, নহয় জানো?"

—নথিৰ কথা জনাজাত হলে ফলাফল সাংঘাতিক হোৱাৰ সম্ভাৱনা আছে।

—কিন্তু এতিয়ালৈকে তেনে কিবা হৈছেনে?

—নাই হোৱা।

—নথি কেনেবাকৈ গৈ ফৰাচী বা ৰুচ্ পৰৰাষ্ট্ৰ দপ্তৰ পালে গৈ আপুনি সেই কথা গম নাপাব জানো?

লৰ্ড হ'ল্ড্হাৰ্ষ্টৰ কপালৰ গাঁঠি খোপ খালে। খন্তেক টলকি তেওঁ ক'লে, "পাব লাগে।"

—দহ সপ্তাহ হৈ গ'ল, অথচ আপুনি তেনে কোনো বাতৰি পোৱা নাই; গতিকে কিবা কাৰণত নথি ফৰাচী বা ৰুচ্ পৰৰাষ্ট্ৰ দফ্তৰ পোৱাগৈ নাই বুলি সিদ্ধান্ত ল'লে ভুল কৰা ন'হ'ব কিজানি।

লৰ্ড হল্ড্হাৰ্ষ্টে কান্ধ দুখন জোকাৰি উত্তৰ দিলে, "চোৰে নথিটো বন্ধাই-কুন্ধাই ঘৰত সজাই থ'বলৈ নিছে বুলি ভাবিব লাগিব নেকি?"

—সম্ভৱতঃ চোৰে সৰহ দাম পোৱাৰ আশা কৰি বাট চাইছে।

— সৰহ দিন বাট চালে দাম একোকে নাপাব। কেইমাহমানৰ পিছত নথিত থকা কথা গুপ্ত হৈ নাথাকে।

— সেইটো মন কৰিবলগীয়া কথা। অৱশ্যে চোৰৰ বেমাৰ আজাৰ কিবা—

"যেনে ব্ৰেইন ফিভাৰ (মগজুৰ জ্বৰ)" বুলি কূটনীতিজ্ঞজনে চোকা দৃষ্টিৰে এবাৰ হ'মচৰ পিনে চালে।

অলপো বিচলিত নেহোৱাকৈ হ'মচে উত্তৰ দিলে, "সেই কথা মই কোৱা নাছিলোঁ। যি কি নহওক, আপোনাৰ ভালেখিনি সময় আমি হানি কৰিলোঁ; এতিয়া বিদায় হওঁ।"

"চোৰ যেয়েই নহওক লাগে, আপোনাৰ তদন্ত সাফল্যমণ্ডিত হওক" বুলি যুৱ দোৱাৰ সম্ভাষণ জনাই দুৱাৰ মুখলৈকে আহি মন্ত্ৰীয়ে আমাক বিদায় দিলে।

তেওঁৰ কোঠাৰপৰা বাজলৈ ওলোৱাৰ পিছত হ'মচে ক'লে, "মানুহ জন বঢ়িয়া। কিন্তু নিজৰ মৰ্য্যাদা বজায় ৰাখিবলৈ তেওঁ যথেষ্ট খাটিব লগীয়াত পৰিছে। তেওঁ চহকী মানুহ নহয়, খৰচো সৰহ। তেওঁৰ

জোতাত মুচীৰ হতুৱাই নতুন গোৰোহা এটা লগোৱাই লোৱা কথাটোলৈ মন কৰিছিলানে ? যেই হওক, ৱাটচন্, তুমি এতিয়া তোমাৰ নিজৰ কাম কৰিবগৈ পাৰা। বিজ্ঞাপনৰ উত্তৰ নাপালে, আজি নতুন কাম একো নোলায়, কিন্তু কাইলৈ মোৰ লগত তুমি ৱকিঙলৈ গ'লে বাধিত হ'ম। আজি আমি যোৱা ৰেলখনকে কাইলৈকো ধৰিম।"

সেই মতে পাছদিনা পুৱা মই তেওঁক লগ ধৰিলোঁ আৰু দুয়ো একেলগে ৱকিঙলৈ যাত্রা কৰিলোঁ। বিজ্ঞাপনৰ উত্তৰ নাই পোৱা বুলি আৰু তদন্তটো আন নতুন পোহৰ একো পৰা নাই বুলি তেওঁ মোক জনালে।

ৰোগীৰ অৱস্থা সেইদিনা আগৰ দিনাতকৈ ভাল দেখিলোঁ। আমাক দেখি চোফাৰপৰা উঠি থিয় হৈ আমাক সম্ভাষণ জনালে। মিচ্ হেৰিচন্ সেই দিনাও তেওঁৰ কাষতে আছিল।

মিষ্টাৰ ফেল্প্চে সুধিলে, "কিবা বাতৰি আনিছেনে ?" হ'ম্চে ক'লে "দিবলগীয়া নতুন খবৰ একো নাই। ফৰ্বচক আৰু আপোনাৰ মোমাই-দেৰেকক লগ ধৰিলোঁ। দুই এক বিষয়ে তদন্ত চলাই আছোঁ; কিহবাত উপনীত হ'বগৈ পাৰোঁনে নোৱাৰোঁ ক'ব পৰা নাই।"

—আপুনি তেন্তে আশা এৰি দিয়া নাই ?

—নিশ্চয় দিয়া নাই।

"অন্তত: সেই আষাৰ কথা কোৱাৰ বাবেই ঈশ্বৰে যেন আপোনাৰ মঙ্গল কৰে" বুলি মিচ্ হেৰিচনে চিএৰ মৰাদি মাৰি ক'লে। তাৰ পাছত ক'লে, "আমি ধৈৰ্য্য নেহেকৱালে আৰু বুকুত সাহ বান্ধি কামত লাগি থাকিলে সত্য ওলাই পৰিবই পৰিব।"

"আমাৰ আপোনালোকক কিছু ক'বলগীয়া কথা আছে" বুলি ফেল্প্চ্ বহি পৰিল।

—নতুন খবৰ কিবা পাম বুলিয়েই ময়ো আশা কৰিছিলোঁ।

—কালি নিশা এটা ঘটনা ঘটিছিল। ঘটনাৰ পৰিণতি সাংঘাতিক বিধৰে হ'ব পাৰিলেহেঁতেন।

কথাষাৰ কোৱাৰ পিছত ফেল্লচৰ মুখখন গম্ভীৰ হ'ল। তেওঁৰ চকু-মুখত এটা ভীতিৰ ভাবো ফুটি ওলাল। তেওঁ ক'লে, "মোৰ বিৰুদ্ধে কিবা এক ষড়যন্ত্ৰ চলিছে; অকল মোৰ সন্মানেই নহয়, মোৰ জীৱনো বিপন্ন হৈছে যেন পাইছোঁ।"

আঃ! বুলি হ'মচে চিঞৰ দিলে।

—কথাষাৰ অবিশ্বাস্য, কাৰণ মই জনাত মোৰ কোনো শত্ৰু নাই। কিন্তু কালি নিশাৰ ঘটনালৈ চাই সেই সম্বন্ধে সন্দেহ কৰিবলৈ মই বাধ্য হৈছোঁ।

—কি হৈছিল শুনোঁচোন।

"মই নৰিয়াত পৰাৰ দিনাৰপৰা কালি নিশা প্ৰথম নাচগৰাকী মোৰ কোঠাত নাছিল। গাটো কালি ভাল পাইছিলোঁ; ভাবিলোঁ নাৰ্চ ন'হলেও চলিব। কোঠাত চাকি এটা জ্বলাই থৈছিলোঁ। দুইমান বজাত মোৰ চিলমিলকৈ টোপনি আহিছে, এনেতে শব্দ এটা শুনিবলৈ পালোঁ—নিগনিয়ে কাঠ কুটিলে হোৱাৰ লেখিয়া শব্দ। নিগনি বুলিয়েই ভাবি চকু মুদি মই পৰি থাকিলোঁ। শব্দটো লাহে লাহে ডাঙৰ হ'বলৈ ধৰিলে, আৰু হঠাৎ কেটেংকৰে লোৰ কিবা এটা সৰি পৰাৰ শব্দ যেন এটা শব্দ শুনি আচৰিত হৈ মই উঠি বহিলোঁ। শব্দ ক'ৰপৰা ওলাইছিল বুজিবলৈ সৰহ পৰ নালাগিল। লোৰ জোং টোং কিবা এডাল সুমুৱাই কোনোবাই খিৰিকীপাত ফাঁক কৰাৰ চেষ্টা দিছিল। শলখাডাল ঠেলি ওপৰলৈ তোলোঁতে শেহৰ শব্দটো হৈছিল।

"তাৰ পিছত দহ মিনিট মান সাৰসুৰ নাই: শব্দ শুনি মই সাৰ পালোঁ নে নাই সেই কথাৰ গম ল'বলৈ বোধকৰোঁ মানুহটো থমকিছিল। তাৰ পিছত লাহে লাহে খিৰিকীখন খোলাৰ শব্দ কাণত পৰিল। মই আৰু ৰ'ব নোৱাৰিলোঁ। কাৰণ মোৰ স্নায়বিক অৱস্থা

এতিয়া আগৰ লেখিয়া হৈ নাই। বিচনাৰপৰা একে জাপে উঠি খিৰিকী দু'পাত ঘপ্‌কৰে খুলি দিলোঁ। খিৰিকীৰ কাষতে মানুহ এটা কুছিমুছি থকা যেন ছঁয়ামঁয়াকৈ দেখিলোঁ। চাঁৎ কৰে সি আঁতৰি গ'ল; চিনিব নোৱাৰিলোঁ। তাৰ গাত এটা হ'লৌ চোলা আছিল। তাৰে মুখৰ তলছোৱা সি ঢাকি লৈছিল। মাথোন এটা কথা খাটাংকৈ ক'ব পাৰোঁ—তাৰ হাতত কিবা এপাত অস্ত্ৰ আছিল। সি পলাওঁতে অস্ত্ৰ-পাতৰ চিক্‌মিকনি মোৰ চকুত পৰিছিল। অস্ত্ৰপাত দীঘলীয়া কটাৰী এখন যেন দেখিলোঁ।"

হ'ম্‌চে ক'লে, "বৰ মজাৰ কথাতো। তাৰ পাছত আপুনি কি কৰিলে, কওকচোন।"

"গাত জোখাৰে বল থকা হ'লে মই তাৰ পিছে পিছে খেদা ধৰিলোঁহেতেন। সেই কাম কৰিব নোৱাৰি ঘৰৰ মানুহ দুনুহক জগাবৰ নেনেৰে ঘণ্টাটো বজাই দিলোঁ। পিছে, ঘণ্টাটো বাজে গৈ তলৰ ৰান্ধনি ঘৰত, আৰু চাকৰ-বাকৰবোৰ শোৱে ওপৰ মহলত। সেইদেখি লগে লগে মই চিঞৰ এটাও মাৰিলোঁ। চিঞৰ শুনি জোজেফে সাৰ পাই আন বিলাককো জগালে। জোজেফ্ আৰু চহিচ্‌টোৱে খিৰিকীৰ বাহিৰে ফুলনিত ভৰিৰ খোজৰ চিন পালে। কেইবাদিনো বৰষুণ পৰা নাছিল বাবে শুকান মাটিয়েদি খোজৰ চিনে চিনে সিহঁত সৰহ বাট যাব নোৱাৰিলে, কিন্তু আলি বাটৰ দাঁতিয়ে দাঁতিয়ে থকা কাঠৰ জেওৰাখনৰ কাঠ এডাল ভাগি পৰি থকা সিহঁতে দেখিবলৈ পাইছিল। সম্ভৱতঃ সেই পিনেদিয়েই জেওৰাৰ ওপৰত ভৰ দি জঁপিয়াই মানুহটো পলাইছিল। পুলিচক এতিয়ালৈকে মই খবৰ দিয়া নাই; ভাবিলোঁ, আগতে আপোনাৰ পৰামৰ্শ লোৱা সমীচীন হব।"

আমাৰ মক্কেলৰ কথা শুনি হ'ম্‌চক বৰ উত্তেজিত হোৱা যেন লাগিল; চকীৰ পৰা উঠি তেওঁ কোঠাটোৰ ইমূৰৰপৰা সিমূৰলৈ টহলিবলৈ ধৰিলে।

ফেল্প্‌চে কলে, "বিপদ অকলে নাহে।" তেওঁ মুখলৈ হাঁহি টানি আনিবলৈ চেষ্টা কৰিছিল যদিও, ভাল ভয় খাইছিল বুলি বুজিব পৰা গৈছিল।

হ'ম্‌চে উত্তৰ দিলে, "হয়, বিপদে আপোনাৰ লগ বাকৈয়ে লোৱা যেন দেখিছোঁ। মোৰ লগত ঘৰটোৰ কেউপিনে খোজ কাঢ়ি অলপ পৰ ঘূৰিব পাৰিবনে?"

—হয় পাৰিম; ৰ'দলৈ ওলাবলৈ ভালেই লাগিব। জোজেফো আমাৰ লগতে আহক।"

"মহো লগতে যাওঁ" বুলি মিচ্‌ হেৰিচনে মাত দিলত হ'ম্‌চে মূৰ জোকাৰি কলে, "সেইটি নহ'ব; আপুনি য'ত বহি আছে তাতে বহি থাকক।"

কথাবাৰ শুনি গাভৰুগৰাকীয়ে বেয়া পোৱা যেন দেখিলোঁ। যি কি নহওক, গাভৰুৰ ককায়েকেৰে সৈতে আমি তিনিউজন বাজলৈ ওলাই, ঘাঁহনিয়েদি গৈ কূটনীতিজ্ঞৰ কোঠাৰ খিৰিকীখনৰ বাহিৰফালে থিয় দিলোঁ। ফুলনিত খোজৰ চিন আছিল হয়, পিছে স্পষ্টকৈ বুজিব পৰা চিন নহয়। হ'মচে চিনবোৰ অকণমান পৰ পৰীক্ষা কৰি চাই, কান্ধ দুখন জোকাৰি ক'লে, "এইবিলাক চিন কামত নালাগিব; ঘৰটোৰ কেউপিনে ঘূৰি চোৱা যাওকচোন, কিয়নো চোৰে এইখন খিৰিকীহে পছন্দ কৰিলে। মোৰ মনেৰে বৈঠকখানা বা খানা কামৰাৰ ডাঙৰ খিৰিকীয়েদি সোমাবলৈ হে সহজ হ'লহেঁতেন।"

জোজেফ্‌ হেৰিচনে মাত দিলে, "সেই দুখন খিৰিকী আলিবাটৰ পৰা সহজে চকুত পৰে।"

হ'ম্‌চে ক'লে, "হয়, আপুনি ঠিকেই ধৰিছে, পিছে এইখিনিতে এইখন এখন দুৱাৰো আছে দেখোন। এই ফালেদি সোমাবলৈ চেষ্টা নকৰিলে কিয় বা? এইখন দুৱাৰনো কিহৰ কাৰণে ইয়াত দিয়া হৈছিল?"

—এইখন দুৱাৰেদি ফেৰীৱালা পোহাৰাইঁত সোমায়, নিশা দুৱাৰত তলা লগোৱা থাকে।

—আগতে এনেকৈ কেতিয়াবা চোৰ-চাৰি আহিছিল নে ?

আমাৰ মক্কেলে উত্তৰ দিলে, “কাহানিও অহা নাছিল।”

—সোণৰূপৰ কাঁহী-বাটি আদি মৰগীয়া বস্তু ঘৰত সৰহকৈ আছে নে কি ?

—নাই।

চোলাৰ জেপত হাত সুখন সুমুৱাই, আওকণীয়া ভাব দেখুৱাই ঘৰটোৰ কেউপিনে হ'মচে ঘূৰাপকা কৰিলে। তেনে ভাব সাধাৰণতে কেওঁ নেদেখুৱায়। তাৰ পিছত জোজেফ হেৰিচনক সম্বোধন কৰি ক'লে, "চোৰটো জেওৰাখনেদি জঁপিয়াই পলোৱা বুলি আপুনি কৈছিল বোলে ? কোন পিনেদিনো পলাইছিল, চাওঁ গৈ চোন ব'লক।”

জোজেফ হেৰিচনে আমাক বাট দেখুৱাই লৈ গ'ল। জেওৰাখনৰ কাঠ এডোখৰ ভাগি তাতে ওলমি আছিল। হ'মচে আঁজোৰ মাৰি কাঠডোখৰ ছিণ্ডি পৰীক্ষা কৰি চাই ক'লে, “এই ডোখৰ কালি ভঙা কাঠ নে ? কেতিয়াবাই ভগা যেন হে লাগে দেখোন, নহয় নে বাৰু ?”

—হ'ব পাৰে।

—জেওৰাৰ সিপিনে কোনোবা জঁপিয়াই পৰাৰো চিন নাই। নাই, ইয়াত আমি একো গুং বিচাৰি উলিয়াব পৰাৰ আশা নাই। মিষ্টাৰ ফেল্প্‌চৰ শোৱা কোঠালৈকে আকৌ যাওঁহঁক ব'লক, তাতে বহি কথাবতৰা হওঁগৈ।

পাৰ্চি ফেল্প্‌চে তেওঁৰ ভাবী জেঠেৰিয়েকৰ কান্ধত ভৰ দি এখুজি দুখুজিকৈ আগবাঢ়িল। হ'মচে গুমাই ঘাঁহনিখন পাৰ হৈ খিৰিকীখনৰ কাষত ৰ'লগৈ ; ময়ো তেওঁৰ লগে লগে গৈছিলোঁ। বাকী দুজন তেতিয়া ভালেখিনি পিছ পৰিছিল।

খিৰিকীৰ কাষ চাপি হ'মচে উধাতু খোৱা যেন হৈ ক'লে, “মিচ

হেৰিচন, আপুনি য'ত বহি আছে, আজি গোটেই দিনটো তাতে থাকিব লাগিব। এইটো অতি আৱশ্যকীয় কাম বুলি বুজে যেন।"

"আপুনি যি মতে দিহা দিয়ে, নিশ্চয় সেই মতেই চলিম, মিস্টাৰ হ'ম্‌চ" বুলি গাভৰুৱে ভিতৰৰপৰা উত্তৰ দিলে।

—নিশা শুবলৈ যাওঁতে বাহিৰৰপৰা দুৱাৰখনত চাবি দি বন্ধ কৰি থৈ যাব, আৰু চাবিটো লগত লৈ যাব। সেই কাম কৰিব বুলি মোক প্ৰতিশ্ৰুতি দিয়ক।

—কিন্তু পাৰ্চি — ?

—তেওঁ আমাৰ লগত আজি লণ্ডনলৈ যাব।

—মই ইয়াতে থাকিব লাগিব নেকি ?

—তেওঁৰ মঙ্গলৰ কাৰণে আপুনি ইয়াতে থাকিব লাগিব। আপুনি তেওঁক সহায় কৰিব পাৰিব। বেগেতে প্ৰতিশ্ৰুতি দিয়ক

ইতিমধ্যে আন দুজন মানুহ গুচৰ চাপি আহিছিল। মূৰ দুপিয়াই গাভৰুৱে সন্মতি জনালে।

জোজেফ হেৰিচনে ভনীয়েকক ক'লে, "কোঠাটোত সোমাই সোমাই নো কি কৰিছা, এনি ? ৰ'দলৈ ওলাই নাহা কিয় ?"

—মোৰ অলপ মূৰ কামুৰিছে ; ৰ'দলৈ নোলাওঁ। ইয়াত বঢ়িয়া ঠাণ্ডা ; ইয়াতে ভাল লাগিছে।

আমাৰ মক্কেলে সুধিলে, "এতিয়া কি কৰোঁ বুলিছে, মিস্টাৰ হ'ম্‌চ ?"

—এই সামান্য ঘটনাটোৰ সম্বন্ধে মূৰ ঘমাই, ঘাই ঘটনাৰ কথাটো আমি পাহৰি পেলাব নালাগে। আমাৰ লগত আজি আপুনি লণ্ডনলৈ আহিব পাৰিলে মোৰ কামত ডাঙৰ সহায় পাম।

—এই মাত্ৰকে যাব লাগিবনে কি ?

—এঘণ্টাৰ ভিতৰত ওলাব নোৱাৰিবনে ?

—গাত এতিয়া অলপ বল পাইছোঁ ; আপোনাৰ কামত সহায় কৰিব পাৰোঁ যদি নিশ্চয় যাম।

—সহায়ৰ কথা কৈছেহে ? ডাঙৰ সহায় কৰিব পাৰিব।

—আজি নিশাটো বোধকৰোঁ তাতে কটাব লাগিব, নহয় জানো ?

—হয়, সেই অনুৰোধকে মই কৰিব খুজিছিলোঁ।

—মোৰ নিশাৰ বন্ধুজনে আজি আকৌ আহিলে দেখিবহি যে চৰাই সঁজাৰপৰা উৰিল। আমি আপোনাৰ ওচৰতে সকলো ভৰসা থাপিছোঁ, মিস্টাৰ হ'ম্‌চ; আপুনি যি হকে কৰিবলৈ কয়, তাকে আমি কৰিম। মোক চাব-চিতিবলৈ জোজেফো আমাৰ লগতে গ'লে ভাল হ'ব চাগৈ, নহয়নে ?

—নহয়। মোৰ বন্ধু ৱাটচন এজন ডাক্তৰ; তেৱেঁই আপোনাক চোৱা-চিতা কৰিব পাৰিব। আপোনাৰ অসুবিধা নহয় যদি ইয়াতে আমি লাঞ্চ্ খাই লওঁ। তাৰ পাছত তিনিও একেলগে চহৰলৈ যাওনা হ'ম।

সেই মতে সকলো দিহা কৰা হ'ল। মূৰ কামুৰিছে বুলি মিচ্ হেৰিচন্. হ'মৃচৰ নিৰ্দেশ অনুসৰি কোঠাতে সোমাই থাকিল: আমাৰ লগত থাবলৈকো নাহিল। গাভৰুক ফেল্প্‌চৰপৰা আঁতৰাই থ'ব খুজিছিল নে হ'ম্‌চৰ আন কিবা মত্‌লব্ হে আছিল, একো মই বুজিব নোৱাৰিলোঁ। কাম আগবঢ়া যেন দেখি আৰু গা ভাল পাই ফেল্প্‌চে বং মনেৰে খানা কাম্‌ৰাত আমাৰ লগতে বহি খালে। হ'ম্‌চে আকৌ আমাক এবাৰ অবাক কৰিলে বেল স্টেশ্বনত গৈ। আমাক ৰেলত তুলি দি তেওঁ ক'লে যে লণ্ডনলৈ তেওঁ নাযায়, ৱকিঙতেহে থাকিব, কাৰণ আৰু দুই চাৰিটা কথা অনুসন্ধান কৰিবলৈ বাকী থাকিল। ফেল্প্‌চক তেওঁ ক'লে, "মিস্টাৰ ফেল্প্‌চ্, আপোনাৰ অনুপস্থিতিয়ে মোক কামত অলপ সহায় কৰিব। ৱাটচন্. লণ্ডনত উপস্থিত হৈয়েই এওঁক তুমি বেকাৰ স্ট্ৰীটলৈ লৈ যাবাঁ আৰু মই গৈ দেখা নিদিয়ালৈকে দুয়ো তাতে থাকিবাঁ। সৌভাগ্য বশতঃ তোমালোক দুয়ো পঢ়াশলীয়া দিনৰে বন্ধু; কথা বতৰা হৈ সুখ পাবাঁ। আলহীৰ বাবে থোৱা বিছনাখনকে মিস্টাৰ ফেল্প্‌চক দিবাঁ।

কাইলৈ পুৱা ব্ৰেক্‌ফাষ্ট খোৱাৰ পৰতে মই ওলামগৈ। আঠ বজাত ইয়াৰপৰা ৰেলগৈ ৰটাৰ্ল স্টেশ্বন পায়গৈ।"

ফেল্‌ল্‌চে সুধিলে, "পিছে, লণ্ডনত তদন্ত কৰাৰ কথা যে কৈছিল ?"

—কাইলৈ কৰা যাব ; আজি ইয়াতহে মোৰ কাম আছে।

ৰেল চলিবলৈ ধৰাৰ পিছত ফেল্‌ল্‌চে বিড়িয়াই ক'লে, "কাইলৈ গধূলিকৈ মই উলটিব পাৰোঁ বুলি ব্ৰায়াৰব্ৰিত অনুগ্ৰহ কৰি বাতৰি দিব।"

ৰেল আৰু কিছুদূৰ চলি যোৱাৰ পিছত হাত বাউলি দি হ'ম্‌চে চিঞৰ মাৰি আমি শুনাকৈ ক'লে, "ব্ৰায়াৰব্ৰিলৈ মই নাযাওঁ।"

হ'ম্‌চৰ কাণ্ডকাৰখানা সম্বন্ধে ৰেলত বহি আমি দুয়ো ভালেমান পৰ কথা বতৰা হলোঁ, কিন্তু কিয়নো তেওঁ এনেখন কৰিলে ভাবি উলিয়াব নোৱাৰিলোঁ।

ফেল্‌ল্‌চে ক'লে, "কালি নিশাৰ চোৰটোৰ সম্বন্ধে তেওঁ বোধকৰোঁ আৰু কিবা অনুসন্ধান কৰিব খুজিছে, কিন্তু মোৰ বোধেৰে চুৰিৰ মত্‌লেবেৰে মানুহটো অহা নাছিল ; মত্‌লব্ আন কিবা হে আছিল।"

—তোমাৰ নো তেনেহলে ধাৰণা কি ?

—স্নায়বিক দৌৰ্বল্যৰ কাৰণে মোৰ মনত কেতবোৰ অমূলক সন্দেহ জন্মিছে বুলি হয়তো তুমি ভাবিবাঁ, তথাপি ন'কৈ নোৱাৰিলোঁ যে মোৰ বিৰুদ্ধে কিবা এক ৰাজনৈতিক চক্ৰান্ত চলিছে আৰু মোক হত্যা কৰাৰো অভিসন্ধি চলিছে বুলি মোৰ ধাৰণা হৈছে। তুমি হয়তো কথাটো অসম্ভৱ বুলি উৰুৱাই দিবাঁ, কিন্তু কথাবোৰলৈ ভালকৈ মন কৰি চোৱাচোন। শোৱা কোঠাত বহুমূলীয়া বস্তু একো নাই বুলি জানিও, সেইটো কোঠাতে সোমাবলৈ চোৰটোৱে বিচাৰিছিল কিয় ? আৰু মিত্‌দা এখন সি লৈ আহিছিল কি উদ্দেশ্যেৰে ?

—মিত্‌দা বুলি তুমি ডাঠি ক'ব পাৰিবাঁনে ? দুৱাৰ খিৰিকী খুলিব পৰা কিবা যন্ত্ৰপাতিও তো হ'ব পাৰে।

—মুঠেই নহয়; দীঘলীয়া কটাৰী বা মিত্দা এখন তাৰ হাতত মই দেখিছিলোঁ।

—কিন্তু, তোমাৰ প্ৰাণ বিনাশিবলৈ কোনে নো বিচাৰিব বাৰু? কিয় বিচাৰিব?

—আ! সেই টোৱেই তো হ'ল প্ৰশ্ন।

—হ'ম্‌চেও তেনেহ'লে তেনে ধৰণৰে কিবা সন্দেহ কৰিহে আজি এই ব্যৱস্থা কৰিলে নে কি ক'ব পৰা নাই। যদি তোমাৰ ধাৰণা সঁচা হয়, আৰু কালি নিশাৰ মানুহটোক তেওঁ ধৰা পেলাব পাৰে, তেনেহ'লে নথিচোৰটো কোন, তাৰো শুং হয়তো তেওঁ বিচাৰি পাব। একেলগে এক শত্ৰুৱে তোমাক বধ কৰিব খোজা আৰু আন এক শত্ৰুৱে নথি চুৰ কৰাটো অসম্ভৱ কথা যেন লাগে।

—কিন্তু হ'ম্‌চে তো ব্ৰিয়াৰব্ৰিলৈ নাযাব বুলি ক'লে।

—মই তেওঁক ভালে দিনৰপৰা চিনি পাওঁ। কিবা কাৰণ নাথাকিলে এনেয়ে তেওঁ কোনো কাম এনেকৈ নকৰে।

সেই বুলি কৈ মই আন কথা উলিয়ালোঁ। সেই দিনটো মোৰ বাবে বৰ আমনিলগোৱা দিন আছিল। দীঘলীয়া অসুখ আৰু দুৰ্ভাগ্যই ফেল্‌চক খিংখিঙীয়া আৰু পাতল-ধতুৱা কৰি তুলিছিল। তেওঁৰ মন ভাল লগাবলৈ মই আফ্‌ঘানিস্তান, ভাৰতবৰ্ষ আদি প্ৰসঙ্গৰ অৱতাৰণা কৰিলোঁ, কিন্তু সেইবোৰ কথাত তেওঁৰ ৰাপ নবহিল। হেৰোৱা নথি-টোৰ কথা আৰু হ'ম্‌চে কি কৰিছে নকৰিছে, লৰ্ড হ'ল্ড্‌হাৰ্ষ্টে নো কি পাতিছে, বাৰে বাৰে সেইবোৰ কথাকেহে তেওঁ কৈ থাকে। সন্ধিয়াৰ পিনলৈ লণ্ডন গৈ পোৱাৰ পাছত তেওঁৰ উত্তেজনা ক্লেশদায়ক হৈ উঠিছিল।

এবাৰ মোক তেওঁ সুধিলে, "হ'ম্‌চৰ ওপৰত তোমাৰ সম্পূৰ্ণ আস্থা আছে নেকি?"

—আচৰিত আচৰিত কেতবোৰ ৰহস্য তেওঁ ভেদ কৰা নিজ চকুৰে মই দেখিছোঁ।

—কিন্তু, এনে পাক লগা বিধৰ ৰহস্যৰ মীমাংসা কেতিয়াবা তেওঁ কৰিছিল নে?

—নিশ্চয় কৰিছিল। কোনো শুং নথকা সাঁথৰবো তেওঁ উত্তৰ বিচাৰি উলিওৱাৰ কথা মই জানোঁ।

—কিন্তু এনে ধৰণৰ জটিল আৰু গুৰুত্বপূর্ণ বিষয় সম্বন্ধে আগতে বোধকৰোঁ তেওঁ তদন্ত কৰি পোৱা নাই।

—সেই প্রশ্নৰ উত্তৰ দিব নোৱাৰোঁ, কিন্তু ইউৰোপৰ তিনিটা ৰাজপৰিয়ালক অতি গুৰুত্বপূর্ণ বিষয়ৰ তদন্ত কৰি সহায় কৰাৰ কথা মই ক'ব পাৰোঁ।

—তুমি অৱশ্যে তেওঁক ভালকৈ চিনি পোৱা. ৱাট্‌চন্‌, কিন্তু মোৰ দেখোন মানুহজনক কিবা দুৰ্বোধ্য যেন লাগে। কিবা সিদ্ধান্তত উপনীত হ'ব পাৰিব বুলি তেওঁ নিজে আশা কৰিছেনে বাৰু? তেওঁ কৃতকার্য্য হ'ব বুলি তুমি ভাবাঁনে?

—সেই সম্বন্ধে এতিয়ালৈকে একো তেওঁ কোৱা নাই।

—সেইটো বেয়া লক্ষণ।

—মুঠেই নহয়। যেতিয়া তেওঁ কোনো শুং বিচাৰি নাপায় তেতিয়া সাধাৰণতে সেই কথা মোৰ আগত স্বীকাৰ কৰে। কিন্তু যেতিয়া শুং বিচাৰি পায়, কিন্তু সেই শুঙৰ মূল্য কিমান ঠাৱৰ কৰিব নোৱাৰে, তেতিয়াহে তেওঁ নিমাত হৈ পৰে। যি কি নহ'ওক, এইবিলাক কথা ভাবিগুণি একো লাভ ন'হ'ব। গতিকে, এতিয়া বিছনাত কাতি হোৱাঁগৈ, যাতে পৰিস্কাৰ মস্তিস্কেৰে কাইলৈ যি ঘটে তাৰ সন্মুখীন হব পাৰোঁ।

মোৰ কথা মানি তেওঁ শুবলৈ গ'ল, কিন্তু তেওঁৰ টোপনি অহাৰ আশা হ'লে মই দেখা নাছিলোঁ। তেওঁৰ বেমাৰে মোকো সুঁচৰিছিল। সমস্যাটোৰ কথাকে ভাবি ভাবি নিশা এডোখৰলৈকে মোৰো টোপনি

নাহিল। ছাটিফুটি কৰি বিছনাত পৰি পৰি সমস্যাৰ নানা সমাধান আবিষ্কাৰ কৰিলোঁ, কিন্তু সকলোবোৰ সমাধান ইটোতকৈ সিটো অসম্ভৱ যেন বোধ হ'ল।

পুৱা সাত বজাত সাৰ পায়েই ফেল্‌চৰ কোঠালৈ গলোঁ। এৰে নিশা চকুৰ পতা জাপ নোখোৱাৰ ফলত চকুমুখ সোমাই গৈ তেওঁক বৰ ক্লান্ত দেখা গৈছিল। মোক দেখা মাত্ৰকে সুধিলে হ'ম্চ ঘূৰি আহিল নে নাই।

মই ক'লোঁ, "যিটো সময়ত তেওঁ আহিব বুলি কৈছিল ঠিক সেই সময়তে ওলাবহি; এক মিনিটবো হেৰফেৰ নহয়।"

মই মিছাত ন'পৰিলোঁ। আঠ বাজি যোৱাৰ পিছতে বাগী এখন আহি ঘৰৰ দুৱাৰমুখত ৰ'লহি, আৰু মোৰ বন্ধু তাৰপৰা ওলাল। খিৰিকীয়েদি আমি দেখিবলৈ পালোঁ তেওঁৰ বাওঁ হাতত এটা কাপোৰৰ বেণ্ডেজ্ বন্ধা আছে; মুখৰ চেহেৰা ভয়ঙ্কৰ আৰু শেঁতা। ঘৰৰ ভিতৰলৈ সোমাই, কিছুপৰৰ পাছত হে ওপৰ মহলালৈ উঠিল।

ফেল্‌চে ক'লে "চেহেৰালৈ চাই তেওঁ হাৰিহে উলটিছে যেন লাগিছে।"

চেহেৰাটো আশাপ্ৰদ নাছিল বুলি স্বীকাৰ কৰিবলৈ মই বাধ্য হলোঁ; ক'লোঁ, "চহৰতে হয়তো কিবা শুং তেওঁ বিচাৰি পাইছে।"

কথাষাৰ শুনি ফেল্‌চে নেথাই নেথাই ক'লে, "ইস্, মই বৰ আশা কৰি আছিলোঁ। কিন্তু তেওঁৰ হাতখন কালিতো সেইদৰে বন্ধা নাছিল; কি ঘটনা নো ঘটিব পাৰে?"

হ'ম্চ আহি কোঠাত সোমালত মই সুধিলোঁ, "তুমি জখম হোৱা নাইতো, হ'ম্চ?"

—থোৰা থোৰা; আঁচোৰ এটা খালোঁ; তাকো মোৰ নিজৰ দোষতেহে।

তাৰ পাছত গুড্ মৰ্ণিং বুলি দুয়োকো সম্ভাষণ জনাই ক'লে,

"মিস্টাৰ ফেল্প্‌চ, আজিলৈকে যিমানবোৰ ঘটনাৰ তদন্ত কৰিলোঁ তাৰ মাজত আপোনাৰটোও এটা লেখত ল'বলগীয়া ঘটনা।"

—এই ৰহস্যৰ সমাধান আপোনাৰ সাধ্যৰ অতীত বুলি মই বুজি পাইছিলোঁ।

—সাংঘাতিক অভিজ্ঞতা।

মই কলোঁ, "হাতৰ বেণ্ডেজটো দেখি বুজিব পৰা যায় যে সাংঘাতিক বিধৰে কিবা ঘটিছিল। কিনো হৈছিল কৈয়েই পেলোৱাঁচোন।"

—প্ৰিয় ৱাট্‌চন্। ব্ৰেকফাষ্টৰ পাছত। মনত ৰাখিবাঁ যে আজিপুৱা ত্ৰিছ মাইল বাট চাৰে জিলাৰ বতাহ সেৱন কৰিছে মই এইখিনি পাইছোঁহি। বিজ্ঞাপন ডোখৰৰ কিবা উত্তৰ আহিছিলনে? নাই অহা— কি কৰিবাঁ, বুৰে পতি নো শেলেকু আশা কৰিব পাৰিনে?

খানা কামৰাত টেবুল লগোৱা আছিল। মই বে'লটো টিপিবলৈ যাওঁতেই চাহ আৰু কফি হাতত লৈ মিচেচ হাড্‌চন কোঠাত সোমালহি। কেই মিনিটমানৰ পিছতে তেওঁ খোৱা বস্তুৰ ডিশ্ কিখন আনিলেগৈ। হ'মচে মোকোৰা মোকৰকৈ খাবলৈ ধৰিলে। কৌতূহলত মই খাব পৰা নাছিলোঁ। ফেল্প্‌চ নৈৰাশ্যত ম্ৰিয়মান।

মুৰ্‌গীৰ কাৰিৰ ডিশ্বৰ ঢাকোনখন খুলি হ'ম্‌চে ক'লে, "মিচেচ্ হাড্‌চনে আজি তাৰিফ্ কৰিবলগীয়া ব্ৰেক্‌ফাষ্ট পৰিৱেশন কৰিছে। তেওঁৰ ৰন্ধন-বিদ্যা সীমিত, কিন্তু স্কট্‌লেণ্ডৰ তিৰোতা হিচাপে ব্ৰেক্‌ফাষ্টটো অন্ততঃ বঢ়িয়া বনায়। তুমি কি লৈছাঁ, ৱাটচন্?"

—হেম্ (গাহৰিৰ মঙহ) আৰু কণী।

—বেছ আপুনি কি ল'ব, মিষ্টাৰ ফেল্প্‌চ? মুৰ্গীৰ কাৰী নে কণী? যি মন যায় তাকে নিজেই লওক।

—ধন্যবাদ, মোৰ একো খাবৰ মন যোৱা নাই।

—থওক, থওক, কিয় খাবৰ মন নাযাব? আপোনাৰ সন্মুখত থকা সেই ডিশ্বটো খোলক চোন।

—ধন্যবাদ, সঁচাকৈ কৈছো মোৰ খোৱাৰ ইচ্ছা নাই।

—বাৰু, তেনেহলে তাত নো কি আছে মোকে অলপ পৰিবেশন কৰি দিয়কচোন।

হ'মৃচৰ চকুমুখত এটা দুষ্টালিৰ হাঁহি দেখা যেন লাগিল। বাচনটোৰ সাফৰখন খুলিয়েই ফেল্প্‌চে বিকট এটা চিঞৰ মাৰিলে। তেওঁৰ মুখৰ বৰণ সলনি হৈ তেওঁৰ সমুখত থকা থালখনৰ দৰে বগা হ'ল। ভেবা লাগি বাচনটোৰ ভিতৰলৈ তেওঁ চাই ৰ'ল।

বাচনখনৰ সোঁ মাজতে দেখিবলৈ পোৱা গ'ল নীলা আৰু ধোঁৱা বৰণীয়া কাগজৰ এটি সুৰা। চুঙা যেন সুৰাটো বুটলি লৈ ফেল্প্‌চে তালৈ এনেকৈ চাবলৈ ধৰিলে যেন সুৰাটো গিলিহে পেলাব। তাৰ পিছত সুৰাটো বুকুত সাৱটি লৈ, আনন্দত মতলীয়া হৈ চিঞৰি-বাখৰি কোঠাটোৰ ভিতৰত তেওঁ নাচি বাগি খলক লগালে। অলপ পৰৰ মূৰত ভাগৰি-জুগৰি হেলাই-হেঁপাই তেওঁ আৰামী চকী এখনত বহি পৰিল। উত্তেজনাত তেওঁ এনে অৱশ হৈ পৰিছিল যে ব্ৰাণ্ডি কেই ঢোকমান কটিয়াই আমি তেওঁৰ পেটলৈ নপঠোৱা হ'লে কিজানি তেওঁ মূৰ্চ্ছিতেই গ'লহেতেন।

হ'মৃচে তেওঁৰ গায়েমূৰে হাত ফুৰাই কলে, "এনেকৈ আপোনাক চক্ খুৱাই অন্যায় কৰিলোঁ, কিন্তু ৱাট্‌চনক সুধিলে গম পাব, কিবা নাটকীয় পৰিস্থিতিৰ সম্ভাৱনা দেখিলে মই তাৰ লোভ সামৰিব নোৱৰা হওঁ।

হ'মৃচৰ হাত এখন নিজৰ মুঠিলৈ নি তাত চুমা এটা খাই ফেল্প্‌চে কলে, "ঈশ্বৰে আপোনাৰ মঙ্গল কৰক; আপুনি মোৰ সন্মান ৰক্ষা কৰিলে।"

হ'মৃচে উত্তৰ দিলে, "মোৰ নিজৰ সন্মানৰ কথাও তো আছিল। নথি হেৰুৱাই আপুনি যিমান লাজ পাইছিল, তদন্তত হাৰি যোৱা হ'লে ময়ো সিমানেই লাজ পালোঁহেতেন।"

কাগজৰ তুৰাটো কোটৰ ভিতৰ-জেপত সুমুৱাই ফেলাচে ক'লে, "খোৱাৰ সময়ত আপোনালোকক আমনি কৰিবলৈ বেয়া পাইছোঁ, কিন্তু কেনেকৈনো নথিটো উদ্ধাৰ কৰিলে জানিবলৈ মই কেনে উতাৱল হৈছোঁ নকলেও বুজিব।"

হ'মচে কফি এপিয়লা গিলি হেম্ আৰু কণীলৈ মন দিলে। তাকো শেষ কৰি এবাৰ থিয় দি পাইপ্‌টো জ্বলাই আৰাম কৰি আকৌ চকীত বহি কবলৈ ধৰিলে :

"মই নো কি কি কৰিলোঁ সেই কথা আগতে কৈ, কি কি কাৰণত কৰিলোঁ সেই কথা পাছত ক'ম। ৰকিঙৰ ৰেল স্টেশ্বনত আপোনালোক দুজনক বিদায় দি মই ৰিপ্লে বোলা গাওঁখনলৈ খোজ ললোঁ। তাতে সৰু চাহৰ দোকান এখনত বহি চাহ এপিয়লা খাই চেণ্ডুইচ্ এসোপা কিনি জেপত ভৰালোঁ আৰু ফ্লাস্ক্‌টোতো মুখলৈকে চাহ ভৰাই ললোঁ। আবেলি পৰলৈকে তাতে ঘূৰাপকা কৰি থাকিলোঁ। সন্ধিয়া লাগোঁ লাগোঁ হ'লত ব্ৰিয়াৰব্ৰিৰ কাষেদি যোৱা বৰ আলিটোৰেদি ব্ৰিয়াৰব্ৰিৰ কাষ পালোঁগৈ। সেইটো আলিয়েদি গাড়ী ঘোঁৰাতো বৰকৈ নচলে। বেলি পৰাৰ পাছত যানবাহনৰ চলাচল একেবাৰে বন্ধ হ'লত জেওৰা-খন পাৰ হৈ ব্ৰায়াৰব্ৰিৰ হাউলিত কোনেও নেদেখাকৈ সোমালোঁ। জোপোহাৰ মাজেদি বগুৱা বাই গৈ গৈ আপোনাৰ শোৱা কোঠাৰ খিৰিকীৰ কাষত থকা ৰ'ড'ডেন্ড্ৰণ গছৰ জোপোহাটোৰ মাজত সোমালোঁগৈ। কাঁইটীয়া জোপোহাৰ মাজেদি বগুৱা বাই যাওঁতে মোৰ পেন্টোংটোৰ কি অৱস্থা হ'ল দেখিছেই নহয়। যি কি নহওক, খিৰিকীৰ কাষৰ জোপোহাটোৰ আঁৰতে খলি পুতি বহিলোঁ, কি নো ঘটে চাওঁ বুলি।

"খিৰিকীৰ পৰ্দা তোলা আছিল। কিতাপ এখন মেলিলৈ মিচ্ হেৰিচনক কোঠাটোতে বহি পঢ়ি থকা দেখিবলৈ পালোঁ। দহ বাজি

গ'লত তেওঁ খিৰিকী জপাই তাত শলখা লগাই শুবলৈ গ'ল। তেওঁ কোঠাটোৰ দুৱাৰখনো জপোৱা আৰু তাত চাবি ঘুৰোৱাৰ শব্দ মোৰ কাণত পৰিছিল।"

ফেল্প্‌চে আচৰিত হৈ সুধিলে, "চাবি ঘুৰোৱাৰ শব্দ?"

"হয়। পুৰা বেলাতে মিচ্‌ হেৰিচনক মই কৈ থৈছিলোঁ যে শুবলৈ যাওঁতে দুৱাৰখন বাহিৰৰপৰা চাবি দি যেন বন্ধ কৰি থৈ যায়, আৰু চাবিটো লগত লৈ যায়। তেওঁ মোৰ সকলোবোৰ নিৰ্দেশ আখৰে আখৰে পালন কৰিছিল। তেওঁৰ সহযোগিতা নোপোৱা হ'লে নথিও গৈ আপোনাৰ জেপত সোমাবলৈ নাপালেহেঁতেন। কোঠাটোৰপৰা ওলাই যাওঁতে তেওঁ চাকি সুমুৱাই থৈ গৈছিল। আন্ধাৰে-মুন্ধাৰে মই জোপোহাৰ মাজতে বহি থাকিলোঁ। জোনৰ পোহৰ অৱশ্যে আছিল।

"বতৰ কালি মুকলি আছিল, পিছে ভালে পৰ খাপ দিবলগীয়া হ'ল। হ'লেও মোৰ আমনি লগা নাছিল। পহলঙে ডাওৰ চিকাৰৰ আশাত নৈ পাৰত পেট পেলাই খাপ দিয়াদি ময়ো খাপ দি ৰ'লোঁ।

"নিশা দুই বজাৰ পিছত দুৱাৰ এখন খোলাৰ শব্দ হ'ল। পিছ মুহূৰ্ততে মিস্টাৰ জোজেফ্‌ হেৰিচনক চাকৰ-বাকৰ অহাযোৱা কৰা দুৱাৰ খনেদি জোনাকলৈ ওলাই অহা দেখিবলৈ পালোঁ।"

ফেল্প্‌চে চিঞৰ মাৰি সুধিলে, "জোজেফ্‌!"

"মুৰত তেওঁৰ টুপী নাছিল। গাত ক'লা হলো চোলা এটা এনেকৈ পেলাই লৈছিল যাতে আৱশ্যক হ'লে মুখখন ঢাকিব পাৰে। এখুজি দুখুজিকৈ হাতত সাৰে ভৰিত সাৰে তেওঁ আপোনাৰ শোৱা কোঠাৰ খিৰিকীখনৰ কাষ চাপিল। তাৰ পাছত দীঘলীয়া কটাৰী এখন খিৰিকী দুপাতৰ সকডাইদি সুমুৱাই শলখাডাল দাঙি খিৰিকীখন খুলি সেই পিনেদি কোঠাটোৰ ভিতৰলৈ সোমাই, মেণ্ট্‌ল্‌ পিছত থোৱা মম দুডাল জ্বলালে।

"জোপোহাৰ আঁৰৰপৰা কোঠাটোৰ ভিতৰখন তেতিয়া ভালকৈ দেখিবলৈ পালোঁ। মম হুডাল জ্বলাই, মজিয়াত পাৰি থোৱা দলিচাখনৰ, দুৱাৰৰ পিনে থকা মূৰটো দাঙি, কাঠৰ মজিয়াৰ পৰা সক তখ্তা এডুখৰি তেওঁক আঁতৰোৱা দেখিলোঁ। তলৰ গেচৰ পাইপত মেৰামতি কৰিবলগীয়া হ'লে মিস্ত্রীইঁত সোমাব পৰাকৈ সেই বাটটো ৰখা হৈছিল হ'ব পায়। তখ্তাডোখৰ আঁতৰাই মজিয়াৰ তলৰপৰা কাগজৰ মুৰাটো উলিয়াই লৈ, তখ্তাৰে আকৌ বাটটোত সাঁফৰ মাৰি, দলিচাৰে ঢাকি, মমহুডাল মুমাই খিৰিকীয়েদি বাজলৈ তেওঁ ওলোৱা মাত্রকে মই তেওঁক সাদৰেৰে আকোৱালি ধৰিলোঁ।

"পিছে আপোনাৰ ভাবি জেঠৈৰিজন এলাপেচা বিধৰ মানুহ নহয়। কটাৰীখনেৰে তেওঁ মোক আক্রমণ কৰি হাতখন ঘুণীয়া কৰিলে। মোৰ এটা ঘোঁচাৰ ফলত এটা চকুৰে তেওঁ নেদেখা হ'ল। কটাৰীখন কাঢ়ি লোৱাৰ পাছত মোক বলে নোৱাৰিব বুলি বুজি এটা চকুৰেই এনেকৈ মোলৈ চাইছিল যেন চকুটোৰেই মোক গিলি পেলাব। যি কি নহওক. হেঁচা মাৰি ধৰিলত, যুঁজ বাগৰ এৰি দি ভাল লৰাৰ দৰে তেওঁ কাগজ মুৰা মোৰ হাতত দিলে। কাগজমুৰা হস্তগত কৰি তেওঁক যাবলৈ এৰি দিলোঁ। কিন্তু আজি পুৱা বেলাতে সকলো কথা ফৰ্ব্চক টেলিগ্রাম কৰি জনালোঁ তভাভুকুতাকৈ ৰকিঙলৈ গৈছে যদি চোৰ ধৰিবগৈ পাৰিব, কিন্তু মোৰ মনেৰে পুলিচ গৈ পোৱাৰ আগতে চৰাই উৰিব। সেয়ে হ'লেই মঙ্গল। লর্ড হ'ল্ড্হার্স্ট আৰু আমাৰ এওঁ মকেলে এই বিষয়ে আদালতত সাক্ষী দিবলৈ যাবলৈ ভাল নাপাব বোধকৰোঁ।"

ফেল্প্চে ক'লে, "হে ঈশ্বৰ, জোজেফটো এনেকুৱা পাষণ্ড নে? আপোনাৰ কথা শুনি মোৰ মূৰ ঘূৰাবলৈ ধৰিছে, মিস্টাৰ হ'ম্চ।"

—বাৰু জোজেফৰ ওপৰত মোৰ সন্দেহ কেনেকৈ জাগিবলৈ পালে এতিয়া কওঁ, শুনক। নথি চুৰি হ'বৰ দিনা নিশা আপোনালোক দুয়ো

একেলগে এঘাৰ বজাৰ ৰেলত ৰকিঙলৈ ঘূৰি যোৱাৰ কথা আছিল। পৰৰাষ্ট্ৰ দফ্তৰলৈ আগতে তেওঁ যোৱাৰ কথাও আপুনি কৈছিল। গতিকে তালৈ গৈ তেওঁ আপোনাক লগত লৈ ষ্টেশ্বনলৈ যোৱাৰ সম্ভাবনা আছিল। তাৰ পাছত যেতিয়া শুনিলোঁ। নিশা আপোনাৰ কোঠাত কোনোবা সোমাবলৈ চেষ্টা দিয়াৰ কথা, তেতিয়া মোৰ সন্দেহ গজগজীয়া হ'ল। সেই নিশালৈকে সেইটো কোঠা জোজেফৰ দখলত আছিল বুলিও আপুনি কৈছিল। যি নিশা প্ৰথম আপোনাৰ কোঠাত নাৰ্চ গৰাকী নাছিল, সেই নিশাই কোঠাৰ ভিতৰলৈ সোমাব খোজা কথাটোও মন কৰিবলগীয়া। তাৰপৰা বুজিব পাৰি যে যিজনে খিৰিকীয়েদি কোঠাটোত সোমাব খুজিছিল, ঘৰটোত কোন কেতিয়া ক'ত থাকে তেওঁ গম পায়, অৰ্থাৎ কোনোবা ভিতৰুৱা মানুহ। গতিকে সেই কোঠাত জোজেফে কিবা বস্তু লুকুৱাই থৈছিল বুলি বুজিবলৈ বাকী নাথাকিল।"

ফেল্প্‌চে তেতিয়া কলে, "ইস্, মই নো ইমান কণা হব লাগিছিলনে বাৰু ?"

"মোৰ বোধেৰে ঘটনা এইদৰে ঘটিছিল: জোজেফ্ হেৰিচন্ চাৰ্লচ্ ষ্ট্ৰীটৰ পিনৰ দুৱাৰেদি আপুনি অফিছত কাম কৰা কোঠাত গৈ সোমাইছিল। তেতিয়া আপুনি কফিৰ খবৰ লবলৈ কোঠাৰপৰা ওলাই গৈছিল। কোঠাত কাকো নেদেখি তেওঁ ঘণ্টাৰ ৰচীডাল টানি দিলে। পিছ মুহূৰ্ত্ততে মেজত মেল খাই পৰি থকা কাকতখনত চকু পৰিল। কাকতখন বহুমূলীয়া গুপ্ত চৰ্কাৰী দলিল বুলি নিমিষতে বুজি পাই তেওঁ তাক ততালিকে জেপত সুমুৱালে। আপুনি চকীদাৰক জগাবলৈ যাওঁতে, আৰু ঘণ্টাটো কোনে বজালে বুলি চকীদাৰে আপোনাক সোধামেলা কৰোঁতে যি কম সময় পাৰ হৈছিল, তাৰ মাজতে জোজেফে ভুকুংকৰে কোঠাৰপৰা উৰা মাৰিলে।

সেই নিশা ৰকিঙ'ল আহিয়েই নাধখন পঢ়ি চাই তাৰ মূল্য তেওঁ আৰু বঢ়িয়াকৈ বুজি পালে। দুই এদিনৰ পিছত ফৰাচী দূতাবাস বা

আন তেনে ঠাইলৈ নথিখন নিয়াৰ মতলবেৰে নিজৰ কোঠাৰ মজিয়াৰ তলত নথিটো তেওঁ লুকুৱাই থ'লে। তাৰ পিছত আপুনি উলটিল আৰু হঠাৎ তেওঁ কোঠাটো এৰি দিবলগীয়াত পৰিল। সেই নিশাৰপৰা দিনে নিশাই আপুনি আৰু মিচ্ হেৰিচন্ নাইবা মাৰ্চ কোঠাটোত থকা হ'ল। গতিকে লুকাই থোৱা বস্তু উদ্ধাৰ কৰাৰ সুযোগ বিচাৰি নাপাই জোজেফ বলিয়া হোৱাদি হ'ল। অৱশেষত যি নিশা আপোনাৰ কোঠাত আপুনি অকলশৰীয়া হ'ল, সেই নিশাই তেওঁ লুকাই থোৱা বস্তু উদ্ধাৰ কৰিবলৈ ওলাল। কিন্তু আপুনি সাৰ পাই থাকি সকলো পণ্ড কৰিলে। সেই নিশা শোৱাৰ আগত গাখীৰপানী কিবা এগিলাচ খাইছিলনে?"

—গাখীৰ এগিলাচ খোৱা অভ্যাস আছে কিন্তু সেই নিশা খাবলৈ নহ'ল।

"নাখাই ৰক্ষা পৰিল। মোৰ বিশ্বাস গাখীৰত আপোনাক বেহুঁচ কৰাৰ দৰব মিহলোৱা আছিল। আপুনি বেহুঁচ হৈ পৰি থাকিব বুলিয়েই মিস্টাৰ জোজেফে আশা কৰিছিল। পৰিস্থিতি নিৰাপদ যেন দেখা মাত্ৰকে নথি উদ্ধাৰৰ চেষ্টা যে আকৌ কৰিব সেই কথা সহজে অনুমান কৰিব পাৰিছিলোঁ। আপুনি কালি নিশা ঘৰত নথকাৰ তেওঁ সুযোগ লবলৈ ওলাল। দিনৰ দিনটো মিচ্ হেৰিচনক কোঠাটোত বহি থাকিবলৈ মই কৈছিলোঁ, যাতে দিনতে জোজেফে নথি সৰকাব নোৱাৰে। তাৰ পাছত আমি তিনিও লণ্ডনলৈ আহিবলৈ ওলালত তেওঁ ভাবিলে এয়ে নথি সৰকোৱাৰ সুযোগ। নথিটো যে কোঠাটোৰ ভিতৰতে আছিল সেই সম্বন্ধে মই নিঃসন্দেহ হৈছিলোঁ, কিন্তু ঘৰৰ বেৰ মজিয়া ফালিছিৰি চোৱাতকৈ মই অৱলম্বন কৰা পন্থাটোৱেই ভাল হ'ব বুলি মোৰ মনে ধৰিছিল। কিবা প্ৰশ্ন সুধিবলগীয়া আছে যদি এতিয়া সোধক।"

মই সুধিলোঁ, "দুৱাৰেদি নোসোমাই খিৰিকীয়েদি সোমাব খুজিছিল কিয় ?

— তেওঁক পিছত থাকিবলৈ দিয়া কোঠাটোৰপৰা সিটো কোঠালৈ সাতোটা শোৱনি কোঠাৰ দুৱাৰ মুখেদি পাৰ হ'ব লাগে। তদুপৰি খিৰিকীয়েদি সোমালে, পলাবলগীয়া হ'লে পলাবলৈ সহজ হব বুলিও তেওঁ ভাবিছিল।

ফেল্প্‌চে সুধিলে, "নথি উদ্ধাৰ কৰাৰ উপৰিও মোক হত্যা কৰাৰ মতলবো তাৰ আছিল নেকি ?"

— নাথাকিবও পাৰে, কিন্তু আৱশ্যক হোৱা হ'লে সেই কাম কৰিব নোৱৰা বিধৰ ভকতো তেওঁ নহয়।

মোৰ খেনো তদন্ত সম্বন্ধে মই নিজে লিখিব লাগে বুলি ৱাটচনে ভালে দিনৰপৰা মোক কুটুৰি আছিল। মোৰ নোটবহী খুলি চাই পালোঁ ১৯০৩ চনৰ জানুৱাৰী মাহত, বুৱৰ যুদ্ধৰ অন্তত মিষ্টাৰ জেইম্‌চ্ ডডে মোক প্ৰথম বাৰ দেখা কৰিবলৈ আহিছিল। মানুহজন আছিল শকত-আৱত লহঙা; গাৰ উজ্জ্বল বৰণ ৰ'দে পুৰি তাম বৰণীয়া কৰিছিল।

নিজে খিড়িকীৰ পিনলৈ পিঠি দি বহি মক্কেলক সমুখৰ চকীত বহুওৱাটোকেই মই নিয়ম কৰি লৈছিলোঁ, যাতে মক্কেলৰ মুখত ভালকৈ পোহৰ পৰে। কেনেদৰে নো নিজৰ ক'বলগীয়া কথাৰ ওৰা পাতিব সেই কথা চিন্তি মিষ্টাৰ জেইম্‌চ্ ডড্ দোধোৰ-মোধোৰত পৰা যেন দেখিলোঁ। তেওঁৰ গেৰো-গেথো ভাব আঁতৰাবলৈ মই চেষ্টা দিয়া নাছিলোঁ, কাৰণ নিমাতে থকা অৱস্থাতহে মক্কেল একোজনক ভালকৈ নিৰীক্ষণ কৰিবলৈ সুবিধা পোৱা যায়। নিজৰ অভিজ্ঞতাৰ-পৰা মই এই কথাও গম পাইছিলোঁ যে আৰম্ভণিতে নিজৰ ক্ষমতা অলপ জাহিৰ কৰি দেখুৱাব পাৰিলে কাম দিয়ে। সেই উদ্দেশ্যেৰে মই তেওঁক প্ৰশ্ন কৰিবলৈ আৰম্ভ কৰিলোঁ:

— আপুনি দক্ষিণ আফ্ৰিকাৰপৰা আহিছে; নহয় জানো?

অলপ আচৰিত হৈ তেওঁ উত্তৰ দিলে; হয় চাৰ।

— 'ইম্পীৰিয়েল য়মেন্‌ৰি' বাহিনীত অ'ছিল বোধকৰোঁ।

— হয়, ঠিকেই ধৰিছে।

— সেই বাহিনীৰ 'মিড্‌লচেক্স ক'ৰ' বোলা পল্টনত নিশ্চয়?

— হয় মিষ্টাৰ হ'ম্‌চ্; আপুনি সৰবজান নেকি?

তেওঁক অবাক হোৱা যেন দেখি মই মিচিকীয়া হাঁহি এটি মাৰি কলোঁ: আপুনি বগাজপা বলিষ্ঠ পুৰুষ। ইংলণ্ডৰ বেলিয়ে

আপোনাৰ গাৰ বৰণত ইমানকৈ তামপানী চৰাব নোৱাৰে। তাৰ উপৰিও কমালখন জেপত ন'লৈ আপুনি কোটচোলাৰ হাতৰ তলত সুমুৱাই লৈছে। গতিকে আপুনি ক'ৰপৰা আহিছে ধৰা টান কাম নহয়। আপোনাৰ অকণমান দাড়ি একোছাও আছে। খাঁটি পল্টনত সৈনিক হোৱা হ'লে আপুনি দাড়ি ৰাখিব নোৱাৰিলেহেঁতেন তদুপৰি আপোনাৰ চেহেৰা, সাজপাৰ দেখিয়েই আপোনাক আচোৱাৰ বুলি ধৰিব পাৰি। আপুনি মোলৈ পঠোৱা ভিজিটিং কার্ডত থ্ৰগ্‌মর্টন ষ্ট্ৰীট্‌ নামৰ আলিবাটৰ ঠিকনা দিছে। সেই নামৰ আলিবাট এটা আছে মিড্‌ল্‌চেষ্টাত। গতিকে মিড্‌লচেষ্টাৰ পল্টনত নোসোমাই আন পল্টনত আপুনি সোমাবলৈ যাব কিয়?

— আপুনি দেখিছোঁ চব্‌ কথা উমানতে ধৰিব পাৰে!

— চকুৰ আগত যিহকে দেখিবলৈ পাওঁ তাকে ভালকৈ নিৰীক্ষণ কৰিবলৈ মই শিকিছোঁ। যেই হওক মিষ্টাৰ ডড্‌, এইবিলাক কথা আলোচনা কৰিবলৈ আজি আপুনি ইয়ালৈ অহা নাই; টাক্স্‌বেৰি অ'ল্ড্‌ পার্কত নো কি ঘটনা ঘটিছিল, এতিয়া সেই সম্বন্ধে কওকচোন।

— মিষ্টাৰ হ'ম্‌চ্‌!

— মাই ডিয়াৰ চাৰ, চক্‌ নাখাব। মোৰ কথাৰ মাজত চক খাবলগীয়া একো নাই। আপুনি মোলৈ লিখা চিঠিতে দেখোন সেইটো ঠিকনা দিছিল, আৰু আপোনাৰ চিঠিৰ সুৰৰপৰা বুজিব পাৰিছিলোঁ যে কিবা অতি জৰুৰী কথাৰে আপুনি মোক লগ পাবলৈ বিচাৰিছিল। কিবা এটি ঘটনা নঘটিলেনো আপোনাৰ কিয় তেনেখন ধৰ্‌ফৰণি লাগিব?

— হয়, আপুনি ঠিক কথাকে কৈছে; পিছে চিঠিখন লিখা হৈছিল আজি দুপৰীয়া পৰৰ অলপ পাছত; তেতিয়াৰপৰা এতিয়ালৈকে আৰু ভালেমান ঘটনা ঘটিল। কর্ণেল এম্‌চ্‌ৱৰ্থে মোক খেদাই বাহিৰ নকৰা হ'লে—

— খেদাই বাহিৰ কৰিলে নে কি ?

— তাকেই কৰা বুলি ক'ব পাৰি। কৰ্ণেল এম্‌চৰ্থ বৰ এক' চেকা মানুহ; মুখৰ বাছ-বিচাৰ নাই। পল্টনত কাম কৰোঁতে তেওঁক সকলোৱে বাঘ দেখাদি দেখিছিল। গড্‌ফ্ৰেৰ খাতিৰতহে মই তেওঁৰ কাষ চাপিছিলোঁ, ন'হলে দূৰতে বিদূৰ হলোঁহেতেন

পাইপটো জ্বলাই মই চকীখনত ভালকৈ আঁউজি বহি কলোঁ; কথাবিলাক অলপ ভাঙিপাতি ক'বলৈ অনুৰোধ কৰিলোঁ।

মোৰ মক্কেলে তুষ্টালিৰ হাঁহি এটি মাৰি উত্তৰ দিলে : 'এ' মই আকৌ ভাবিবলৈ আৰম্ভ কৰিছিলোঁ যে আনে একো নোকোৱাকৈয়ে আনৰ মনৰ সকলো কথা আপুনি গম ধৰিব পাৰে বুলিহে। বাৰু কথাবোৰ কওঁ তেন্তে শুনক। ঈশ্বৰক খাটিছোঁ যেন আপুনি কথাবোৰৰ কিবা এটা উৱাদিহ বিচাৰি উলিয়াব পাৰে। কালি ওৰে নিশা মোৰ চকুৰ পতা জাপ খোৱা নাই। যিমানেই ভাবোঁ সিমানেই ঘটনাটো অসম্ভৱ যেন লাগে :

'দুবছৰৰ আগত, ১৯০১ চনৰ জানুৱাৰী মাহত মই পল্টনত সোমাওঁ। গড্‌ফ্ৰে এম্‌চ্‌ৱৰ্থো একেটা পল্টনতে সোমায়। গড্‌ফ্ৰে হ'ল কৰ্ণেল এম্‌চ্‌ৱৰ্থৰ একেটি পুতেক। কৰ্ণেল এম্‌চ্‌ৱৰ্থৰ নাম জকল শুনিছে— ক্ৰাইমিয়াৰ যুদ্ধত ভিক্টোৰীয়া ক্ৰচ্‌ পাইছিল। গড্‌ফ্ৰেৰ গাত সৈনিকৰ তেজ আছে; গতিকে বুৱৰ যুদ্ধত যুঁজিবলৈ সি আগবাঢ়ি অহাটো আচৰিত কথা নাছিল। গড্‌ফ্ৰেৰ কথা কি নো ক'ম—সি বৰ বঢ়িয়া ডেকা ল'ৰা। সিয়ে ময়ে নলেগলে লগা বন্ধু হলোঁ। একেলগে খালে-ব'লে থাকিলে, একে সুখ-দুখৰ ভাগী হ'বলৈ পালেহে তেনে বন্ধুত্ব জন্মে। দুয়ো একেলগে এবছৰ কাল আমি তন্নামন্না ৰণত যুঁজিছিলোঁ। প্ৰিটৰিয়াৰ ডায়মণ্ড্‌ হিল বোলা পৰ্বতৰ কাষত লগা এখন তুৰ্চুৰীয়া যুদ্ধত সি হিলৈৰ গুলি খায়। কেইপ টাউনৰ হাস্পাতলৰপৰা এখন আৰু সাদাম্প্‌টনৰ পৰা এখন সি

মোলৈ লিখা চিঠি মই পাইছিলোঁ। তাৰ পিছত ছ মাহলৈ তাৰ আৰু বা-বতৰা নাই। পুৰা ছমাহ, মিষ্টাৰ হ'ম্‌চ্‌। মোৰ ইমান মৰমৰ বন্ধু কিয় সেইদৰে নিমাত হ'ল, ভাবি মই আগগুৰি নোপোৱা হলোঁ।

'তাৰ পাছত যুদ্ধ শেষ হ'ল; ঘৰৰ ল'ৰা ঘৰলৈ উলটিলোঁ। গড্‌ফ্রে নো ক'ত আছে সুধি তাৰ দেউতাকলৈ চিঠি এখন দিলোঁ; উত্তৰ নাহিল। কিছুদিনৰ মূৰত আকৌ এখন চিঠি লিখিলোঁ। এইবাৰ উত্তৰ আহিল—চমু, কঠুৱা উত্তৰ: গড্‌ফ্রে সাগৰেদি ভূ-প্ৰদক্ষিণ কৰিবলৈ ওলাই গৈছে; এবছৰৰ আগত ওলটাৰ সম্ভাৱনা নাই। দেউতাকে সিমানকেহে মাথোন লিখিছিল।

'উত্তৰ পাই মই সন্তুষ্ট নহলোঁ, মিষ্টাৰ হ'ম্‌চ; কথাবোৰ কিবা অস্বাভাৱিক যেন লাগিল। গড্‌ফ্রে বৰ ভাল ল'ৰা; বিনা কাৰণত এজন বন্ধুক সেই দৰে সি এৰা দিয়াৰ কথাটো মোৰ মনে নধৰিলে। সি তেনে বিধৰ ল'ৰা নহয়। তদুপৰি কোনোবা আপোন মানুহৰপৰা সি অগাধ সম্পত্তি পোৱাৰ কথা আছিল, আৰু দেউতাকৰ লগত তাৰ নবনিছিল বুলিও মই গম পাইছিলোঁ। বুঢ়াটো হ'ল এটা 'বুলি'—ভাবি-ধমকি নিদিয়াকৈ কথা ক'ব নাজানে; লৰায়ো জোৰাই-জোখাই উত্তৰ দি থাকে। সাতে সোতৰই মই থিৰ কৰিলোঁ, সেই কথাই কথা নহয়; উৰহীৰ ওৰ উলিয়াব লাগিব। দুবছৰ কাল বিদেশত কটোৱাৰ ফলত মোৰো কৰিবলগীয়া ভালেমান কাম পৰি আছিল; গতিকে গড্‌ফ্রেৰ কথালৈ বেগেতে মনকাণ দিব পৰা নাছিলোঁ। এই সপ্তাহত হে মই গড্‌ফ্রে সম্বন্ধে তদন্ত আৰম্ভ কৰিবলৈ আজৰি পালোঁ, আৰু তদন্ত আৰম্ভ কৰিলোঁ। যেতিয়া তাৰ শেষ নকৰাকৈ মই নেৰিছোঁ।'

মিষ্টাৰ জেইম্‌চ্‌ ডডৰ কথাবতৰাৰপৰা মই বুজিব পাৰিলোঁ শত্ৰুতকৈ তেওঁক বন্ধু হিচাপে লাভ কৰাহে মঙ্গলজনক। তেওঁৰ নীলা চকুযুৰিত আৰু ধুতৰিটোত দৃঢ়, কঠোৰ চৰিত্ৰৰ চাব আছিল।

মই সুধিলোঁ : এতিয়ালৈকে নো আপুনি কি কি কৰিলে ?

—'গড্ফ্ৰেৰ ঘৰ বেড্ফৰ্ডৰ কাষৰ টাক্সবেৰি অ'ল্ড্ পাৰ্কত। ভয়ে ভয়ে তালৈকে পোনোৱাৰ কথা ভাবি গড্ফ্ৰেৰ মাকলৈ মই লিখিলোঁ—কুকুৰতেকীয়া বাপেকলৈ লিখিবৰ মন ন'গ'ল—যে গড্ফ্ৰে মোৰ অতি মৰমৰ বন্ধু; আমি দুয়ো একেলগে অৰ্জা ভালেমান অভিজ্ঞতাৰ কথা মোৰ ক'বলগীয়া আছে; বেড্ফৰ্ডৰ কালে নিজৰ সকামত মই যাম; তেখেতক এবাৰ লগ ধৰিব পাৰিমনে ? তেখেতৰ-পৰা ততালিকে সমিধান পালোঁ; সাদৰ সম্ভাষণ জনাই এৰাতি তেখেতসকলৰ ঘৰত গৈ থাকিবলৈকো তেখেতে আমন্ত্ৰণ জনালে। সেই চিঠি পাই সোমবাৰে মই তালৈ গলোঁ।

'টাকস্বেৰি অ'ল্ড্ হল দুৰ্গম ঠাই—ৰেল ষ্টেশনৰপৰা পাঁচ মাইল আঁতৰত। ষ্টেশনত গাড়ী-ঘোঁৰা একো নাপাই, চুটকেচ্টো হাতত লৈ খোজ দিবলগীয়াত পৰিলোঁ। ঘৰটো গৈ পাওঁতে সন্ধ্যা লাগোঁ লাগোঁ হ'ল। এখন আহল-বহল পাৰ্কৰ মাজত ঘৰটো—ঘৰো ঘৰ দুৰ্জয় ঘৰ। প্ৰত্যেকটো খোঁটালীৰ বেৰত পুৰণি-কলীয়া ভালেমান ছবি আঁৰা আছিল। ঘৰটোত সোমাই ভূতে বাঁহ লোৱা ঘৰ এটাত সোমোৱা যেন হে লাগিল। ঘৰটোত বাট্লাৰ এটা আছিল; নাম ৰাফ্; তাৰ বয়স ঘৰটোৰ বয়সৰে সৈতে সমানেই হ'ব যেন দেখিলোঁ। তাৰ ঘৈণীয়েকজনীৰ বয়স তাতোকৈ সৰহ হ'লেও তাকৰ নাছিল। তাই আছিল আগতে গড্ফ্ৰেৰ ধাইমাক। মাকৰ পিছতে তাইকে গড্ফ্ৰেই সকলোতকৈ বেছি ভাল পাইছিল বুলি মোক কোৱা মনত পৰিল। সেই দেখি তাইৰ চেহেৰাটো অদ্ভুত যেন হ'লেও তাই মোক আকৰ্ষণ কৰিছিল। গড্ফ্ৰেৰ মাককো ভালেই লাগিল—যেন নিমাখিত বগী এন্দুৰ এজনীহে। কিন্তু গড্ফ্ৰেৰ বাপেক হে আছিল এটি বেলেগ বিধৰ বস্তু।

'তেওঁক লগ পোৱা মাত্ৰকে আমাৰ থকাথুন্দা লাগিলেই। পিছ

মুহূৰ্ত্ততে ৰেল ষ্টেশনলৈ মই উলটিবই লাগিছিল ; সাত পাঁচ গুণিহে ঘুলটিলোঁ। তেওঁ লিখা-পঢ়া কৰা কোঠালৈ বাট্‌লাৰ টোৱে মোক লৈ গ'ল। কাগজ-পত্ৰ সিচঁৰতি হৈ থকা মেজ এখনৰ কাষত তেওঁ বহি আছিল—পকা একোছা দাড়িৰে প্ৰকাণ্ড এটা মানুহ, অলপ কুঁজা; গাৰ বৰণ ছাইৰ লেখিয়া। শগুণৰ ঠোঁট যেন নাকটোত ৰঙা সিৰ কেতবোৰ জিলিকি আছিল। ডাঠ চেলাউলিৰ তলৰ ভয় লগা চকুযোৰেৰে ঘোপাকৈ তেওঁ মোলৈ চালে। গড্‌ফ্ৰেই কিয় বাপেকৰ নাম কাটিংহে লৈছিল, বুজিবলৈ সৰহ পৰ নালাগিল।

'মোলৈ চাই কঠুৱা মাতেৰে তেওঁ ক'লে ; "কি সকামত নো ইয়ালৈ আগমন কৰা হ'ল জানিবলৈ পোৱা হ'লে ভাল আছিল, ডাঙৰীয়া।"

'মই উত্তৰ দিলোঁ যে সেই বিষয়ে তেখেতৰ পৰিবাৰক চিঠি দি আগতে মই জনাইছিলোঁ।

—"হয়, হয়। তুমি হেনো গড্‌ফ্ৰেক আফ্ৰিকাত লগ পাইছিলাঁ, কিন্তু সেই কথা তোমাৰ বাহিৰে আনৰ মুখত তো আমি শুনিবলৈ পোৱা নাই।"

—গড্‌ফ্ৰেই মোলৈ দিয়া চিঠি মোৰ জেপত আছে।

—অনুগ্ৰহ কৰি দেখুৱাওক চোন।

"তুখন চিঠি মই আগ বঢ়াই দিলোঁ। চিঠি তুখন চকু ফুৰাই চাই মোলৈ দলিয়াই দি সুধিলে : "পিছে, কি হ'ল ?"

—মই আপোনাৰ ল'ৰা গড্‌ফ্ৰেক বৰ ভাল পাইছিলোঁ। গতিকে কিয় তেওঁ মোলৈ চিঠি পত্ৰ নিদিয়া হ'ল, তেওঁনো ক'ত আছে, কি কৰিছে মই জানিব খোজাটো স্বাভাৱিক কথা নহয় জানো ?

—হয় ডাঙৰীয়া, পিছে মোৰ মনত পৰা যেন লাগিছে যে গড্‌ফ্ৰেই বৰ্ত্তমান কি কৰিছে নকৰিছে সেই সম্বন্ধে মই আপোনালৈ চিঠি এখন দিছিলোঁ। সাগৰেদি সি ভূপ্ৰদক্ষিণ কৰিবলৈ ওলাইছে।

আফ্রিকাৰপৰা ঘূৰি অহাৰ পাছত তাৰ গা ভাল নাছিল। সেইবাবে মাকে আৰু মই থিৰ কৰিলোঁ যে সি কিছুদিনলৈ জিৰণি লোৱা আৰু হাৱাপানী বদলি কৰা উচিত হ'ব। তাৰ আন কোনোবা বন্ধুৱেও যদি তাৰ বাতৰি সোধে অনুগ্ৰহ কৰি আপুনি সেই বাতৰিকে দিব।

—নিশ্চয় দিম, কিন্তু কোন লাইনৰ কোনখন জাহাজেদি নো সি যাত্ৰা কৰিলে অনুগ্ৰহ কৰি মোক জানিবলৈ দিবনে? জাহাজখনৰ নাম কি? কোন তাৰিখে সি যাত্ৰা কৰিলে। তেতিয়াহ'লে মই তালৈ চিঠি লিখিব পাৰিম।

'মোৰ অনুৰোধ শুনি মানুহজন অলপ থত্‌মত্‌ খোৱা যেন লাগিল; তেওঁৰ খঙো উঠা যেন দেখিলোঁ! প্ৰকাণ্ড চেলাউৰি কোছাই চকু দুটা ঢাকি পেলালে। আঙুলিৰে তেওঁ মেজখনত টকৰিয়াবলৈ ধৰিলে। তেওঁ মোলৈ তাৰ পাছত এনেকৈ চালে যেন দাবা খেলত তেওঁৰ প্ৰতিদ্বন্দীয়ে এটা মোক্ষম চাল দিলে আৰু তাৰ প্ৰত্যুত্তৰত চাল দিবলৈ তেওঁ সাজু হৈছে।

'তেওঁ ক'লে: মিষ্টাৰ ডড্, আপুনি নলগা ঠাইত লাগি ফুৰিবলৈ ভাল পায় যেন পাইছোঁ। লোকৰ কথাত আপুনি যেনেকৈ নাক গুঁজিবলৈ আহিছে, আন মানুহ হোৱা হ'লে আপোনাক অপমানকে কৰিলেহেতেন।

—আপোনাৰ ল'ৰাক ভাল পাওঁ গুণেহে তেনে কৰিবলৈ বাধ্য হৈছোঁ। তাৰ বাবে দাই জগৰ নধৰিব।

—হয়, সেই কাৰণেহে মই সহি আছোঁ, কিন্তু এতিয়াৰপৰা এই বিষয়ে আৰু কোনো প্ৰশ্ন নকৰে যেন। সকলো পৰিয়ালৰে ভিতৰুৱা কেতবোৰ কথা থাকে। সেইবোৰ কথা বাহিৰা মানুহৰ আগত ক'বলৈ কোনেও ভাল নাপায়। গড্‌ফ্ৰেৰ মাকে তাৰ অতীত সম্বন্ধে কিছু কথা জানিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে; সেই সম্বন্ধে আপুনি

মাকৰ লগত কথা বতৰা হ'ব পাৰে, কিন্তু গড্‌ফ্রেৰ বৰ্তমান আৰু ভৱিষ্যত সম্বন্ধে কোনো কথা আপুনি উলিয়াব নোৱাৰিব। তেনে কৰিলে আমাক আপুনি অযথা বিব্ৰত কৰা হে হ'ব।

'তাৰ পাছত নো আৰু মই কি কৰোঁ, কওকচোন বাৰু মিষ্টাৰ হ'ম্‌চ্‌? তেওঁৰ কথাতে মান্তি হোৱা যেন দেখুৱাই পেটে পেটে মই থিৰ কৰিলোঁ যে ৰহস্যৰ ভেদ ভাঙিহে এৰিম। সেই দিনা বতৰ সেমেকা আছিল। বহুকলীয়া পুৰণি, নিৰানন্দ এটা খানা-কাম্‌ৰাত আমি তিনিও ৰাতিৰ সাঁজ একেলগে বহি খালোঁ। খাবলৈ বহোঁতে গড্‌ফ্রেৰ মাকে মোক নানান প্ৰশ্ন সুধিছিল, কিন্তু বাপেকে মুখখন গোমোঠা কৰি মনে মনে বহি খাইছিল। মোৰ বৰ আমনি লাগিছিল। সেই বাবে অভদ্ৰতা নকৰাকৈ যিমান বেগাই পৰা যায় খোৱা টেবুলৰ-পৰা উঠি মই মোক শুবলৈ দিয়া কোঠালৈ গলোঁ। কোঠাটো প্ৰকাণ্ড; আচবাব পত্ৰ নিচেই তাকৰ; গোটেই ঘৰটোৰে দৰে কোঠাটোও নিৰানন্দ, গোমোঠা। পিছে দক্ষিণ আফ্ৰিকাত এবছৰ কাল মই ধাঁহনিত বাগৰিও নিশা কটাইছিলোঁ। গতিকে কোঠাটো সম্বন্ধে আপত্তি কৰিবলগীয়া মোৰ একো নাছিল, মিষ্টাৰ হ'ম্‌চ্‌। খিড়িকীৰ পৰ্দা টানি বাহিৰৰ বাগিচালৈ চাই দেখিলোঁ বতৰে চকাহু দিছে; বাহ্নত ফটফটীয়া জোনাক। চিম্‌নিত কয়লাৰ গমগমীয়া জুই একুৰা জ্বলি আছিল। কাষতে টেবুল এখনত চাকি এটাও আছিল। টেবুলৰ কাষতে বহি, সময় কটাবলৈ মই নভেল এখন মেলি লৈছোঁ, এনেতে কয়লা এবোজা লৈ ৰাফ্‌ বোলা বাট্‌লাৰটো আহি কোঠাটোত সোমাল।

'সি ক'লে: মই ভাবিলোঁ কয়লা কম পৰিব পাৰে, চাৰ। বৰ জাৰ পৰিছে। এই ঘৰৰ খোটালীবোৰো বৰ জেকা, সেমেকা।

'কথাষাৰ কৈ আঁতৰি নগৈ সি দেখোন থিয়দি ৰ'ল। তাৰ ফাললৈ চাই মন কৰিলোঁ যে উৎসুখ নয়নেৰে সি মোৰ পিনে

চাই আছে। চকুৰে চকুৰে পৰিলত সি ক'লে : মাফ্ কৰিব, চাৰ ; খাবলৈ বহোঁতে আপোনালোকে কোৱামেলা কৰা কথাবতৰাবোৰ মই কাণ-পাতি শুনি আছিলোঁ। আপুনি নাজানে কিজানি মোৰ বৈৰী গড্‌ফ্ৰেৰ ধাইমাক আছিল; তায়ে তেওঁক ডাঙৰ-দীঘল কৰিছিল। গতিকে গডফ্ৰেক মোৰ তোলনীয়া পোৱালি বুলিব পাৰে। সেই বাবে গডফ্ৰেৰ কথা জানিবলৈ আমাৰ হেঁপাহ হোৱাটো স্বাভাৱিক কথা। যুদ্ধত গডফ্ৰে বোপাই জকল ভাল যুঁজ দিছিল নহয় নে বাৰু ?

—তাতকৈ সাহিয়াল যুঁজাৰু আমাৰ পল্টনত নাছিল বুলিয়েই ক'ব পাৰি। বুৰবইতৰ ৰাইফলৰ আক্ৰমণৰপৰা এবাৰ সি মোক উদ্ধাৰ নকৰা হ'লে আজি মোক ইয়াত দেখিবলৈ নাপালাহেঁতেন।

'মোৰ কথা শুনি বাট্‌লাৰটোৱে তাৰ লেৰেলা হাতদুখন মোহাৰি মোহাৰি ক'লে : হয় চাৰ, হয় ; আমাৰ গড্‌ফ্ৰে বোপা তেনেকুৱাই—বৰ সাহিয়াল। পাৰ্কত এনে এজোপা গছ নাই য'ৰ মূৰলৈ তেওঁ সকতে বগোৱা নাছিল। কোনেও তেওঁক ধৰি ৰাখিব নোৱাৰিছিল। বৰ বঢ়িয়া ল'ৰা আছিল, চাৰ, বৰ বঢ়িয়া ল'ৰা।

'ঘাউপ কৰে মই থিয়দি চিঞৰ মৰা দি মাৰি সুধিলোঁ : বঢ়িয়া ল'ৰা আছিল বুলি তুমি ক'লা ; তাৰ মানে গড্‌ফ্ৰে ঢুকাল নে কি ? ৰহস্য কি ? গড্‌ফ্ৰেৰ কি হ'ল ?

'প্ৰশ্নটো কৰি বাট্‌লাৰৰ কান্ধ দুখনত মই টানকৈ টেপা মাৰি ধৰিলোঁ। সি তেতিয়া চুচুকচামাক কৈ কলে : আপুনি মোক এইবোৰ কি কথা সুধিছে ? কিবা সুধিব লগা আছে যদি ঘৰৰ গিৰিহঁতক সুধিব। লোকৰ কথাত মই নাক গুঁজিবলৈ যাম কিয় ?

'সেই বুলি কৈ সি ওলাই যাবলৈ ধৰিছিল, পিছে টান মাৰি তাক ৰখাই মই কলোঁ : শুনা ; মোৰ এটি প্ৰশ্নৰ তুমি উত্তৰ নিদিলে গোটেই নিশাটোও লাগিলে বলেৰে তোমাক ইয়াত মই আটক কৰি ৰাখিম—গড্‌ফ্ৰে মৰিল নে কি ?

'সি মোৰ চকুলৈ চাব নোৱৰা হ'ল। সম্মোহিত হোৱা লোকৰ দৰে চকু দুটা প্ৰায় মুদি যেন বৰ কষ্টেৰে সি যিসাৰ কথাহে ক'লে, মোৰ গা চেঁচেকৰাই গ'ল।

'মৰা হ'লেই ভাল আছিল' বুলি চিঞৰ মৰাদি মাৰি, ঘাউপ কৰে সি আঁজোৰ এটা মাৰি মোৰ খামোচৰপৰা নিজক মুকলি কৰি, গুমাই কোঠাটোৰপৰা ওলাই গ'ল।

"বুজিবই পাৰিছে, মিষ্টাৰ হ'মচ্, মই কেনে চিন্তাত পৰিলোঁ। বুঢ়া মানুহটোৰে কোৱা কথাষাৰ শুনি ঠাৱৰ কৰিলোঁ যে গডফ্ৰেই নিশ্চয় কিবা আইন বিৰুদ্ধ দোষণীয়, নাইবা অখ্যাতিকৰ কিবা কাম কৰিছে, যাৰ বাবে বংশৰ অমৰ্য্যাদা হৈছে। কেলেংকাৰীৰ হাত সাৰিবলৈ বাপেকে জকল তাক ক'ৰবাত গৈ লুকাই থাকিবলৈ পঠাই দিছে। গডফ্ৰেৰ উধমুধ নোচোৱা স্বভাৱৰ পৰিচয় মই আগতে পাই থৈছিলোঁ। লগৰীয়াহঁতে সহজে তাৰ চকুত আঙুলি দি তাক চলাব পাৰে। গতিকে ভাবিলোঁ, সি বেয়া সঙ্গত প'ৰি আওবাটে গৈছে। বৰ দুখৰ কথা! কিন্তু বন্ধু হিচাপে তাক বিচাৰি উলিয়াই, তাক উদ্ধাৰ কৰাটোও মোৰ কৰ্ত্তব্য। মই এই দৰে ভাবিগুণি থাকোঁতে স্বয়ং গডফ্ৰেই দেখা দিলেহি।"

কথাষাৰ শেষ কৰি মোৰ মক্কেলে উদ্বেগত অভিভূত হৈ খন্তেক থমকিলত মই কলোঁ: কৈ যাওক; আপোনাৰ সমস্যাৰ কেতবোৰ অসাধাৰণ দিশ দেখিবলৈ পোৱা যেন লাগিছে।

—' সি খিড়িকীৰ বাহিৰে, খিড়িকীৰ আইনাত মুখখন হেঁচি থিয় দি আছিল। আগতে আপোনাক কৈছোঁ যে বাহিৰলৈ এবাৰ চাওঁ বুলি খিড়িকীৰ পৰ্দা দুখন টানি মই অলপ ফাঁক কৰিছিলোঁ। পৰ্দাদুখন তেতিয়াও সেই অৱস্থাতে আছিল, আৰু সেই ফাঁকটোৰ মাজেদিয়েই তাৰ মুখখন মই দেখিবলৈ পাইছিলোঁ। খিড়ীকীখন আছিল দুৱাৰৰ লেখীয়া মজিয়ালৈকে নমা 'ফ্ৰেঞ্চ্ উইণ্ড'। তাৰ গোটেই

গাটো মই দেখিবলৈ পাইছিলোঁ, পিছে মোৰ চকু যোৰ থিৰেৰে বৈছিল গৈ তাৰ মুখখনতহে —মৰা মানুহৰ মুখৰ লেখিয়া শেঁতা ; এনেখন ঢেলঢেলীয়া বগা মুখ কাহানিও মই দেখা নাই। ভূতৰ আকৃতি কিজানি তেনেকুৱা। চকুৱে চকুৱে পৰিলত কিন্তু বুজিবলৈ টান নাপালোঁ যে সেইযোৰ জীয়া মানুহৰ চকুহে। তালৈ মই চাই থকা দেখি জাপ এটা মাৰি আঁতৰ হৈ আন্ধাৰত সি মিলি গ'ল।

'কিবা ভয়াবহ এটা দৃশ্য দেখিলোঁ যেন লাগিল, মিষ্টাৰ হ'ম্চ্। আন্ধাৰত জিলিকা পনিৰৰ লেখিয়া বগা ভূতৰ মুখখনৰ লেখিয়া মুখখনৰ কথাকে অকল মই ক'ব খোজা নাই, তাৰ উপৰিও মুখখনত কিবা যেন এক ধূৰ্তামিৰ ভাব প্ৰকাশিত হৈছিল—কিবা কথা লুকুৱাব খোজা, পলাবলৈ বিচৰা, বিবেকৰ ওচৰত জগৰীয়া যেন মনৰ ভাব। মই চিনি পোৱা গড্ক্ৰেটো আছিল ভংভঙীয়া এটা মানুহৰ লগৰ মানুহ ; এনে ভাব তাৰ মুখততো কোনো দিনা দেখা নাছিলোঁ। মোৰ মনত কিবা এটা আতঙ্ক উপজিল।

'কিন্তু মিষ্টাৰ হ'ম্চ্, মই হলোঁ বুৰৰইতৰ লগত দুই এবছৰ যুঁজ দি অহা মানুহ ; সতকাই ঘাবড়াই যোৱা বিধৰ মানুহ মই নহওঁ। গড্ক্ৰে অন্তৰ্ধান হ'বলৈ পোৱা মাত্ৰকে ময়ো খিড়িকীৰ কাষ পালোঁগৈ। শলখাডাল টান আছিল ; সেইডাল টনা আঁজোৰা কৰোঁতে অলপ সময় লাগিল। তাৰ পাছত খিড়িকীয়েদি বাজলৈ ওলাই সি যিফালেদি যোৱা বুলি অনুমান হ'ল সেই ফাললৈ বিস্বপৰদে লৰ ধৰিলোঁ।

'বাটটো আছিল দীঘলীয়া ; জোনৰ পোহৰো ভালকৈ তাত পৰা নাছিল, তথাপি মোৰ আগে আগে কিবা এটা ল'ৰি যোৱা যেন লাগিল। অলপ বাট যোৱাৰ পিছত দেখিলোঁ বাটটোৰ পৰা ফাটি কেইবাটাও বাট বেলেগ বেলেগ বাহিৰা ঘৰৰ পিনলৈ গৈছে। কোনটো বাটনো ধৰোঁ বুলি অকণমান পৰ ভবা-গুণা কৰোঁতে দুৱাৰ এখন জাপ খোৱাৰ শব্দ মোৰ কাণত পৰিল—পিছত পোনাই অহা বাই ঘৰৰ দুৱাৰ

নহয় ; মোৰ সমুখৰ পিনে থকা কোনোবা এটা ঘৰৰ দুৱাৰহে ; পিছে সেইফালে তেনেই আন্ধাৰ। বুজিবলৈ মোৰ বাকী নাথাকিল, মিষ্টাৰ হ'মচ্‌, যে মই ভূত দেখা নাছিলোঁ ; গড্‌ফ্ৰেয়েহে মোৰ আগে আগে ল'ৰি গৈ কোনোবা এটা ঘৰৰ দুৱাৰখন জপাইছিল। সেই সম্বন্ধে মই নিঃসন্দেহ হলোঁ।

'তাৰ পাছত কৰিব পৰা কাম আৰু একো মই বিচাৰি নাপালোঁ। গোটেই নিশাটো ৰহস্যৰ উত্তৰাদিহ বিচাৰি ভাবিগুণি উজাগৰে কটালোঁ। পাছ দিনা কৰ্ণেল মোৰ প্ৰতি অলপ সদয় হোৱা যেন লাগিল। সেই ঠাইৰ আশেপাশে চাবলগীয়া কেতবোৰ বস্তু আছে বুলি ঘৈনীয়েকে ক'লত সুবিধা পাই মই সুধিলোঁ আৰু এৰাতি মই তাত থাকিলে তেখেতসকলৰ কিবা অসুবিধা হ'ব নে কি। ঠেৰো-গেৰো কৰি অনিচ্ছাৰ ভাব দেখুৱাই জানিবা বুঢ়া মান্তি হ'ল। দিন পালে ক্ষেণ পোৱা যায়। তাত মোৰ তদন্ত চলাবলৈ অন্ততঃ আৰু এটা দিনৰ সময় পালোঁ। গড্‌ফ্ৰে যে ঘাই ঘৰৰ ওচৰতে কোনোবা এটা ঘৰত লুকাই আছে সেই কথা খাটাং বুলি ধৰি লৈ, কিন্তু ক'ত আছে, কিয় লুকাইছে সেই কথাৰ মীমাংসা কৰিব লাগিব বুলি মই থিৰ কৰিলোঁ।

'ঘৰটো আছিল ইমান ডাঙৰ আৰু অকোৱা-পকোৱা যে সম্পূৰ্ণ পল্টন এটাকো তাত লুকুৱাই ৰাখিলে বিচাৰি উলিওৱা টান হ'ব। কিন্তু যিটো ঘৰৰ দুৱাৰ জাপ খোৱাৰ শব্দ মোৰ কাণত পৰিছিল সেইটো আছিল বাহিৰা ঘৰ। বাগিচাখনৰ ইমূৰৰপৰা সিমূৰলৈকে ঘূৰিপাক কি আৱিষ্কাৰ কৰিব পাৰি চাবৰ মন কৰিলোঁ। সেই কামত মোক কোনেও হকাবধা কৰাৰ সম্ভাৱনা নাছিল। বুঢ়া-বুঢ়ী নিজৰ কাম লৈ ব্যস্ত হৈ থাকে।

'হাউলিত সকলুৱা বাহিৰা ঘৰ ভালেমান আছিল। বাগিচাখনৰ এমূৰে অকলশৰীয়াকৈ এটা অলপ ডাঙৰ ঘৰ আছিল—হাউলি চোৱা-মেলা কৰা তত্ত্বাৱধানকাৰীৰ বাবে উপযোগী বুজন পৰিমাণ আয়তনৰ

ঘৰ। ভাবিলোঁ এইটো ঘৰৰপৰাই দুৱাৰখন জাপ খোৱাৰ শব্দটো মোৰ কাণত পৰিছিলহি নে কি। এনেয়ে ইফাল সিফাল কৰি ফুৰি ফুৰাৰ ভাৱ দেখুৱাই মই ঘৰটোৰ কাষ চাপিলত, তাৰপৰা কঁটীয়া-মটীয়া, তজবজীয়া, দঢ়িয়া মানুহ এজন ওলাই আহিল। গাত আছিল তেওঁৰ এটা ক'লা কোটচোলা আৰু মূৰত এটা 'ব'লাৰ' টুপী। তেওঁৰ চেহেৰা আৰু সাজপাৰ বাগিচাৰ তত্বাৱধান লোৱা বা বাগিচাত কাম কৰা মানুহৰ চেহেৰা আৰু সাজপাৰৰ লেখিয়া নাছিল। দুৱাৰেদি ওলাই, দুৱাৰত তলা লগাই, চাবি মাৰি, চাবিটো তেওঁ জেপত সুমুওৱা দেখি মই অলপ আচৰিত হৈছিলোঁ। তাৰ পাছত মোত চকু পৰিলত তেওঁকো আচৰিত হোৱা যেন দেখিলোঁ।

'তেওঁ মোক সুধিলে: আপুনি ইয়াতে আছেহি নেকি?

'মই কলোঁ: হয়। মই গড্‌ফ্ৰেৰ বন্ধু, কিন্তু দুখৰ বিষয় যে মই অহাৰ সময়ত হে তেওঁ ভ্ৰমনত ওলাবলৈ পালে। মোক লগ পোৱা হ'লে নিশ্চয় তেওঁ ৰং পালেহেতেন।

তেওঁ ক'লে: "হয়, হয়, আপুনি খাঁটি কথাকে কৈছে", কিন্তু তেওঁৰ চকুমুখত দোষী মানুহৰ ভাব ফুটি ওলাল। খন্তেক বৈ তেওঁ আকৌ কলে: "প্ৰসস্ত সময়ত নিশ্চয় আপুনি আকৌ কিজানি ইয়ালৈ আহিব; নাহিব জানো?"

'সেই বুলি কৈ তেওঁ খোজ ল'লে, কিন্তু ঘূৰি চাই মই দেখিবলৈ পালোঁ যে গছ এজোপাৰ আঁৰত গা ঢাকি তেওঁ মোৰ পিনলৈ চাই আছে।

'মই কেউপিনৰপৰা ঘৰটো নিৰীক্ষণ কৰিলোঁ। খিড়িকীত আঠ কাপোৰৰ পৰ্দা আঁৰা আছিল; ভিতৰখন নেদেখি। তথাপি ঘৰটোত কোনো নথকা যেন অনুমান হ'ল। দঢ়িয়া মানুহজনে মোৰ ওপৰত চকু ৰখাৰ উমান পাই সৰহ পৰ তাত ঘূৰাঘূৰি কৰিবলৈকো ভয় লাগিল। জানোচা তাৰপৰা আঁতৰিবলৈকে মোক হুকুম দিয়ে। গতিকে

নিশা হ'বলৈ বাট চাব লাগিব বুলি থিৰ কৰি ঘাই ঘৰলৈ লাহে লাহে বাট বুলিলোঁ।

'নিশা আন্ধাৰ হ'লত আৰু সকলো শুলে বুলি গম পালত হাতত সাৰে ভৰিত সাৰে খিড়িকীয়েদি বাজলৈ ওলাই সেই ৰহস্যজনক বাহিৰা ঘৰটোৰ পিনলৈ খোজ ললোঁ। খিড়িকীত ডাঠ পৰ্দা অঁৰা আছিল বুলি আগতে কৈছোঁ; এতিয়া দেখিলোঁ খিড়িকীবিলাক জপোৱা আছে। যেই হওক এখন খিড়িকীৰ সৰুভাইদি বাজত অলপ পোহৰ পৰিছিল। মোৰ কপাল ভাল আছিল— কাষলৈ গৈ দেখিলোঁ সেইখন খিড়িকীৰ পৰ্দা দুখনৰ মাজত ফাঁক এটা আছিল; সেই পিনেদি ঘৰৰ ভিতৰখন ভালকৈ দেখিবলৈ পোৱা যায়। জুমি চাই দেখিলোঁ চাকি এটাই কোঠাটো পোহৰ কৈ থৈছে, আৰু চিমনিত গমগমীয়া জুই একুৰা জ্বলি আছে। তাৰ কাষতে ৰাতিপুৱা দেখা দড়িয়া মানুহজন খিড়িকীৰ পিনে মুকৈ বহি আছে। তেওঁৰ মুখত এটি পাইপ আৰু হাতত এখন বাতৰি কাকত আছিল। তাতে তেওঁ চকু ফুৰাইছিল।'

মই সুধিলোঁ: কি বাতৰি-কাকত ক'ব পাৰেনে?
প্ৰশ্নটো শুনি মোৰ মক্কেল বিৰক্ত হ'ল; সুধিলে: কি বাতৰি-কাকত সেইটো কথা জনাৰ কিবা আৱশ্যক আছে নেকি?

মই কলোঁ: খুব আছে।

— জানো, কি বাতৰি-কাকত মন কৰিবলৈ ন'হ'ল।

— আহল-বহল পাতৰ দৈনিক বাতৰি-কাকত নে সৰু আকাৰৰ সাপ্তাহিক?

— এৰা আপুনি এতিয়া ক'লত হে মনত পৰিছে, বাতৰি কাকতখন সৰু আকাৰৰ আছিল; বোধকৰোঁ The Spectator। যেই হওক তেনেবোৰ সৰুসুৰা কথালৈ মন দিয়াৰ সময় মোৰ নাছিল, কাৰণ দেখিবলৈ পালোঁ খিড়িকীৰ পিনলৈ পিঠি দি কোঠাটোত আন

এজন মানুহো বহি আছে। কোন ক'ব পাৰেনে? গড্‌ফ্ৰে। তাৰ মুখখন যদিও তেতিয়া দেখা নাছিলোঁ, তাৰ গলধন আৰু কান্ধ দুখন দেখি গড্‌ফ্ৰে বুলি বুজিবলৈ মোৰ সময় পৰ লগা নাছিল। জুইৰ ফালে মুকৈ বাউসিত মুখ খন থৈ সি বৰ বেজাৰ মনেৰে বহি থকা যেন লাগিল। কি কৰা উচিত হ'ব ন'হব ভাবি চিন্তি অকণমান পৰ হে আছোঁ এনেতে মোৰ কান্ধত কোনোবাই আহি খুন্দা এটা মাৰিলেহি। ঘূৰি চাই দেখোঁ কৰ্ণেল এম্‌চ্‌ৱৰ্থ।

'তেওঁ লাহেকৈ ক'লে: এই পিনে আহক ডাঙৰীয়া।

'তেওঁৰ পিছে পিছে গৈ ঘাই ঘৰটো পালোঁগৈ। চ'ৰা ঘৰৰ টেবুলৰপৰা টাইম্‌ টেবুল এখন বুটলি লৈ তেওঁ মোৰ শোৱনি কোঠাৰ পিনলৈ চোঁচা ল'লে; ময়ো তেওঁৰ পিছে পিছে গলোঁ।

'কোঠাটোত সোমাই টাইম-টেবুলখন চাই তেওঁ ক'লে: কাইলৈ পুৱা চাৰে আঠ বজাত লণ্ডনলৈ যোৱা এখন ৰেল আছে; আঠ বজাত বাগী আপোনাৰ বাবে মজুত থাকিব।

'খঙত তেওঁৰ চকুৰেদি জুই আওনি ওলাইছিল। মোৰ অৱস্থাটো তেতিয়া কেনে ধৰণৰ হৈছিল ন'কলেও বুজিব। গড্‌ফ্ৰেক মই বৰ ভালপাওঁ গুণেহে তেনে কাম কৰিছিলোঁ বুলি খোনাই খোনাই দু-আষাৰমান কথা কৈ নিজৰ দোষ ঢাকি ক্ষমা-প্ৰাৰ্থনা কৰাৰ চেষ্টা এটা দিলোঁ। তেওঁ ডাবি মাৰি উত্তৰ দিলে: সেইবিলাক কথা মই শুনিব খোজা নাই। অতি অসভ্যৰ দৰে তুমি আহি আমাৰ ঘৰুৱা কথাত সোমাবলৈ চেষ্টা দিছাহি। তোমাক আলহী হিচাপে ইয়াত আমি থাকিবলৈ দিছিলোঁ, কিন্তু তুমি দেখিছোঁ চোৰাংচোৱাগিৰি কৰিবলৈহে ইয়ালৈ আহিছিলা। মোৰ আপোনাক ক'বলগীয়া আৰু একো নাই, ডাঙৰীয়া; আপোনাৰ মুখখনি ভৱিষ্যতত আৰু কাহানিও দেখিবলৈ নাপালে কৃতাৰ্থ হ'ম।

'এই বাৰ মোৰ খং উঠিল, মিষ্টাৰ হ'মচ; ময়ো টানি কলোঁ: আপোনাৰ ল'ৰা গড্‌ফ্রেক মই দেখিছোঁ; আপোনাৰ কিবা ব্যক্তিগত আখেজত আপুনি তাক লুকুৱাই আটক কৰি থৈছে। আপোনাৰ মতলব কি ক'ব নোৱাৰোঁ, কিন্তু গড্‌ফ্রে যে বৰ্তমান এজন ফাটকিয়াল সেই কথা বুজিবলৈ মোৰ বাকী নাই। মই আপোনাক সঁকীয়নি দিছোঁ, কৰ্ণেল এমচ্‌ৱৰ্থ, গড্‌ফ্রেৰ নিৰাপত্তা সম্বন্ধে আপুনি যদি মোক সন্তুষ্ট কৰিব নোৱাৰে, এই ৰহস্যৰ পুং খেদাৰ চেষ্টা ময়ো নেৰিছোঁ। আপুনি মোক ভয় দেখুৱাবলৈ চেষ্টা নকৰিব।

'মোৰ কথা শুনি বুঢ়াই ভীষণ মূৰ্ত্তি ধৰিলে; ভাবিলোঁ এইবাৰ কিজানি হাতকে চলাব। আগতে আপোনাক কৈছোঁৱেই নহয় মানুহটো প্ৰকাণ্ড, দৈত্যাকাৰ বুলি। ময়ো হওঁতে নিশকতীয়া পৰিমৰা বিধৰ মানুহ নহওঁ। তথাপি সেই দৈত্যটোৰ লগত যুঁজা মোৰ পক্ষে টান হ'লহেতেন। যেই হওক, খাওঁ খাওঁ মূৰ্ত্তি ধৰি মোলৈ কিছুপৰ চাই থাকি তেওঁ দেখোন দপদপাই কোঠাটোৰ পৰা ওলাই গুচি গ'ল। পাছ দিনা পুৱা চাৰে আঠ বজাৰ ৰেলত মই গুচি আহিলোঁ, আৰু আহিয়েই আপোনাক লগ ধৰিবলৈ অনুমতি বিচাৰি আপোনালৈ চিঠিখন দিলোঁ।'

খন্তেক টলকি মই সুধিলোঁ: কৰ্ণেলৰ ঘৰত চাকৰ বাকৰ কিমান আছে?

—ৰাফ্ বোলা বাট্‌লাৰ আৰু তাৰ ঘৈণীয়েকত বাজে আন চাকৰ-বাকৰ মোৰ চকুত পৰা নাছিল। কৰ্ণেল আৰু তেওঁৰ পৰিবাৰে তেনেই সাধাৰণ জীৱনহে যাপন কৰে।

—সেই বাহিৰা ঘৰটোত তেনেহলে চাকৰ এটাও নাই।

—নাই। অৱশ্যে সেই দড়িয়া মানুহটোৱেই ভাত চাকৰৰ কাম চলায় নে কি ক'ব নোৱাৰিলোঁ। তেওঁৰ চেহেৰা পাতি,

সাজ-পোছাক দেখি পিছে তেওঁক চাকৰৰ শ্ৰেণীৰ লোক যেন মুঠেই লগা নাছিল।

—সেইটো এটা মন কৰিবলগীয়া কথা। যাই ঘৰবপৰা সেই ঘৰটোলৈ কোনোবাই খোৱা বস্তু লৈ যোৱা দেখিছিল নে?

—আপুনি ক'লতহে মনত পৰিছে, পেটাৰি এটা হাতত লৈ ৰাফক সেই ঘৰটোৰ পিনলৈকে যোৱা এবাৰ দেখিছিলোঁ। তালৈকে গৈছিল নেকি ক'ব নোৱাৰিলোঁ।

— আপুনি স্থানীয় তদন্ত কিবা কৰিছিল নে?

— কৰিছিলোঁ। ষ্টেশন মাষ্টৰৰ সৈতে আৰু ষ্টেশনৰ কাষৰ হোটেল এটাৰ মালিকৰ সৈতেও কথা পাতিছিলোঁ। মই মাথোন তেওঁলোকক সুধিছিলোঁ, মোৰ বন্ধু গড্‌ফ্ৰে সম্বন্ধে তেওঁলোকে কিবা জানে নেকি? দুয়ো ক'লে যে গড্‌ফ্ৰে সাগৰেৰে ফুৰিবলৈ গৈছে। বুদ্ধৰপৰা ঘুৰি আহিয়েই বোলে তেওঁ যাত্ৰা কৰিছিল। বুজা গ'ল সেই কথাকে সেই অঞ্চলত সকলোৱে বিশ্বাস কৰে

— আপোনাৰ সন্দেহ সম্বন্ধে আপুনি তেওঁলোক দুজনক একো কোৱা নাছিলতো?

— নাই কোৱা।

— বেছ্। নিশ্চয় ঘটনাৰ তদন্ত চলাব লাগিব। আপোনাক লগত লৈ মই টাক্স্‌বেৰি অ'ল্ড পাৰ্কলৈ যাম।

সেই সময়ত মোৰ হাতত আন ভালেমান কাম আছিল; সেই দেখি তাৰ পাছৰ সপ্তাহতহে এইটো কাম মই হাতত ল'ব পৰা হৈছিলোঁ। মিষ্টাৰ জেইম্‌চ্ ডডক লগত লৈ বেড্‌ফৰ্ড শ্বায়াৰলৈ যাবলৈ ইউচ্‌টন্ ৰেলষ্টেশনলৈ যাত্ৰা কৰোঁতে, বাটত গোথোৰামুৱা, গহীন-গম্ভীৰ, বয়সিয়াল পুৰুষ এজনক বাগীত তুলি ললোঁ; আগতে তেওঁৰ লগত সেই বন্দবস্ত কৰি থৈছিলোঁ। ডডক ক'লো: এওঁ এজন

মোৰ পুৰণা বন্ধু। বৰ্ণেলৰ বাস-ভৱনত এওঁৰ সহায়ৰ আৱশ্যক হ'ব পাৰে, ন'হ'বও পাৰে। তাতকৈ সৰহ কথা এতিয়াই আপুনি জনাৰ দৰ্কাৰ নাই।

মোৰ কথা শুনি ডডক অলপ আচৰিত হোৱা যেন দেখিলোঁ। যেই হওক তেওঁ আৰু একো নামাতিলে। ৰেলত উঠি আমি তিনিও-জন নিতাল মাৰি বহি থাকিলোঁ। বাটত আমাৰ লগৰ মানুহজনে শুনাকৈ ডডক মাথোন এটি প্ৰশ্ন মই কৰিছিলোঁ; সুধিছিলোঁ: আপুনি কোৱা মতে আপোনাৰ বন্ধুৰ মুখখন খিড়িকীত আপুনি পৰিষ্কাৰ দেখিবলৈ পাইছিল, কিন্তু সেই মুখখন যে প্ৰকৃততে আপোনাৰ বন্ধুৰ মুখেই আছিল, সেই সম্বন্ধে আপুনি নিঃসন্দেহ নে?

— সম্পূৰ্ণ নিঃসন্দেহ। নাকটো খিড়িকীৰ আইনাত হেঁচা মাৰি সি থিয় দি আছিল। চাকিৰ উজ্জ্বল পোহৰ তাৰ মুখত পৰিছিল।

— দেখিবলৈ গড্‌ফ্ৰেৰ লেখিয়া আন মানুহৰ মুখ নহয়তো?

— কেতিয়াও নহয়, মিষ্টাৰ হ'মচ্; সেইখন গড্‌ফ্ৰেইৰেহে মুখ আছিল বুলি মই নিঃসঙ্কোচে ক'ব পাৰোঁ।

— কিন্তু আপুনি কোৱা মতে তেওঁৰ চেহেৰা বদলি গৈছিল।

— ৰবণটো বদলিছিল। মুখখন কেনে ঢেলঢেলীয়া বগা হৈছিল, আপোনাক কেনেকৈনো বুজাওঁ— মাছৰ তলপেটৰ লেখিয়া বগা বুলিব পাৰি।

— গোটেই মুখখনৰ ৰবণটো তেনে হৈছিল নে?

— বোধকৰোঁ নহয়; তাৰ কপালখনতহে বিশেষকৈ মোৰ চকু পৰিছিল।

— আপুনি তেওঁক মাত নিদিলে কিয়?

— মই ইমান চক খাইছিলোঁ যে মোৰ মুখৰ মাতেই হৰিল। সম্বিত ঘূৰাই পাই তাৰ পিছে পিছে খেদি যোৱাৰ কথাতো আপোনাক কৈছোৱেই। লগ ধৰিবগৈ নোৱাৰিলোঁ, কি কৰিম?'

মোৰ তদন্তৰ ইতিমধ্যে মই প্ৰায় সামৰণি মাৰি আনিছিলোঁ ; আৰু এটি কথাৰ পুং যেদি উলিয়াব পাৰিলেই কাম সম্পূৰ্ণ হয়। ৰেল ষ্টেশনৰপৰা নামি ভালেখিনি বাট বাগীৰে গৈ ডড্চে আগতে বৰ্ণোৱা বিৰাট ঘৰটো আমি পালোঁগৈ। সোতোৰা-সুতুৰি মুখীয়া ৰাফ্ নামেৰে

বুঢ়া বাট্‌লাৰটোৱে দুৱাৰ খুলি দিলেহি। বাগীখন গোটেই দিনটোৰ বাবে মই কেৰেয়া কৰি লৈছিলোঁ। বয়সিয়াল লগৰীয়াজনক আমি নমতালৈকে বাগীতে বহি থাকিবলৈ ক'লোঁ। বাট্‌লাৰইতে পিন্ধা পোছাককে ৰাফেও পিন্ধি আছিল— এটা ক'লা কোটচোলা আৰু বগা-ক'লা গাঁৰয়লী পট্‌লুং। হাতত যি এযোৰ চামৰাৰ মুগা বৰণীয়া হাতমোজা পিন্ধি আছিল। আমাক দেখি লৰালৰি কৈ হাত মোজাজোৰ খুলি সি কাষৰ টেবুল এখনত থ'লে। বাটচনৰ মুখে পাঠকে গম পাইছেই যে মোৰ ঘ্ৰাণশক্তি প্ৰখৰ ; কিবা এটা ফুৰফুৰীয়া গোন্ধ মোৰ নাকত লাগিলহি। গোন্ধটো টেবুলখনৰেপৰা অহা যেন পালোঁ। মোৰ টুপীটো টেবুলখনত থৈ চকুৰ পচাৰতে, আনে মন কৰিব নোৱাৰাকৈ ঠেলা এটা মাৰি মজিয়ালৈ পেলাই দি, সেইটোকে বোটলাৰ চলেৰে নাকটো টেবুলখনৰ কাষলৈ নি পোৱালত বুজিলোঁ মোৰ ভুল

হোৱা নাছিল ; গোন্ধটো টেবুলখনৰ পৰাই ওলাইছিল। মোৰ তদন্ত তাতে সম্পূৰ্ণ হ'ল। তাৰ পাছত ৰাফক অনুসৰণ কৰি আমি কৰ্ণেলৰ পঢ়া-শুনা কৰা খোঁটালীটোলৈ গলোঁ।

কৰ্ণেল এমৃচ্‌ৱৰ্থ কোঠাত তেতিয়া নাছিল, কিন্তু ৰাফে গৈ খবৰ দিলত বাৰান্দাত তেওঁৰ গেমেহা-গেমেহ খোজৰ শব্দ শুনিবলৈ পালোঁ। ঢাউম কৰে দুৱাৰখন খুলি কদ্ৰৰূপ ধৰি তেওঁ কোঠাটোত সোমালহি। মস্ত একোছা মোছ আৰু সৰু একোছা দাড়িৰে এনে ভয় লগা চেহেৰা ময়ো কিজানি আগতে দেখা নাছিলোঁ। আমি পঠোৱা ভিজিটিং কাৰ্ড দুখন তেওঁৰ হাতত আছিল। কাৰ্ড দুখন ফালি টুকুৰাটুকুৰ কৰি মজিয়ালৈ দলিয়াই ভৰিৰে তাক গৰকি জেইমৃচ্‌ ডড্‌লৈ চাই চকু পকাই তেওঁ ক'লে: এই, নলগা জেঙাত লাগি ফুৰা বান্দৰ, ইয়ালৈ আহিবলৈ তোক মই মনা কৰা নাছিলোঁনে? আকৌ তোৰ মুখ দেখুৱাবলৈ আহিছ? ইমান তোৰ সাহ। পুনৰ যদি কোনোবা দিনা তই ইয়াত ভৰি দিয়হি, তোক পিটিম তো পিটিমেই, লাগিলে গুলি কৰিম। হয় ডাঙৰীয়া, গুলি কৰিম।

তাৰ পাছত মোলৈ চাই ক'লে: আৰু আপুনি ডাঙৰীয়া, আপোনাকো সেই সঁকীয়নিকে দিলোঁ। আপোনাৰ পেচা কি মই নজনা নহওঁ আপোনাৰ বুদ্ধিবৃত্তি আন ঠাইত খটুৱাওক গৈ; ইয়াত খটুৱাবলৈ আহিব নালাগে।

মোৰ মক্কেলে তেতিয়া টান মাতেৰে উত্তৰ দিলে: গড্‌ফ্ৰেক বলেৰে ইয়াত আটক কৰি থোৱা নাই বুলি গড্‌ফ্ৰেৰ মুখে শুনিলেহে মই ইয়াৰপৰা আঁতৰিম।

কৰ্ণেলে তৎক্ষণাৎ বে'লটো টিপিলে। ৰাফ্‌ আহি উপস্থিত হ'লত ক'লে: ৰাফ্‌, থানালৈ টেলিফ'ন কৰি দুটা চিপাহী লগত লৈ তুৰন্তে ইন্‌স্‌পেকটৰক ইয়ালৈ আহিবলৈ কোৱাঁগৈ। দুটা চোৰ আহি ইয়াত সোমাইছেহি বুলি ক'বাঁ।

এখন্তক ৰ'বচোন বুলি কৰ্ণেলক কৈ মই ডড্‌ক কলোঁ: মিষ্টাৰ ডড্‌, বিনা অনুমতিৰে কৰ্ণেলৰ ঘৰত আহি সোমোৱাৰ অধিকাৰ আমাৰ নাই, সেই কথা সঁচা, কিন্তু এটা কথা কৰ্ণেলে গমি চোৱা উচিত যে তেওঁৰ লৰাক আপুনি বৰ ভাল পায় গুণেহে আমি এই কাম কৰিবলগীয়াত পৰিছোঁ। যদি কৰ্ণেলৰ লগত অকলে কথা হ'বলৈ আপুনি পাঁচ মিনিট সময় দিয়ে, মোৰ বিশ্বাস মই তেখেতৰ মন ঘূৰাব পাৰিম।

দমদমাই উঠি কৰ্ণেলে ক'লে: ইমান সহজে মত সলনি কৰা বিধৰ মানুহ মই নহওঁ। ৰাফ্‌, মই যি কাম কৰিবৰলৈ কছোঁ নকৰৈগে কিয়? মুখখন মেলি কি চাই আছ? যা বেগেতে, পুলিচক টেলিফ'ন কৰগৈ।

ছুৱাৰখন ঘপকৰে জপাই তাত পিঠি দি বাট ভেঁটি মই ক'লোঁ: তেনে কাম নচলিব। পুলিচক ইয়াৰ মাজত সোমাবলৈ দিলে আপুনি যিহলৈ ভয় কৰিছে, কৰ্ণেল এম্‌চ্‌ৱৰ্থ, ঠিক সেয়ে হ'ব।

জেপৰপৰা নোটবহীটো উলিয়াই পাত এখিলা ফালি তাত এটা মাথোন শব্দ লিখি পাতখিলা কৰ্ণেলৰ হাতত দি মই কলোঁ: সেই কাৰণতে আমি ইয়ালৈ আহিছো, কৰ্ণেল এম্‌চ্‌ৱৰ্থ।

কাগজ ডুখৰিলৈ চাই কৰ্ণেলৰ চেহেৰা বদলি গ'ল; তেওঁ তেনেই অবাক হ'ল। চকী এখনত ঘপ্‌ কৰে বহি পৰি, শেহাই-ফোপাই হ'ম্‌চক সুধিলে: আপুনি কেনেকৈ জানিলে?

—এনে বিলাক কথাৰ খোৰ উলিওৱাই মোৰ ব্যৱসায়।

নিজৰ দাড়ি কোছাত আঁজুৰি আঁজুৰি ভালেমান পৰ কৰ্ণেল এম্‌চ্‌ৱৰ্থ চিন্তাত মগ্ন হৈ থাকি, হতাশাৰ সুৰত ক'লে: গড্‌ফ্ৰেক আপোনালোকে লগ ধৰিব খুজিছে; লগ পাব বাক, পিছে নিজ ইচ্ছাৰে এই কাম মই কেতিয়াও নকৰিলোঁহেতেন; কৰিবলৈ আপোনালোকে

মোক বাধ্য কৰিলে। বাৰু, মিষ্টাৰ গড্‌ফ্ৰে আৰু মিষ্টাৰ কেণ্টক খবৰ দিয়া গৈ, পাঁচ মিনিটতে আমি তালৈ আহিব লাগিছোঁ।

পাঁচ মিনিটৰ পিছত বাগিছাৰ মাজেদি যোৱা বাটটোৰেদি গৈ আমি সেই ৰহস্যময় ঘৰটোত উপস্থিত হলোঁগৈ। দুৱাৰ মুখত দড়িয়া মানুহ এজন থিয় দি আছিল। আচৰিত হোৱাৰ ভাব তেওঁৰ মুখত ফুটি ওলাইছিল। তেওঁ কৰ্ণেলক সুধিলে: হঠাতে কি হ'ল? আমাৰ আঁচনি ওলট-পালট হৈ যাব যেন হে দেখিছোঁ।

কৰ্ণেলে ক'লে: উপায় নাই, মিষ্টাৰ কেণ্ট্। গড্‌ফ্ৰেই আমাক লগ পাব পাৰিবনে?

— পাৰিব; তেওঁ ভিতৰত বাট চাই আছে।

তেওঁৰ পিছে পিছে আমি এটা আহল-বহল খোঁটালীত সোমালোঁ। তাৰ আচবাব-পত্ৰ সাধাৰণ বিধৰ আছিল। জুইৰ পিনলৈ পিঠি দি তাত ডেকা এজন থিয় দি আছিল। তেওঁক দেখা মাত্ৰকে সৌহাতখন আগ বঢ়াই দি মোৰ মক্কেল এক জাঁপে তেওঁৰ কাষলৈ গৈ ক'লে: গড্‌ফ্ৰে, তোমাক লগপাই যে কিমান ভাল লাগিছে, কি ক'ম।

কিন্তু সিজনে হাত দাঙি তেওঁৰ কাষ নাচাপিবলৈ ডডক ঠাৰ দি ক'লে: মোক নুছুবা, জিমি। আঁতৰত থোৱা। আচৰিত হৈ মোলৈ চাইছা; চাই থাকা। 'বি' পল্টনৰ তেজৰজীয়া লান্স্ কৰ্পৰেল এম্‌চ্‌ৱৰ্থ হৈ এতিয়া আৰু মই নাই; নহয়নে বাৰু?

তেওঁৰ চেহেৰাটো সঁচাকৈয়ে অতি অদ্ভুত যেন লাগিল। তেওঁৰ মুখৰ গঢ়টোলৈ চাই ধৰিব পাৰি যে তেওঁ ধুনীয়া ডেকা আছিল। গাৰ ছাল দক্ষিণ আফ্ৰিকাৰ ৰ'দে পুৰি তাম ৰৰণীয়া কৰিছিল, আৰু তাম ৰৰণীয়া মুখখনত খলপা-খলপে একো একো ডোখৰ অদ্ভুত ধৰণৰ বগা দাগ পৰিছিল।

তেওঁ ক'লে: সেই কাৰণতে মই কাকো লগ পাব নোখোজোঁ।

অৱশ্যে তোমাক লগ পাই ভাল ভাল লাগিছে, জিমি, কিন্তু তোমাৰ বন্ধুজনক লগত ননা হ'লেই ভাল আছিল। অনাৰ কিবা কাৰণ থাকিব পায়।

—তুমি যে কোনো ডাঙৰ বিপদত পৰা নাই, সেই সম্বন্ধে মই নিশ্চিন্ত হ'ব খুজিছিলোঁ, গড্‌ফ্ৰে। সেই দিনা খিড়িকীয়েদি তুমি মোৰ কোঠাৰ ভিতৰলৈ চাওঁতে মই তোমাক দেখিবলৈ পাইছিলোঁ, আৰু সেই মুহূৰ্তৰেপৰা ৰহস্যৰ ভেদ নভঙাকৈ নেৰোঁ বুলি মই মনে মনে থিৰ কৰিছিলোঁ।

—তুমি ইয়াত আহি থকাৰ বাতৰি ৰাফে মোক দিলত, তোমাক এবাৰ নোচোৱাকৈ মই থাকিব নোৱৰা হলোঁ। তুমি মোক নেদেখাকৈ, মনে মনে এবাৰ তোমাক চাই আহিবলৈ গৈছিলোঁ। খিড়িকীখন খোলাৰ শব্দ শুনা মাত্ৰকে মোৰ এই চোঙলৈ চাপলি মেলিছিলোঁ।

—কিন্তু কি নো হৈছে, ঈশ্বৰৰ দোহাই দিছোঁ, খুলি কোৱাঁচোন।

'চিগাৰেট এটা জ্বলাই লৈ গডফ্ৰেই কলে ; সেইটো দীঘলীয়া কাহিনী নহয়। প্ৰিটৰিয়াৰ বাহিৰে, ইষ্টাৰ্ণ ৰেল লাইনত বুফেলস্প্ৰ ইটত লগা যুদ্ধৰ সেই ৰাতিপুৱাটোৰ কথা তোমাৰ মনত থাকিব পায়। মই সেই যুদ্ধত আহত হৈছিলোঁ বুলি তুমি শুনা নাছিলা জানো ?

—শুনিছিলোঁ, কিন্তু বিতং বাতৰি পোৱা নাছিলোঁ।

—আমি তিনিজন বাকী সেনাৰ পৰা পৃথক হৈ পৰি অকলশৰীয়া হৈছিলোঁ—চিম্প্‌চন (যাক আমি তপা চিম্প্‌চন বুলি মাতিছিলোঁ), এণ্ডাৰচন আৰু মই। এজন বুৱৰে আমাৰ তিনিউজনকে বগৰালে। আন দুজন থিতাতে মৰিল। মোৰ কাষেদি গুলি এটা সৰকিল, তথাপি কেইবা মাইলো ঘোঁৰা চেকুৰাই তাৰ পাছত অজ্ঞান হৈ মাটিত পৰিলোঁ।

'জ্ঞান ঘেতিয়া ঘূৰাই পালোঁ তেতিয়া ৰাতি ভালেমান হোৱা ঘেৰ

পালোঁ। গাটো বৰ দুৰ্বল লাগিল, তথাপি কোনোমতে উঁঠি বহি দেখিলোঁ নিচেই কাষতে এটা ঘৰ—কেইবাখনো খিড়িকী আৰু বহল এটা খটখটীৰে বেছ ডাঙৰ ঘৰ। বাহিৰত হাড়লৈকে কঁপোৱা উগ্ৰ জাৰ। ভাবিলোঁ নিজৰ শৰীৰটোক টানিটুনি কোনোমতে ঘৰটো নি পোৱাব নোৱাৰিলে নিৰ্ঘাত ঠেৰেঙা লাগি মৰিম। কোনো প্ৰকাৰে থিয়দি এখোজ দুখোজকৈ আগ বাঢ়িলোঁ। সম্পূৰ্ণ জ্ঞান তেতিয়াও পোৱা নাছিলোঁ; খটখটীয়েদি বগাই, খোলা দুৱাৰ এখনেদি আহল-বহল এটা কোঠাত গৈ সোমোৱা জনা-নজনাকৈহে মনত পৰে। কোঠাটোত ভালেমান খাটিয়া পৰা আছিল। তাৰে এখনত মই দীঘল দি পৰিলোঁ। খাটিয়াত অৱশ্যে বিছনা পৰা নাছিল, কিন্তু সেইবিলাক কথালৈ মন কৰিব পৰা অৱস্থা তেতিয়া মোৰ নহয়। কম্বলটপ্ৰস কাষত যিহকে পালোঁ তাৰে গা-মূৰ মেৰিয়াই মই নিচালে টোপনি গলোঁ।

ৰাতিপুৱা সাৰ পাই কোঠাটোৰ পৰিবেশ দেখি ভাবিলোঁ মই কিবা ভয়াবহ সপোন দেখিছোঁ নে কি? মোৰ সমুখত এটা বাওনা থিয় দি আছে; এপাচিমান তাৰ মুৰটো; লেউসেউ তাৰ হাত দুখন জোকাৰি জোকাৰি খুব উত্তেজিত হৈ ওলন্দাজ ভাষাত বেবেৰিবাং কিবাবোৰ সি বলকি আছিল। তাৰ পাছফালে এজুম মানুহে থিয় দি ৰং চাইছিল। সিহঁতৰ পিনলৈ চাই মই ঠেৰেঙা লাগিলোঁ। সিহঁতৰ মাজত স্বাভাৱিক আকৃতিৰ মানুহ এটাও নাছিল। প্ৰত্যেকৰে নাকেই বা মুখেই ওফন্দি, নাইবা উৰলি গৈ বিকৃত হৈছিল। সিহঁতৰ খেল-খেলনি শুনি মোৰ গাৰ নোম জঁকিয়াই উঠিছিল

'সিহঁতৰ মাজত ইংৰাজী জনা মানুহ এটাও নাছিল; মোৰ অৱস্থাটো সিহঁতক বুজাওঁ কেনেকৈ? সিপিনে বাওনাটোৱে খং চৰি যাবলৈ ধৰিলে। বনৰীয়া জন্তুৰে মৰা দি কেতবোৰ কোবোহনি মাৰি তাৰ ভেঙুৰা-ভেঙুৰী হাত দুখনেৰে টানি মোক বিছনাখনৰপৰা

নমাই চোচৰাই নিবলৈ ধৰিলে। অসুৰটোৰ গাত বলো আছিল অসীম। মোৰ গাত-গুলি লগা ঠাইৰপৰা আকৌ তেজ ব'বলৈ ধৰিলে। সি মোৰ কি গতি কৰিলেহেতেন ক'ব নোৱাৰোঁ, কিন্তু তেনেতে— কোঠাটোত লগা হুলস্থূলখন শুনি হ'বলা—এজন বয়সিয়াল ভদ্ৰলোক তাত ওলালহি। ওলন্দাজ ভাষাত ডাবি দি তেওঁ বাওনাটোক কিবা ক'লত সি জানিবা কেঁচুটো যেন হৈ আঁতৰি গ'ল। তাৰ পাছত মোলৈ ঘূৰি চাই আচৰিত হৈ মোক তেওঁ সুধিলে: "তুমি ইয়াত ওলালাহি কেনেকৈ?" মই উত্তৰ দিবলৈ নৌ পাওঁতেই আকৌ কলে: "তুমি দেখিছো অতি ক্লান্ত হৈ পৰিছা; তোমাৰ গাৰ জখম হোৱা এই ঠাই ডোখৰৰ বেগেতে কিবা এটা ব্যৱস্থা কৰিব লাগিব। ভয় নাই, মই ডাক্তৰ; ফাটটো চিলাই কৰি দিব লাগিব। কিন্তু, ডেকা ল'ৰা, এটা কথা বুজি পাইছানে? ৰণস্থলীতকৈয়ো এইডোখৰ তোমাৰ কাৰণে বেছি বিপদজনক ঠাই। এইখন কুঠীয়াৰ হাস্পাতল, আৰু তুমি কুঠীয়া এটাৰ বিছনাতে শুইছিলা।"

'আৰু কিবা ক'ব লাগে জানো, জিমি? আগ দিনা যুদ্ধ লগাৰ আগতে এই কুঠীয়ামখাক স্থানান্তৰিত কৰি নিয়া হৈছিল। তাৰ পাছত ব্ৰিটিচ্ সেনা আগুৱাই আহিলত, তেওঁলোকৰ সেনাপতিৰ অনুমতি লৈ এই ডাক্তৰজনে কুঠীয়ামখাক আকৌ এই হাস্পাতললৈ আনিছিল। তেওঁ আছিল হাস্পাতলৰ মেডিকেল চুপাৰিনটেণ্ডেণ্ট্। তেওঁ মোক কলে: "কুষ্ঠৰোগে মোক সতকাই নাপায়; মই ইমিউন্, কিন্তু তুমি যিটো কাম কৰিলা, আনকি মোৰো তেনে কাম কৰিবলৈ সাহে নুকুলালেহেঁতেন।"

এটা কোঠাত অকলশৰীয়াকৈ ৰাখি এসপ্তাহ তেওঁ চিকিৎসা কৰাৰ পাছত মোক প্ৰিটৰিয়াৰ চৰ্কাৰী হাস্পাতললৈ পঠোৱা হ'ল।

'গতিকে এতিয়া বুজা মোৰ কি বিলৈ হ'ল। সেই ঘিণলগা ৰোগে মোক কিজানি নাপাব বুলিয়েই বুকুত আশা বান্ধি মই আফ্ৰিকাৰ

পৰা উলটিছিলোঁ, কিন্তু ঘৰ আহি পোৱাৰ পিছতে মোৰ মুখত এই চিনবোৰে দেখা দিলে। ৰোগৰ হাত সাৰিব নোৱাৰিলোঁ। তেনেহ'লে উপায় কি? কর্তৃপক্ষই গম পালে তো মোক নি কুঠীয়াৰ হাস্পাতলত নি সুমুৱাব। গোটেই জীৱন এজাক অচিনাকি কুঠীয়াৰ লগত কটোৱাৰ কথাটো ভাবিবলৈকে টান পালোঁ। গতিকে অকলশৰে এই ঘৰটোতে থাকিবলৈ ললোঁ। এখেত মিষ্টাৰ কেণ্ট এজন ডাক্তৰ; তেখেত মোৰ লগত থাকি গুপুতে মোক চিকিৎসা কৰিবলৈ মান্তি হ'ল। আমাৰ লগুৱাটো আৰু তাৰ ঘৈণীয়েক বিশ্বাসী লোক। সিহঁত দুটা, মোৰ আই বোপাই আৰু ডাক্তৰ কেণ্টৰ বাহিৰে মোৰ এই অৱস্থাৰ কথা কোনেও নাজানে। ওচৰ চুবুৰীয়া কোনোবাই কেনেবাকৈ গম পাব লাগিলে হুলস্থুল লগাব; পুলিচে টানি নি মোক কুঠীয়াৰ আশ্ৰমত সুমুৱাবগৈ। গতিকে, তোমাকো এই বিষয়ে একো জানিবলৈ দিয়াৰ উপায় নাছিল. জিমি। দেউতা নো কেনেকৈ তোমালোকৰ প্রতি সদয় হ'ল ক'ব নোৱাৰোঁ।'

কর্ণেল এমচ্‌ৱৰ্থে মোলৈ আঙুলিয়াই তেনেতে মাত দিলে: এই মানুহজনে মোক বাধ্য কৰালে। সেই বুলি কৈ মই মাথোন এটা শব্দ—কুষ্ঠ— লিখি দিয়া কাগজ টুকুৰা তেওঁ মেলি দেখুৱালে। তাৰ পাছত ক'লে: মই ভাবিলোঁ ইমানখিনিলৈকে তেওঁ গম পালেই যেতিয়া, বাকীখিনিও জানিবলৈ দিয়াহে নিৰাপদ হ'ব।

মই কলোঁ: বাকীখিনিও জানিবলৈ দি আপুনি সজ কামকে কৰিলে, কর্ণেল এমচ্‌ৱৰ্থ। তাৰপৰা আপোনাৰ লবাৰ মঙ্গল হ'ব পাৰে। এখেত, ডাক্তৰ কেণ্টে ৰোগীৰ চিকিৎসা কৰিছে, হয়নে? ডাক্তৰ কেণ্ট, সুধিব পাৰোঁনে আপুনি বিশেষজ্ঞ নে কি? এই ৰোগ গৰম দেশত হে হয়। এনে ৰোগৰ চিকিৎসা আগতে আপুনি কৰিছিল জানো?

"শিক্ষিত ডাক্তৰ এজনে যিখিনি জানে ময়ো সেইখিনি জানোঁ।

বুলিয়েই মোৰ বিশ্বাস আছে” বুলি ডাক্তৰ কেণ্টে অলপ টানকৈ উত্তৰ দিলে।

মই তেতিয়া কলোঁ: আপোনাৰ বিদ্যা বা জ্ঞানৰ মই সমালোচনা কৰিব খোজা নাই। নিশ্চয় আপুনি সুচিকিৎসক। সেই সম্বন্ধে মোৰ সন্দেহো নাই। কিন্তু এনে ৰোগ চিকিৎসা কৰোঁতে দ্বিতীয় এজন চিকিৎসকৰ মতামত ল'বলৈ আপুনি কিজানি আপত্তি ন'কৰিব। কথাটো জনাজনি হোৱাৰ ভয়তহে বোধকৰোঁ আপুনি আনৰ মতামত বিচৰা নাই; নহয় জানো?

কৰ্ণেল এমচ্‌ৱৰ্থে হয় বুলি মোৰ প্ৰশ্নৰ উত্তৰ দিলত মই আকৌ কলোঁ: সেই কথা আগতে ভাবিগুণিহে মোৰ লগত এজন বিশেষজ্ঞক মই লৈ আহিছিলোঁ। আপোনালোকে তেখেতক সম্পূৰ্ণৰূপে বিশ্বাস কৰিব পাৰে। তেওঁ মোৰ বন্ধু; গতিকে আপোনালোকৰো বন্ধু হিচাপেহে—বিশেষজ্ঞ হিচাপে নহয়—তেওঁ বিধান দিব। তেওঁৰ নাম চাৰ জেইম্‌চ্‌ চন্‌ডাৰ্চ্‌।

লৰ্ড ৰবাৰ্ট্‌চক লগ পোৱাৰ সুবিধা দিয়া হ'ব বুলি এজন লেফটেনাণ্টক কোৱা হ'লে তেওঁ যিমান উল্লসিত হ'লহেতেন, চন্‌ডাৰ্চৰ নাম শুনি তাতোকৈ উল্লসিত হৈ ডাক্তৰ কেণ্টে ক'লে: তেনে সুযোগ পালে মই গৰ্ব অনুভৱ কৰিম।

তেতিয়া মই কলোঁ: ভাল কথা; তেনেহলে চাৰ জেইম্‌চক মই ইয়ালৈ আহিবলৈ কওঁগৈ। তেখেত বাগীতে বহি আছে কৰ্ণেল এম্‌চ্‌ৱৰ্থ ব'লকচে.ন আপোনাৰ পঢ়া শুনা কৰা কোঠাটোতে বহি সকলোবোৰ কথা আপোনালোকক বুজাই মেলি কওঁ গৈ।

গড্‌ফ্ৰেৰ মাকো সেই-কোঠালৈ আহিল। মই ক'বলৈ ধৰিলোঁ: মিষ্টাৰ ডড্‌ৰ মুখে সকলো কথা শুনি মই ভাবিলোঁ, দেউতাকৰ হাউলিত দেউতাকৰ প্ৰাসাদতুল্য ঘৰত মাক-দেউতাকৰ লগত একেলগে নাথাকি লৰাটি আন এটা ঘৰত গৈ থকাৰ কি কি সম্ভাব্য কাৰণ

থাকিব পাৰে? তিনটা সম্ভাৱনাৰ কথা মোৰ মনত খেলালে: (১) হয়তো তেওঁ আইনৰ চকুত জগৰ লগা কিবা ডাঙৰ দোষণীয় কাম কৰি লুকাই থাকিবৰ চেষ্টা কৰিছে; (২) নাইবা হয়তো তেওঁ বলিয়া হৈছে; পগলা-ফাটকলৈ পঠাবলৈ বেয়া পাই দেউতাকে তেওঁক সেই ঘৰটোত আটক কৰি ৰাখিছে; (৩) নতুবা, কিবা সোঁচৰা বেয়া ৰোগে ধৰাৰ বাবে তেওঁক আত্মীয়াকৈ ৰাখিবলগীয়াত পৰিছে। তাৰ পাছত এটা এটাকৈ তিনিউটা সম্ভাৱনাৰ কথা ফঁহিয়াই চাবলৈ লাগিলোঁ: প্ৰথমটো সম্ভাৱনাৰ কথা প্ৰথমতে কোৱা যাওক: ফৌজদাৰী আদালতত বিচাৰ্য্য জগৰ লগাই এই অঞ্চলৰ পৰা কোনো পলোৱাৰ বাতৰি মই পোৱা নাছিলোঁ। যদি তেনে জগৰৰ কথা কোনেও তেতিয়ালৈকে গম পোৱা নাছিল, তেনেহ'লে গম পোৱালৈ বাট চাই দোষীয়ে ইয়াত লুকাবলৈ চেষ্টা কৰিব কিয়? বাপেক-মাকে তেওঁক লৰালৰিকৈ দূৰ দেশলৈ পঠাইহে দিব খুজিব। গতিকে এই সম্ভাৱনাটো মোৰ মনে চিতে নাখালে।

'এতিয়া দ্বিতীয় সম্ভাৱনাৰ কথালৈ অহা যাওক। এই সম্ভাৱনাৰ কথাটো-- অৰ্থাৎ লৰা যে বলিয়া হৈছে—পোনতে মোৰ মনত খাইছিল, বিশেষকৈ যেতিয়া জানিব পাৰিছিলোঁ যে এজন ৰখীয়াৰ তত্বাৱধানত তেওঁ আছে, আৰু ৰখীয়াজন ঘৰটোৰপৰা ওলাই গ'লে দুৱাৰত তলা লগাই চাবি মাৰি থৈ যায়। কিন্তু আকৌ ভাবিলোঁ যে বলিয়া হোৱা বাবে যদি তেওঁক আটক কৰি থোৱা হৈছে, তেনেহ'লে ৰাতি-বিয়লিখনত নো মুকলি হৈ তেওঁ ডড্‌চ্‌ থকা খোঁটালীৰ খিড়িকীয়েদি জুমিবলৈ যাবলৈ পালে কেনেকৈ? মিষ্টাৰ ডড্‌চ্‌, ডাক্তৰ কেণ্টে কেনে ধৰণৰ বাতৰি-কাকত এখন নো পঢ়ি আছিল বুলি আপোনাক মই পেখেনিয়াই সোধাৰ কথা আপোনাৰ মনত থাকিব পায়। তেওঁ **The Lancet** বা **The British Medical Journal** খন পঢ়ি থকা বুলি কোৱা হ'লে মোৰ কাম অলপ সহজ

হ'লহেতেন। কর্তৃপক্ষক জনাই, ৰখীয়াৰ তত্বাৱধানত পগলা মানুহ ঘৰত আটক কৰি থোৱাটো আইনৰ চকুত দোষণীয় কাম নহয় যেতিয়া, লুক-ঢাকখন কৰাৰ আৱশ্যকতা ক'ত ? নাই, এই সম্ভাৱনাটোও মোৰ মনে চিতে নাখালে।

'তাৰ পাছত ভাবিবলগীয়া হ'ল তৃতীয় সম্ভাৱনাটোৰ কথা। মোৰ থিয়ৰিৰ লগত এইটো সম্ভাৱনা খাজেখোপে খাই পৰিল। দক্ষিণ আফ্রিকাত কুষ্ঠ ৰোগৰ প্ৰকোপ সৰহ। কেনেবাকৈ ডেকা-ল'ৰাটিয়ে' সেই সংক্রামক ৰোগটি গালৈ অনা অসম্ভব নহয়। যদি সেই ৰোগে ডেকাক পাইছে, তেতিয়াহ'লে বাপেক-মাক স্বাভাৱিকতে এক ভীষণ সমস্যাৰ সমুখীন হৈছে। কথাটো জনাজনি হ'লে কর্তৃপক্ষই তেওঁক নি কুষ্ঠাশ্ৰমত সুমুৱাব গৈ। জোখাৰে বানচ দিব পাৰিলে গুপুতে ৰোগীৰ তত্বাৱধান ল'বলৈ ডাক্তৰ এজন বিচাৰি উলিওৱা টান কাম নহয়। ৰাত আন্ধাৰ হোৱাৰ পাছত কোনেও নেদেখাকৈ ৰোগীক বাজত ফুৰিবলৈ দিয়াতো কোনো বাধা নাথাকিব। কুষ্ঠ ৰোগে ধৰিলে গাৰ ছালৰ বৰণ সলনি হোৱাটোও সকলোৱে জনা কথা। সাতে সোতৰই সচাঁ ন'হলেও এই সম্ভাৱনাটোকে সচাঁ বুলি ধৰি লৈ কামত আগুৱাবলৈ মই মনস্থিৰ কৰিলোঁ। ৰাফে সেই ঘৰটোলৈ খোৱাবস্তু লৈ যোৱাৰ বাতৰিও মই পাইছিলোঁ।— মিষ্টাৰ ডডে কৈছিল। ৰাফে বাধি নিবাৰক দৰব (disinfectant) লগোৱা হাত-মোজা ব্যৱহাৰ কৰে বুলি জনাৰ পাছত, মোৰ মনত যিকণ খুকুৰি আছিল, সিও ভাঙিল। মই শব্দ এটা লিখি কাগজ টুকুৰা আপোনাৰ হাতত দিয়াৰ পাছত আপুনি বুজিলে, কর্ণেল এমচ্‌ৱৰ্থ, যে আপোনাৰ গুপুত কথা গুপুতে আৰু থকা নাই। মুখেৰে শব্দটো ফুটাই ন'কৈ লিখি দিছিলোঁ। যাতে তেনেবোৰ কথা বটি ফুৰা বিধৰ লোক মই নহওঁ বুলি আপুনি বুজিব পাৰে।'

মোৰ কথাৰ সামৰণি মাৰিছোঁহে মাথোন এনেতে দুৱাৰখন মেল

খালে; ৰাফে ছালৰ ৰোগৰ বিখ্যাত বিশেষজ্ঞজনক আগ বঢ়াই আনিছিল। তেওঁ কোঠাটোত সোমালত তেওঁৰ মুখত অলপ হাঁহি বিৰিঙা যেন দেখিলোঁ। কৰ্ণেল এম্‌চ্‌বৰ্থৰ কাষলৈ গৈ তেওঁৰ লগত কৰমৰ্দন কৰি চাৰ জেইম্‌চে ক'লে : সাধাৰণতে আনক বেয়া বাতৰি নি দিয়া কামহে মোৰ ভাগ্যত পৰে, কিন্তু আজি শুভদিন; আপোনালৈ ভাল বাতৰিকে আনিছোঁ। আপোনাৰ ল'ৰাৰ ৰোগ কুষ্ঠ নহয়।

কৰ্ণেলে উচাপ খাই চিঞৰ মাৰিলে : কি কয়?

—"আমাৰ শাস্ত্ৰত ৰোগটোক Ichthyosis বা pseudo-leprosy বোলা হয়। এই ৰোগৰ লক্ষণ বিলাক কুষ্ঠৰে লেখিয়া, পিছে কুষ্ঠ নহয়। এইটো সংক্ৰামক বা কুষ্ঠৰ লেখিয়া দুৰাৰোগ্য ব্যাধিও নহয়। নিয়মমতে কিছুদিন চিকিৎসা চলালে ভাল হোৱাৰ সম্ভাৱনা আছে। যি কি নহওক মোৰ খ্যাতি হেৰুওৱাৰ সম্ভাৱনা থকা স্বত্বেও আপোনাৰ লৰাৰ চিকিৎসাৰ ভাৰ— ধৰক, ধৰক মানুহ গৰাকী মূছৰ্কছ গ'ল। আনন্দৰ শ্বক্ পাই হে মূৰ্ছা গৈছে; ভয়ৰ কাৰণ নাই। ডাক্তৰ কেন্টে তেখেতৰ ভাৰ লওক; আমি এতিয়া আঁতৰি যোৱা হে কথা।"

·×—



শ্বাৰ্লক হ'ম্চৰ লগত মই যোগ দিয়া এড্ভেন্চাৰ বিলাকৰ মাজত 'দ থ্ৰী গেব্ল্চ' বোলা ঘৰটোৰ সংক্ৰান্তত ঘটা ঘটনাটোৱেই সকলোতকৈ নাটকীয়। কেইবাদিনৰ মূৰত সেইদিনা বাতিপুৱা তেওঁক লগ পাই তেওঁৰ মন প্ৰফুল্ল যেন দেখিলোঁ। জুইৰ কাষত একালে আৰামী চকী এখনত মোক বহুৱাই, পাইপ্টো জলাই লৈ তেওঁ

সিফালে আন এখন চকীত বহিবলৈ পাইছেহে মাথোন এনেতে মানুহটো আহি উপস্থিত হ'ল—মানুহ নহয় জানিবা উদণ্ড ষাঁড় এটাহে।

দুৱাৰখন ঢাউম্ কৰে খুলি দৈত্যাকাৰ নীগ্ৰ'টো ঘপ্ কৰে আমি বহি থকা কোঠাটোত আহি সোমাল। সি পিন্ধি আহিছিল পথৰা-চিতৰা এযোৰ কোট-পট্লুং আৰু তাৰ লগত নিমিলা এডাল হালধীয়া নেক্‌টাই। তাৰ আকাৰটো প্ৰকাণ্ড নোহোৱা হ'লে তাক দেখি কিজানি আমাৰ হাঁহিহে উঠিলহেতেন। তাৰ মুখখন আছিল পাচিটো মান বহল; তাতে এটা চেপেটা নাক আৰু কোটৰত সোমোৱা এযোৰ চকু; চকুত বিতৃষ্ণা জন্মোৱা আক্ৰমনাত্মক হিংসুক ভাব। সেই ভয়ানক চকু যোৰেৰে এবাৰ মোৰ পিনে আৰু এবাৰ হ'ম্‌চৰ পিনে চাই সি সুধিলে: কোনজনৰ নাম মাচাৰ হ'ম্‌চ্?

হ'ম্‌চে হাঁহি এটা মাৰি পাইপ্‌টো দাঙি দি তেৱেঁই হ'ম্‌চ্ বুলি ঠাৰ দিলত, সি ক'লে; অ' আপুনিয়েই নেকি? বাৰু শুনক, নলগা ক্ষেত্ৰত আপুনি লাগিবলৈ নাহিব দেই, মাচাৰ হ'ম্‌চ্; আনৰ কাম আনক কৰিবলৈ দিব। কথাটো আপোনাৰ মগজত সোমালনে?

হ'ম্‌চে উত্তৰ দিলে: তোমাৰ কথা শুনি বৰ ভাল লাগিছে; কৈ যোৱাঁ।

চকু দুটা পকাই, খেঁজেলিয়াই সি তেতিয়া ক'লে: মোৰ কথা শুনি আপোনাৰ ভাল লাগিছে, হয়নে? পিছে মই আপোনাৰ গাত হাত ফুৰাই মৰম কৰিবলৈ ধৰিলে বৰ ভাল নালাগিব। আপোনাৰ লেখিয়া বহুত টান শৰীৰ মই পিটিকি কোমলাইছোঁ। কোমলোৱাৰ পাছত চেহেৰা একেদৰে নাথাকে। এইফালে এবাৰ চাওকচোন বুলি সি তাৰ সোঁ হাতখন মুঠি মাৰি, মুঠিটো হ'ম্‌চ্‌ৰ নাকৰ কাষত থ'লেহি। তাৰ মুঠিটো যেন কিবা নেদেখা নুশুনা বস্তুহে, তেনে ভাব দেখুৱাই

হ'ম্চে মুঠিটোলৈ খন্তেক চাই থাকি সুধিলে : ওপজাৰ দিনাৰ পৰাই তুমি এনেটো আছিলাঁ নে লাহে লাহে হে হ'লা ?

জুই খোচৰা মাৰিডাল মই হাতলৈ তুলি লওঁতে খুটুং কৰে শব্দ এটা হৈছিল। সেইটো শুনিয়েই, নে হ'ম্চ্ৰ চকুৰ চাৱনিলৈ চায়েই, ক'ব নোৱাৰোঁ, মানুহটোৰ মাতকথা অলপ মোলায়েম হ'ল। এইবাৰ নৰম সুৰত ক'লে : সময়মতে মই সঁকীয়নি দিয়া নাছিলোঁ বুলি পিছত হ'লে ন'ক'ব। হেৰৰ কাষৰ এডোখৰ ঠাইৰ লগত মোৰ এজন বন্ধুৰ স্বাৰ্থ জড়িত আছে— কিহৰ কথা কৈছোঁ, আপুনি বুজিছেই নহয় ; তাত আনে মূৰ গুঁজিবলৈ যোৱাটো মোৰ বন্ধুৱে পছন্দ নকৰে। তথাপি যদি আপুনি তাত খপজপাবলৈ যায়, মোকো লগ পাব ; সেই কথা মনত ৰাখিব।

হ'ম্চে উত্তৰ দিলে : তোমাক এবাৰ লগ পাবলৈ ভালেদিনৰপৰা মই বিচাৰিয়েই ফুৰিছোঁ। তোমাক বহিবলৈ নকওঁ, বেয়া নাপাবা, কাৰণ তোমাৰ গাৰ গোন্ধটো মোৰ ভাল লগা নাই। মানুহক মাৰধৰ, জখম কৰি ফুৰা ষ্টিভ্ ডিক্সি বোলা পুৰুষজন তুমিয়েই নহয় জানো।

—হয়, সেইটোৱেই মোৰ নাম, মাচাৰ হ'ম্চ্। সৰহ কথা ক'লে আনক যি কৰোঁ আপোনাকো তাকে কৰিলে বেয়া নাপাব।

মানুহটোৰ বিকট মুখখনলৈ থিৰ চকুৰে চাই হ'ম্চে তেতিয়া ক'লে : তেনে কাম কৰাটো বুধিয়কৰ কাম ন'হ'ব হ'বৰ্ণ বাৰৰ সমুখত পাৰ্কিন্স নামৰ মানুহজনক গুমি কৰাৰ— কি হ'ল ? তুমি যাবলৈ ওলালা নে কি ?

হ'ম্চ্ৰ কথাষাৰ শুনি নীগ্ৰ'টোৰ মুখৰ বৰণ সীহপাতৰ লেখিয়া হ'ল। একে জাঁপেই সি দুৱাৰৰ কাষ পাই ক'লে : সেইবোৰ কথা শুনিবলৈ মই অহা নাই। পৰ্কিন্সক কোনে মাৰিলে মই কি জানোঁ ? সেই সময়ত মই বাৰ্মিংহামত আছিলোঁ।

— সেই কথা মোক কৈ লাভ নাই ; যথা সময়ত হাকিমক ক'বা।

বাৰ্ণে ষ্টক্‌ডেইলৰ আৰু তোমাৰ ওপৰত মই ভালে দিনৰপৰা নজৰ ৰাখিছোঁ।

হ'ম্‌চে কথাষাৰ কৈ অন্ত কৰিবলৈ নৌ পাওঁতেই নীগ্ৰ'টোৱে কাওঁবাওঁ কৰি ক'লে: ভগবানৰ দোহায়, মাচাৰ হ'ম্‌চ্‌—

— হৈছে, হৈছে, এতিয়া বাহিৰ হোৱাঁ; যেতিয়া আৱশ্যক হ'ব তেতিয়া তোমাক মই লগ ধৰিম।

—গুড্‌ মৰ্ণিং মাচাৰ হ'ম্‌চ্‌, মোৰ ওপৰত খং নাখায় যেন।

- কোনে তোমাক ইয়ালৈ পঠাইছিল সেই কথা মোক ন'ক'লে খং খাব লাগিব।

— আপুনি জানেই দেখোন মাচাৰ হ'ম্‌চ্‌; আপুনি যাৰ নাম ক'লে তেওঁৱেই নপঠাই আৰুনো কোনে পঠাব?

—- আৰু তেওঁক এই কামত হাত দিয়াইছে কোনে?

—সঁচাকৈ কৈছোঁ মাচাৰ হ'ম্‌চ্‌ সেই কথা মই নাজানোঁ। তেওঁ মাথোন মোক কৈছিল, "মিষ্টাৰ হ'ম্‌চ্‌ক লগ ধৰি ক'বিগৈ, যে হেৰৰ ফালে তেওঁ আহিবলৈ হ'লে, তেওঁৰ জীৱনৰ সংশয় আছে।" সিমানকেহে মাথোন তেওঁ আপোনাক জনাবলৈ মোক কৈছিল।

হ'ম্‌চৰ বাক্য বাণলৈ আৰু অপেক্ষা নকৰি উধাতু খাই যি দৰে সি কোঠাটোত সোমাইছিলহি সেই দৰেই পলাই সাৰিব খোজা দি ওলাই গ'ল। খিলখিলাই হাঁহি এটি মাৰি হ'ম্‌চে পাইপৰ ছাই উলিয়াবলৈ ধৰি মোক কলে:

'তাৰ মুৰটো যে খুন্দি ভাঙিবলগীয়া নহ'ল, তাৰ বাবে আমি সন্তোষ পোৱাৰ কথা, বাট্‌চন্‌। দৰাচলতে সেইটো এটা নিমাখিত প্ৰাণী; গাত ছুই ষাঁড়ৰ বল থকা, আকাশতেজীয়া সি এটা বুৰ্বক। তাক সেও মনাবলৈ সৰহপৰ নালাগে; দেখিলাঁই নহয়। সি স্পেন্‌চাৰ জনৰ দলৰ মানুহ; কিছুদিনৰপৰা এই দলটোৱে ভালেমান নকৰিবলগীয়া কাম কৰি ফুৰিছে। সময় হাতত পালে সেইবোৰৰ গুড়ো মই বিচাৰি

উলিয়াম। তাৰ ঠিক ওপৰৰ মুনিবজন হ'ল বার্ণে; সি টেঙৰ লোক; স্পেন্চাৰ্ জনৰ তলতীয়া। মাৰ-পিট্, ভয় প্রদর্শনত সিহঁত জাকেই পাকৈত। মোৰ জানিবলগীয়া কথাটো হ'ল, এই ক্ষেত্রত সিহঁতৰ গুৰিত কোন আছে।

— কিন্তু তোমাক সিহঁতে ভয় দেখুৱাব খুজিছে কি উদ্দেশ্যেৰে?

— খুজিছে, হেৰ ওয়েযাল্ডৰ ঘটনাৰ সংক্রান্তত। ঘটনাটো মই তদন্ত কৰিব লাগিব যেন পাইছোঁ। ঘটনাৰ অন্তৰালত ৰস আছে।

— কিহৰ ৰস?

— সেই কথা তোমাক ক'বলৈ ধৰোঁতেই মানুহটো আহি ওলালহি। এইখন মিচেচ্ মেবার্লিৰ চিঠি; পঢ়ি চোৱাঁ। তুমি মোৰ লগত তালৈ যাব খোজাঁ যদি, আমি আহিব লাগিছো বুলি এতিয়াই তেওঁলৈ টেলিগ্রাম কৰি দিওঁ।

চিঠিখন পঢ়ি চালোঁ; তাত লিখিছিল:
প্রিয় মিষ্টাৰ শ্বার্লক হ'মচ্,

এই ঘৰটোৰ সংক্রান্তত কেতবোৰ আচৰিত আচৰিত ঘটনা ঘটিছে। সেই সম্বন্ধে মোক আপোনাৰ সাকৰা বুধি-ভাৰষা লাগে। কাইলৈ গোটেই দিনটো মই ঘৰতে থাকিম। ওয়েয়াল্ড্ ৰেল ষ্টেশনৰপৰা ঘৰটোলৈ সৰহ দূৰ নহয়। মোৰ মৃত স্বামী মর্টিমাৰ মেবার্লি এসময়ত আপোনাৰ মক্কেল আছিল।

আপোনাৰ বিশ্বাসী
মেৰী মেবার্লি।

চিঠিখন দিয়া ঠিকনাটো আছিল 'দ থ্ৰী গেব্‌লচ্, হেৰ ওয়েযাল্ড'।

হ'ম্চে ক'লে; এতিয়া বুজিলানে? তুমি যদি সময় খৰচ কৰিবলৈ ৰাজী আছা, তেনেহলে এতিয়াই যাত্রা কৰোঁ বুলি ছোঁ।

এছোৱা ৰেলেৰে আৰু এছোৱা বাগীৰে গৈ আমি ঘৰটো পালোঁগৈ—এক একৰ মাটিৰ এখন খাঁহনিৰ মাজত এটা ইটা আৰু

কাঠেৰে সজোৱা ঘৰ। সমুখৰ তিনটা টুপে, ঘৰটোৰ নাম কিয় 'দ থ্ৰী গেব্‌লচ্' থোৱা হৈছিল, তাৰে জাননী দিছিল। ঘৰৰ পাছ-ফালে জুটলা-জুটুলি কেতবোৰ পাইন গছৰ এখন গছনি দেখিবলৈ পোৱা গ'ল। হাউলিৰ পৰিবেশ দীন, মন মৰোৱা বিধৰ, কিন্তু ঘৰৰ ভিতৰ সোমাই দেখা গ'ল আচবাবপত্ৰ উৎকৃষ্ট, আৰু যিগৰাকী মহিলাই আমাক অভ্যাৰ্থনা জনালেহি, তেখেত এগৰাকী সাদৰী, বয়সিয়াল, মাৰ্জিত, শিক্ষিতা তিৰোতা আছিল।

হ'ম্‌চে ক'লে: আপোনাৰ গিৰিহঁতক মই পাহৰা নাই। এটা সকস্মুৰা কামত এবাৰ তেখেতে মোক খটুৱাইছিল।

— মোৰ ল'ৰা ডাগ্লাচকো বোধকৰোঁ আপুনি চিনি পাইছিল।

কথাষাৰ শুনি হ'ম্‌চৰ মনত ঔৎসুক্য জন্মা যেন দেখিলোঁ; তেওঁ ক'লে: অ', আপুনি তেনেহ'লে ডাগ্লাচ্ মেবাৰ্লিৰ মাক মোৰ লগত তেওঁৰ সামান্য চিনাকি আছিল। তেওঁক চিনি নোপোৱা মানুহ লণ্ডনত নো কোন আছে? তেনে দেখনিয়াৰ পুৰুষ কেইজন আছে। এতিয়া তেওঁ ক'ত?

— সি ঢুকাল, মিষ্টাৰ হ'মচ। আমাৰ ৰ'মৰ দূতাবাসত সি 'আতাশ্বে' হৈ আছিল। নিউমনিয়া হৈ যোৱা মাহত ঢুকাল।

— কথাষাৰ শুনি দুখ পালোঁ। তেনে এজন পুৰুষৰ মৃত্যুৰ কথাটো ভাবিবলৈকে টান। তেওঁ মানুহৰ লগৰ এজন মানুহ আছিল। জীৱনৰ প্ৰতিটো মুহূৰ্ত তেওঁ উপভোগ নকৰাকৈ নেৰিছিল।

— অলপ বেছিকৈ উপভোগ কৰিছিল, মিষ্টাৰ হ'ম্‌চ্। সেয়ে তাৰ কাল হ'ল। সদায় হাঁহি থকা ধুনীয়া মানুহটো হিচাপেহে আপোনাৰ চাগে ভালৈ মনত পৰে; পিছলৈ সি কেনে বিমৰ্ষ, বিষণ্ণ, আমন-জিমন হৈছিল সেই কথা বোধকৰোঁ নাজানে। তাৰ হিয়া ভাঙিছিল, মিষ্টাৰ হ'ম্‌চ্। এমাহৰ ভিতৰতে মোৰ সেই ৰসিক, সাহিয়াল,

ফুর্তিবাজ লৰাটো কেনেকৈ খিংখিঙীয়া, চিৰবিষণ্ণ, বিশ্বনিন্দুক লোক হৈ পৰিল ভাবি বৰ দুখ লাগে।

— প্ৰেমত পৰিছিল নেকি? কোনোবা মাইকী মানুহ—

— মাইকী মানুহ নুবুলিব, মিষ্টাৰ হ'ম্‌চ্; তাই এজনী ডাইনী। যেই হওক, মোৰ লৰাৰ কথাৰে মই আপোনাক মতা নাছিলোঁ, মিষ্টাৰ হ'ম্‌চ্।

— কি সকামত মাতিছিল কওক; ডাক্তৰ ৱাট্‌চন আৰু মই— আমি দুয়ো যি পাৰোঁ কৰিম।

—'কেতবোৰ আচৰিত ধৰণৰ ঘটনা ঘটিবলৈ ধৰিছে। এইটো ঘৰত মোৰ থাকিবৰ এবছৰ হ'ল। ইয়াত মই নিৰ্লিপ্ত জীৱন যাপন কৰিম বুলি ভাবিছিলোঁ; ওচৰ-চুবুৰীয়াৰ লগত বৰকৈ মিলা-মিছা কৰা নাছিলোঁ। তিনি দিন হ'ল মোক লগ পাবলৈ মানুহ এটা আহিছিল। সি বোলে ঘৰ-বাৰী বেচা-কিনা কৰা দালাল। সি ক'লে বোলে তাৰ কোনোবা এজন মক্কেলে এই ঘৰটো কিনিবলৈ হেঁপাহ কৰিছে; বেচ চৰা হ'লেও আপত্তি নাই। কথাটো শুনি অলপ আচৰিত যেন লাগিল, কাৰণ এই অঞ্চলতে ইয়াতকৈ ভাল ভাল ঘৰ বিক্ৰীৰ বাবে পৰি আছে; কিনোতা ওলোৱা নাই। তথাপি ভাল দাম পোৱাৰ কথা শুনি, কিনা দামতকৈ পাঁচ শ পাউণ্ড সৰহকৈ মই দাম ধৰিলোঁ। সি তৎক্ষণাৎ সেই দামতে মান্তি হ'ল, আৰু ক'লে যে তাৰ মক্কেলে ঘৰটোৰ লগতে ঘৰটোত থকা আচবাবপত্ৰও গোটেইবোৰ কিনি ল'ব খোজে। তাৰ দাম কিমান হ'ব সি মোক সুধিলে। এই আচবাবপত্ৰবোৰৰ এভাগ মোৰ আগৰ ঘৰৰপৰা ইয়ালৈ অনা হৈছিল। দেখিছেই নহয়, বস্তুবোৰ ভাল আৰু মৰমীয়া। তাকে চাই মই বুজন পৰিমানৰ সংখ্যা এটা ক'লোঁ। তাতো সি ঘপৰাই মান্তি হ'ল। কিছু দিনৰপৰা মোৰ দেশে বিদেশে ঘুৰি ফুৰাৰ হেঁপাহ হৈছিল। মই ভাবিলোঁ এইখিনি ধন পালে

ভৱিষ্যত সম্বন্ধে নিশ্চিন্ত হ'ব, আৰু মোৰ ইচ্ছা অনুসৰি য'লৈকে মন যায় তালৈকে ফুৰিব চাকিবলৈ যাব পাৰিম।

সেই মতে এখন দলিল তৈয়াৰ কৰি তাত মোৰ চহী ল'বলৈ যোৰাকালি মানুহটো আকৌ আহি ওলালহি। ভাগ্যে মোৰ কি সুমতি হ'ল ক'ব নোৱাৰোঁ, মানুহটোক পাছবেলা আহিবলৈ কৈ, মোৰ উকীল মিষ্টাৰ চুত্ৰক দলিলখন দেখুৱালত, তেওঁ সেইখন পঢ়ি চাই কলে: "এইখন তো বৰ আচৰিত দলিল। ইয়াত চহী দিলে এই ঘৰটোৰপৰা আপুনি যে কুটা এগছো—আনকি আপোনাৰ সাজপাৰ, অলঙ্কাৰ পাতিকো—লগত লৈ যাব নোৱাৰিব, সেই কথা গম পাইছেনে?" মানুহটো আবেলি পৰত আকৌ আহিলত, উকীলে কোৱা কথালৈ আঙুলিয়াই মই তাক কলোঁ যে ঘৰটোৰ লগত চকী মেজ আদি আচ্‌বাববোৰহে বেচিবলৈ মান্তি হৈছিলোঁ; আন বস্তুৰ কথাতো আমাৰ মাজত হোৱা নাছিল। সি তেতিয়া ক'লে: নহয়, নহয়; ঘৰটোত যিমান বস্তুবাহানি আছে গোটেইবোৰ মোৰ মক্কেলে কিনি ল'ব।

—কিন্তু মোৰ কাপোৰকানি, অলঙ্কাৰ পাতি?

—সেই বিলাক আপোনাক কিজানি লৈ যাবলৈ দিব পৰা হ'ব, কিন্তু প্ৰত্যেকটো বস্তুকে পৰীক্ষা কৰি নোচোৱাকৈ ঘৰৰ বাজলৈ যাবলৈ দিয়া ন'হ'ব। মোৰ মক্কেল হাত মুকলি-লোক, কিন্তু তেওঁৰ স্বভাৱটো কিবা একাচেকা বিধৰ। কিনিলে তেওঁ সোপাকে কিনিব; ন'হ'লে একোটোকে নিকিনে। "মই তেতিয়া কলোঁ: বাৰু, ময়ো তেনেহ'লে একোটোকে নেবেচাকে ঠিক কৰিলোঁ।

'সিমানতে কথাৰ অন্ত পৰিল, কিন্তু গোটেই কথাটো এনে আচৰিত যেন লাগিল যে মই ভাবিলোঁ—'

মানুহ গৰাকীয়ে কথাষাৰ কৈ অন্ত কৰিবলৈ নৌ পাওঁতেই হ'মৃচে হাত এখন দাঙি তেওঁক মনে মনে থাকিবলৈ ঠাৰ দিলে।

তাৰ পাছত কোঠাটোৰ এমূৰলৈ গৈ ঘাউপ কৰে দুৱাৰ এখন খুলি, সিখোঁটালীৰপৰা বাউসিত ধৰি লেৰেলী, হুটঙী মানুহ এজনীক চোচোৰাই চোচোৰাই আমাৰ ওচৰ পোৱালেহি। প্ৰকাণ্ড মুগী এজনী ধৰিলে পাখি দুখনে ধপ্-ধপোৱাদি হাত-ভৰি আচাৰি আচাৰি তাই আহিছিল ; চিঞৰ এটা মাৰি তাই ক'লে : কিয় মোৰ গাত হাত দিছে ? ভালে ভালে এৰি দিয়ক।

মিচেচ্ মেৰ্বালিয়ে ধীৰ মাতেৰে সুধিলে : কি হ'ল, চুচান্ ?

—চাওকচোন বাৰু, আলহী দুজনে তুপৰীয়া ইয়াতে খাব নেকি, সেই কথা আপোনাক মই সুধিবলৈ আহোঁতে দেখোন এই মানুহজন মোৰ গাত জঁপিয়াই পৰিলহি। এইটোনো কেনে ধৰণৰ কাম ?

হ'মচে তেতিয়া ক'লে : যোৱা পাঁচ মিনিট সময় মই তাইৰ আঁটকাল লৈ আছিলোঁ। পিছে আপোনাৰ কথাত বাধা দিবৰ মন যোৱা নাছিল। তোমাৰ উদফাইৰ বিকাৰ আছে নে কি চুচান্ ? তুমি উশাহ লওঁতে সুহুৰি মৰা যেন শুনি ; এনে বিধ কামৰ বাবে তুমি লায়ক নোহোৱা, আইদেউ।

আচৰিত হোৱা যেন হৈ চুচানে খঙেৰে হ'ম্চ্ক সুধিলে : আপুনি নো ক'ৰ পৰা বৰ-মতা ওলাইছেহি ; মোৰ গাত হাত দিবৰ আপোনাৰ কি অধিকাৰ আছে ?

—একো অধিকাৰ নাই, মাথোন তোমাৰ সমুখত এখেতেক মই এটি প্ৰশ্ন সুধিব খুজিছিলোঁ। মিচেচ্ মেবাৰ্লি, আপুনি যে মোৰ লগত পৰামৰ্শ কৰিবলৈ মন কৰিছিল, সেই কথা কাৰোবাক জনাইছিল নে কি ?

—সেই বিষয়ে মই কাকো একো কোৱা নাছিলো, মিষ্টাৰ হ'ম্চ্।

—আপুনি মোলে দিয়া চিঠিখন কোনে ডাকত দিছিল ?

—চুচানে।

—ময়ো তাকে ভাবিছিলোঁ। বাৰু, এতিয়া কোৱাঁচোন চুচান্, এখেতে মোলৈ চিঠি লিখাৰ বাতৰিটি তুমি কাকনো দিছিলাঁগৈ ?

—একেবাৰে মিছা কথা; কাকো মই কোনো বাতৰি দিবলৈ যোৱা নাই।

—চুচান্, উদফাই বেমাৰী তুমি; সৰহ দিন জীয়াই নাথাকিবও পাৰাঁ। গতিকে মিছা কথাবোৰ কোৱাটো তোমাৰ পক্ষে সুবিধাজনক কাম নহয়। সঁচা কথাটো কোৱাচোন। কাকনো তুমি বাতৰি যোগাইছিলাঁ।

এনেতে মিচেচ্ মেবালিয়ে মাত দিলে: চুচান্, তুমি বদ্, বিশ্বাস-ঘাতকী। জেওৰাখনৰ দাঁতিৰপৰা কাৰোবাৰ লগত তোমাক মেল মৰা মই দেখিবলৈ পাইছিলোঁ।

— মেল মৰা নমৰাটো মোৰ নিজৰ ইচ্ছাৰ কথা।

হ'মৃচে তেতিয়া ক'লে: যদি মই কওঁ যে তুমি বাৰ্ণে ষ্টকডেইলৰ লগত কথা-বতৰা পাতিছিলাঁ ?

— জানেই যদি মোক সুধিছে কিয় ?

— সঠিককৈ জনা নাছিলোঁ, কিন্তু এতিয়া জানিলোঁ। বাৰু চুচান্ তোমাক দহ পাউণ্ড বক্‌চিচ্ দিলে, বাৰ্ণেৰ পিছতনো কোন আছে, সেই কথাটো মোক জানিবলৈ দিবাঁনে ?

— আপোনাৰ দহ পাউণ্ড নাপালেও মোৰ চলিব; আপোনাৰ দহ পাউণ্ডৰ সলনি হাজাৰ পাউণ্ড দিব পৰা মানুহ পৃথিৱীত আছে।

— অ, তেওঁ বৰ ধনী ভদ্ৰলোক তেনেহ'লে ? হাঁহিলা দেখোন; নহয় নেকি ? বাৰু ইমানখিনি কথাৰ ভু আমি পালোৱেঁই যেতিয়া, বাকী খিনিও আমাক কৈ দহ পাউণ্ড অৰ্জা বেয়া হ'বনে ?

— তাৰ আগতে আপোনাক জাহান্নামলৈ পঠাম।

— লেকাম ধৰি মুখ মেলিবলৈ শিকিবাঁ, চুচান্।

— মই আজিয়েই ইয়াৰপৰা ভাগিম; যথেষ্ট হৈছে। মোৰ বাকচটো নিবলৈ মই কাইলৈ মানুহ পঠাম।

সেই বুলি কৈ ভোঁ-ভোৱাই তাই ওলাই যাওঁতে হ'ম্‌চে মাত দিলে: "গুড্ বাই চুচান্, গাৰ বিষ মৰা দৰৰ এপালি খাবঁাগৈ।" খণ্ডত একো নাই হৈ চাউম কৰে দুৱাৰ জপাই মানুহজনী ওলাই যোৱা মাত্রকে ধেমালি এৰি গহীন হৈ হ'ম্‌চে কবলৈ ধৰিলে: দলটোৰ কিবা ডাঙৰ মত্‌লব্ আছে। দহ বজাত আপোনাৰ চিঠি ডাকত দিয়াৰ চাৰ লেকাফাত আছিল। বার্ণেৰ লগত তাইক কথা পতা আপুনি দেখিছিল। তাৰ মানে বার্ণেই ইয়াৰ মাজতে তাৰ মক্কেলৰ পৰা বুধি পৰামর্শ ল'বলৈ সময় পাইছিল। মক্কেলজন সম্ভৱতঃ মাইকী মানুহ, কাৰণ মক্কেলজনৰ কথা 'ধনী ভদ্রলোক' বুলি মই কওঁতে মোৰ ভুলটো বুজি চুচানে মিচিকিয়াই হাঁহিছিল। তাৰ পাছত সিহঁতে ব্রেক্ ষ্টিভক মতাই অনাই, পিছদিনা এবাৰ বজাত তাৰ হতুৱাই মোক সঁকীয়নি দিয়ালে। জালখন সিহঁতে খৰখেদাকৈ বহলকৈয়ে পেলাইছে যেন দেখা যায়।

— কিন্তু সিহঁতক লাগে কি?

— সেইটোৱেই তো হ'ল ভাবিবলগীয়া কথা। আপোনাৰ আগত এই ঘৰত কোন আছিল?

—ফার্গুচন নামেৰে সাগৰৰ জাহাজৰ এজন কেপ্তেইন।

— মানুহজন কেনে ধৰণৰ?

— সর্বসাধাৰণৰ দৰেই বুলিয়েই মই জানোঁ।

— তেওঁ ইয়াতে ক'ৰবাত কিবা বহুমূলীয়া বস্তু পুঁতি থৈ গৈছে নে কি, সেই প্রশ্নটো মোৰ মনত জাগিছিল। হওঁতে বহুমূলীয়া বস্তু লোকে আজি কালি বেঙ্কতহে জমা থয়। তথাপি তাৰ মাজতে কেতিয়াবা একোটা বলিয়াও ওলাই নহয়। তেনেবোৰ মানুহ জগতত নথকা হলে জগতখন তেনেই নিৰস ন'হ'লহেতেন জানো? কিন্তু কথা হ'ল ইয়াত ক'ৰবাত যদি কিবা বহুমূলীয়া বস্তু পুতি থোৱা আছে, তেনেহলে আপোনাৰ আচবাব পত্রবোৰ সিহঁতে কিনিব খুজিব কিয়?

আপুনি নজনাকৈ আপোনাৰ ইয়াত ৰাফায়েলে অঁকা ছবি বা শেক্‌চ-পিয়াৰৰ নাটকৰ প্ৰথম সংস্কৰণ নাইতো ?

— বহুমূলীয়া বস্তু বুলিবলৈ মোৰ ক্ৰাউন্ টি চেট্ এটা আছে ; তাৰ বাহিৰে তেনে একো বস্তু নাই ।

— টি চেট্‌টোৱে ৰহস্য উদ্‌ঘাটন নকৰে । সিহঁতে কি বস্তুটোনো দৰাচলতে কিনিব খুজিছে, খুলি নকয় কিয় ? টি চেট্‌টোকে যদি সিহঁতে বিচাৰিছে, সেই কথাকে খুলি কৈ দেখোন দামদৰ কৰিব পাৰিলেহেতেন ; তাৰ বাবে ঘৰটোৰে সৈতে, ঘৰটোত সামলাকুট য'ত যি আছে সোপাকে কিনিবলৈ ওলাব কিয় ? নহয়, মোৰ বোধেৰে ঘৰটোত এনে কিবা এটা বস্তু আছে, যিটোৰ সম্বন্ধে আপুনি একোকে নাজানে, আৰু জানিলে কেতিয়াও নেবেচে ।

মই কলোঁ যে ময়ো তাকেহে ভাবিছো ।

— ডাক্তৰ ৱাটচনৰ মত মোৰ লগত মিলিছে । গতিকে সেইটোকে খাটাং কথা বুলি আমি ধৰিব পাৰোঁ ।

মিচেচ মেবাৰ্লিয়ে সুধিলে : সেইটোনো কি বস্তু হ'ব পাৰে ? মিষ্টাৰ হ'ম্‌চ্ ?

— ৰ'বচোন গুনি-গাঁথি চাওঁ । এই ঘৰটোত আপুনি প্ৰায় এবছৰ আছে, নহয়নে ?

— দুবছৰৰ ওচৰাউচৰি হ'ল ।

— দুবছৰে আপোনাৰপৰা কোনেও একো বিচৰা নাছিল, কিন্তু যোৱা তিনি চাৰি দিনত মালমটংঙেৰে সৈতে গোটেই ঘৰটো কিনি পেলাবলৈ কোনোবা উত্ৰাৱল হৈছে । তাৰপৰা কি অনুমান কৰিব পাৰি ?

মই মাত দিলোঁ : তাৰ পৰা ইয়াকে বুজিব পাৰি যে বস্তুটো সদ্যহতেহে এই ঘৰটোলৈ কোনোবাই আনিছে ।

— ঠিক কথা। এতিয়া বাৰু আমাক কওকচোন, মিচেচ্ মেবাৰ্লি, সত্যহতে কোনোবাই কিবা বস্তু আপোনালৈ পঠাইছিল নে কি?

—এই বছৰ কাৰোপৰা মই একো বস্তু পোৱা নাই।

—বৰ আচৰিত কথা! কথাটো আৰু অলপ পকিবলৈ অলপ সময় দিব লাগিব। আপোনাৰ সেই উকীলজন সুদক্ষ পুৰুষ নে?

—নিজৰ কামত নিশ্চয় তেওঁ পাৰ্গত।

-- চুচানৰ উপৰিও আন বান্দী আপোনাৰ আছে নে কি? চুচানে তো বিদায় ল'লেই; তাই এতিয়া আৰু সেখত নপৰে।

— আৰু এজনী ছোৱালী আছে।

—আপোনাৰ উকীল চুত্ৰক ছুনিশামান আপোনাৰ ইয়াত আহি কটাবলৈ অনুৰোধ জনাওক। এজন মতা মানুহ ঘৰত থকা ভাল হ'ব।

—কিয়? কিবা বিপদৰ আশঙ্কা আছেনেকি?

—ক'ব নোৱাৰি। কথাটো বৰ পাকলগা বিধৰ যেন পাইছোঁ। সিঠঁতে নো কি বস্তুটো বিচাৰিছে আৱিষ্কাৰ কৰিব নোৱাৰিলোঁ যেতিয়া, আনটো মূৰৰপৰা কথাটোৰ তদন্ত চলাব লাগিব; ইয়াৰ গুৰিত নো কোন আছে সেই কথাৰ শুং উলিয়াব লাগিব। ঘৰৰ দালালটোৱে তাৰ আফিচৰ ঠিকনাটো আপোনাক দিছিলনে বাৰু?

—তাৰ কাৰ্ড এখন দিছিল; তাত মাথোন লিখা আছিল: Haines Johnson, Auctioneer and Valuer.

—ডাইৰেকটৰীত তাৰ নাম পোৱা নাযাব; সজ উপায়েৰে কাৰবাৰ কৰা লোক হোৱা হ'লে কাৰ্ডখনত তাৰ ঠিকনাটোও থাকিলহেতেন। যেই হওক, আমি এতিয়া বিদায় হওঁ। নতুন কিবা ঘটিলে মোক নজনোৱাকৈ নাথাকিব। আপোনাৰ বিষয়টো হাতত লৈছোঁ যেতিয়া তাক আধাখিনীয়াকৈ নেৰোঁ। সেই সম্বন্ধে আপুনি নিশ্চিন্ত হ'ব পাৰে।

হ'মচৰ চোকা দৃষ্টিৰপৰা কেতিয়াও একো সাৰি নাযায়। বেৰা

দিয়া বাৰান্দাই দি আমি ওলাই আহোঁতে বাকচ আৰু চুটকেচ্ কেটামানত তেওঁৰ চকু পৰিল। বাকচ্‌বোৰত 'মিলান' 'লুচের্ণ' আদি ঠাইৰ লেবেল লগোৱা আছিল। হ'মৃচে মিচেচ্ মেবার্লিক ক'লে: এইবোৰ বস্তু ইতালিৰপৰা আহিছে।

—সেই বিলাক ডাগ্লাচৰ বস্তু।

—বাকচবোৰৰ পেকিং এতিয়াও আপুনি খোলোৱা নাই। এইবোৰ এই ঠাই কেতিয়া পালেহি।

—যোৱা সপ্তাহত।

—কিন্তু আপুনি যে ক'লে—বাৰু সেই কথা থাওক, কিন্তু ইয়াৰ মাজতে তো সাঁথৰৰ উত্তৰ লুকাই থাকিব পাৰে। ইয়াত কিবা বহুমূলীয়া বস্তু নাই বুলি কেনেকৈ জানিছে?

—থকাৰ সম্ভাৱনা নাই। মিষ্টাৰ হ'মৃচ। ডাগ্লাচে তাৰ দৰমহা আৰু দেউতাকে কিনি থৈ যোৱা কোম্পানীৰ শ্বেয়াৰৰপৰা যি সামান্য পাইছিল তাৰ ওপৰত নির্ভয় কৰিয়েই চলিছিল। তাৰে নো সি বহুমূলীয়া বস্তু কিটো কিনিব?

হ'মৃচ চিন্তাত মগ্ন হ'ল।

তাৰ পাছত ক'লে: আৰু পলম নকৰিব মিচেচ মেবার্লি: বাকচবোৰ ওপৰ মহলালৈ, আপোনাৰ শোৱা কোঠালৈ এতিয়াই নিয়াওক। যিমান বেগেতে পাৰে সেইবোৰৰ ভিতৰত কি কি বস্তু আছে ভালকৈ চাওক। কাইলৈ সেই বিষয়ে খবৰ ল'বলৈ মই আকৌ আহিম।

হাউলিৰপৰা ওলাই আহোঁতে বুজিব পৰা গ'ল যে বিপৰীত পক্ষই তিনিটুপীয়া ঘৰটোত কড়া নজৰ ৰাখিছে, কাৰণ পদূলিৰ মুখ পাই গলীটোৰ সিমূৰে ছাঁত গা ঢাকি সেই নীগ্র'টোক থিয়দি থকা দেখিবলৈ পালোঁ। হঠাৎ তাক তাত দেখি গাৰ নোম শিয়ঁৰি উঠিল। চকুৰ পলকতে হ'মৃচ্‌ৰ হাত এখন জেপলৈ গ'ল। নীগ্র'টোৱে ক'লে: বন্দুক উলিয়াব খুজিছে নেকি মাচাৰ হ'মৃচ্।

—নাই খোজা ; জেপত সুগন্ধি দ্ৰব্যৰ বতল আছে ; তাকেহে উলিয়াব খুজিছোঁ।

—আপুনি বৰ ধুচুৰি মানুহ মাচাৰ হ'ম্চ্ : নহয়নে বাৰু ?

—তোমাক ধৰা পেলালে তোমাৰ লগত মই ধুচুৰি কৰিবলৈ নাযাম, ষ্টিভ্। আজি পুৱা বেলা মই কোৱা কথা পাহৰিলা নেকি ?

—হাওক, মাচাৰ হ'ম্চ্, আপুনি ৰাতিপুৱা কোৱা কথা মই পিছত ভালকৈ ভাবি চালোঁ। মাচাৰ পাৰ্কিন্সৰ বিষয়ে মই কোনো কথা আৰু শুনিবলৈ নিবিচাৰোঁ। সেই কথা যেন আপুনি আৰু তুলিয়ায়। পাৰিলে মই আপোনাক সহায় কৰিম।

—তেনেহ'লে তোমাৰ এই কামৰ গুৰীয়াল কোন সেই কথা মোক ক'ব লাগিব।

—হে প্ৰভু ! মই আপোনাক মিছা কথা কোৱা নাছিলোঁ। মাচাৰ হ'ম্চ্। বাৰ্ণেৰ হুকুম মতে মই চলোঁ, তাৰ বাহিৰে সঁচাকৈয়ে একো কথা মই নাজানোঁ।

—বাৰু, এটা কথা মনত ৰাখিবাঁ,—সেই ঘৰটোত বাস কৰা মহিলাগৰাকীৰ নিৰাপত্তাৰ ভাৰ, আৰু তাত থকা সকলো বস্তু বাহানিৰ জিম্মা এতিয়াৰপৰা মোৰ ওপৰত। তাকে চাই বাট বুলিবাঁ।

—বাৰু মাচাৰ হ'ম্চ্, সেই কথা মনত ৰাখিয়েই মই চলিম।

আমি খোজ কাঢ়ি গৈ থাকোঁতে হ'ম্চে মোক ক'লে : সি বাৰুকৈয়ে ভয় খাইছে. ৱাট্চন্। এই কাৰ্য্যকলাপৰ গুৰিত কোন আছে জনা হ'লে সি কৈ দিলেহেঁতেন। ভাগ্যে স্পেন্চাৰ জনৰ দলটোৰ বাতৰি আৰু ষ্টিভো যে সেই দলৰে এজন ভকত সেই বাতৰি মই জানিবলৈ পাইছিলোঁ। আমি লেংডেইল পাইকৰ সহায় ল'ব লাগিব, ৱাটচন। মই তাক লগ ধৰিবলৈ যাওঁ। তাক লগ পোৱাৰ পাছত কথাবোৰ কিছু পৰিস্কাৰ হ'ব বুলি মোৰ মনে ধৰিছে।

লণ্ডনৰ সামাজিক কেলেঙ্কাৰী বিলাকৰ সম্বন্ধে কিবা জানিব খুজিলে হ'ম্‌চে লেংডেইল পাইকৰ সহায় লয়। অদ্ভুত প্ৰকৃতিৰ এই মানুহজনে গোটেই দিনটো চেইণ্ট জেইম্‌চ্‌ ষ্ট্ৰীটৰ এটা ক্লাবৰ খিড়িকী এখনৰ কাষত বহি কটায়। লণ্ডন চহৰত ঘটা সকলো লেতেৰা কেলেঙ্কাৰীৰ বতৰা তাতে বহি বহি তেওঁ পাই থাকে, আৰু লেতেৰা এখন বাতৰি কাকতৰ যোগেদি সপ্তাহত এবাৰকৈ তেনেবোৰ বাতৰিকে গোটাই-পিটাই একোটি ৰসাল প্ৰবন্ধ পৰিবেশন কৰি এহেজাৰ পাউণ্ডতকৈয়ো সৰহ ধন আৰ্জে। হ'ম্‌চেও মাজে সময়ে তেওঁক এনে বাতৰি যোগাই তেওঁৰপৰা আৱশ্যকীয় বাতৰি সংগ্ৰহ কৰে।

পাছদিনা পুৱা হ'ম্‌চৰ কোঠাত সোমাই তেওঁৰ স্ফূৰ্তি দেখি বুজিলোঁ যে খবৰ ভালেই, কিন্তু এনেতে এখন টেলিগ্ৰাম পাই চক খাবলগীয়া হ'ল। টেলিগ্ৰামখন আহিছিল আমাৰ মক্কেলৰ উকীলৰপৰা এই বুলি :

তৎক্ষণাৎ আহক। কালি নিশা মক্কেলৰ ঘৰত ডকাইতি হ'ল। পুলিচে তদন্ত হাতত লৈছে।

টেলিগ্ৰামখন পঢ়ি হ'ম্‌চে সুহুৰি এটা মাৰি ক'লে : নাটকৰ ক্ৰাইচিচ্‌ আৰম্ভ হ'ল। ইমান সোনকালে হ'ব বুলি মই ভবা নাছিলোঁ। ঘটনাৰ অন্তৰালত পৰাক্ৰমী শক্তি লুকাই আছে বুলি গম পালোঁ। চুত্ৰ বোলা আমাৰ মক্কেলৰ উকীলজন কামৰ মানুহ নহয়। কালি ৰাতিটো তোমাক তাত কটাবলৈ ন'কৈ ভুল কৰিলোঁ। যেই হওক, এতিয়া হেৰ' ওয়েয়াৰ্ডলৈ আকৌ যোৱাহে কথা।

তিন টুপীয়া ঘৰত উপস্থিত হৈ দেখিলোঁ আগৰ দিনাৰ শীতল পৰিবেশ সেইদিনা নাই। পদূলিমুখত জুম বান্ধি এদল মানুহে ঘটনাৰ ৰেহৰূপ ৰেখ কৰি আছিল, আৰু পুলিচৰ চিপাহী কেইটামানে ঘৰৰ খিড়িকীবোৰ আৰু ফুলনিখন পৰিদৰ্শন কৰিছিল। ঘৰৰ ভিতৰ সোমাই পকাচুলীয়া বুঢ়া মানুহ এজনক লগ পালোঁ। মিচেচ্‌ মেবাৰ্লিৰ উকীল বুলি তেওঁ নিজৰ চিনাকি দিলে। ৰঙা মুখীয়া, ভজ্‌বজীয়া পুলিচ

ইন্স্পেক্টৰ এজনে পুৰণি বন্ধু হ'ম্চক সুপ্ৰভাত জনালে। তেওঁ ক'লে: মিষ্টাৰ হ'ম্চ্, আপোনাৰ লেখিয়া এজন বিশেষজ্ঞৰ আৱশ্যক হৈয়াত ন'হ'ব যেন পাইছোঁ। এইটো এটা সাধাৰণ চুৰিৰ ঘটনা। আমাৰ লেখিয়া সাধাৰণ, নিঃকিন পুলিচেই এইটো ঘটনা চম্ভালিব পাৰিব।

হ'ম্চে উত্তৰ দিলে: দক্ষ লোকৰ ওপৰতে তদন্তৰ ভাৰ পৰিছে। সাধাৰণ চুৰি, হয়নে?

— হয়। চোৰকিটা নো কোন আৰু সিহঁতক ক'ত বিচাৰি পোৱা যাব সেই কথাৰো আমি গম ধৰিছোঁ। বাৰ্ণে ষ্টকডেইলৰ দলটো। সেই নিগাৰটোও সিহঁতৰ মাজত আছে। সিহঁতক এই ঘৰৰ আশেপাশে দেখা সাক্ষী ওলাইছে।

— বঢ়িয়া কথা। পিছে সিহঁতেনো চুৰ কৰিলে কি কি বস্তু?

— লেখত লবলগীয়া বস্তু একো নিয়া নাই। মিচেচ্ মেবাৰ্লিক ক্লৰফৰ্ম দি অজ্ঞান কৰি

— সৌৱা তেখেত আহিছেই।

আগদিনা লগ পোৱা মানুহগৰাকীক সেইদিনা শেঁতা, নৰিয়াপৰা মানুহ যেন লাগিল। বান্দী ছোৱালী এজনীৰ কান্ধত ভৰ দি তেওঁ কোঠাটোত সোমালহি। অনুতাপৰ সুৰত তেওঁ ক'লে: আপুনি মোক সৎ পৰামৰ্শকে দিছিল, মিষ্টাৰ হ'মচ্। আপোনাৰ উপদেশ নামানি মই মূৰ্খামি কৰিলোঁ। মিষ্টাৰ চুত্ৰক আমনি কৰিবলৈ বেয়া লাগিল। তাৰে সিহঁতে সুবিধা ল'লে।

"মই আজি পুৱাহে বাতৰি পালোঁ" বুলি উকীলজনে মাত দিলে।

— মিষ্টাৰ হ'ম্চে আপোনাক কালি ৰাতিটো ইয়াত থাকিবলৈ অনুৰোধ কৰিবলৈ কৈছিল। তেখেতৰ উপদেশ নামানি এৰিয়া পস্তাইছোঁ।

হ'ম্চে ক'লে: আপোনাক অতি ক্লান্ত যেন দেখিছোঁ। ঘটনাৰ বিবৰণ দিব পৰা অৱস্থাত আপুনি আছে জানো?

"ঘটনাৰ বিবৰণ সোপাই ইয়াতে আছে" বুলি ইন্‌স্‌পেক্টৰে তেওঁৰ নোটবহীটোত টোকৰ দিলে।

— তথাপি এখেতৰ মুখৰপৰা—অৱশ্যে সিমানবোৰ কথা ক'ব পৰা অৱস্থাত তেখেত আছে যদি।

— সৰহ কথা মোৰ ক'বলৈ নাই, মিষ্টাৰ হ'মৃচ্‌। চুচান্ বোলা মানুহজনীয়েই যে সিহঁতক ইয়ালৈ সোমোৱাৰ বাট সুগম কৰি দিছিল, সেই সম্বন্ধে সন্দেহৰ থল নাই। ঘৰটোৰ কোনটো চুকত কি আছে সকলো সিহঁতে গম পায় বুলি বুজা গৈছে। ক্লৰফৰ্ম সনা ফটাকানিৰে মোৰ নাকটো সিহঁতে হেঁচা মাৰি ধৰা কথাটো মই গম পাইছিলোঁ; অজ্ঞান হৈ কিমান পৰ পৰি আছিলোঁ সেই কথাহে ক'ব নোৱাৰোঁ। টোপনিৰপৰা সাৰ পায়েই দেখিবলৈ পালোঁ এটা মানুহ মোৰ বিছনাৰ কাযত বৈ আছে, আৰু আন এটাই মোৰ ল'ৰাৰ বাকচ এটাৰপৰা ঘাণ্ডিল এটা উলিয়াই থিয় দিছে। বাকচটোৰ বস্তু বাহানিবোৰ মজিয়াত সিচঁৰতি হৈ পৰি আছিল। মই জঁপিয়াই মানুহটোৰ গাত পৰিলোঁ গৈ।

"বৰ বিপদজনক কাম আপুনি কৰিছিল" বুলি ইন্‌স্‌পেক্টৰে মন্তব্য প্ৰকাশ কৰিলে।

— মই তাক গৰা মাৰি ধৰিছিলোঁ, পিছে ধৰি ৰাখিব নোৱাৰিলোঁ। ইটো মানুহে মোৰ মূৰত মাৰ মাৰিলেনেকি ক'ব নোৱাৰোঁ, মই অজ্ঞান হলোঁ। মোৰ কোঠাত গণ্ডগোল শুনি হ'বলা, মেৰী বোলা চাকৰণী ছোৱালীজনীয়ে খিড়িকীয়েদি টেঁটুফালি চিঞৰিবলৈ আৰম্ভ কৰিছিল। তাকে শুনি পুলিচ ওলালহি, কিন্তু ইতিমধ্যে চোৰ পলাল।

— সিহঁতে কি বস্তু চুৰ কৰি নিলে।

— মৰগীয়া বস্তু একো নিয়া যেন দেখা নাই। তেনে বস্তু মোৰ ল'ৰাৰ বাকচত নাছিল বুলি মই ক'ব পাৰোঁ।

— কিবা সুং সিহঁতে এৰি থৈ গৈছিলনে?

— শোটমোচ কৰি পেলাই থৈ যোৱা কাগজ এডোখৰ মজিয়াত পৰি থকা পোৱা গৈছিল। মানুহটোৰ লগত মই টনা-আঁজোৰাখন কৰোঁতে কেনেবাকৈ কাগজডোখৰ বাণ্ডিলৰপৰা এৰাই পৰিছিল নে কি ক'ব নোৱাৰিলোঁ। কাগজডোখৰত লিখা কথাখিনি মোৰ লবাই লিখা কথা; সেইবোৰ তাৰ হাতৰে আখৰ।

ইন্সপেক্টৰে মাত দিলে: গতিকে কাগজ ডোখৰৰ কোনো মূল্য নাই; চোৰৰ হাতৰ আখৰ হোৱা হ'লে—

হ'ম্‌চে তেওঁৰ কথাৰ মাজতে টপৰাই মাত লগালে: ঠিক ধৰিছে। আপোনাৰ সাধাৰণ জ্ঞান বৰ চোকা দেই। তথাপি কাগজডোখৰ এবাৰ চাবলৈ পোৱা হ'লে ভাল পালোঁহেতেন।

ইন্‌স্‌পেক্টৰে তেওঁৰ নোটবহীৰ মাজৰপৰা কাগজ এডুখৰি উলিয়াই হ'ম্‌চৰ হাতত দি ক'লে: যিমানেই সামান্য বস্তু নহওক লাগে একোকে মই এৰি থৈ নাযাওঁ। আপোনাকো তাকে কৰিবলৈ মই উপদেশ দিব খোজোঁ, মিষ্টাৰ হ'ম্‌চ্। পঁচিচ বছৰ চাকৰি কৰি কিছু কথা মই শিকিছোঁ। আঙুলিৰ চাব-টাব কিবা কাগজডোখৰত ওলাব পাৰে।

কাগজডোখৰ পৰীক্ষা কৰি চাই হ'ম্‌চে সুধিলে: ইয়াৰ কিবা অৰ্থ পাইছেনে, ইন্সপেক্টৰ?

— কিবা নভেল-টভেলৰ শেষ-ছোৱা যেন বুলি অনুমান কৰিছোঁ।

— এই ডুখৰিয়েই নাটকৰো শেষ-ছোৱা হব পাৰে। কাগজডোখৰৰ ওপৰৰ সোঁ চুকটোত যে নম্বৰ এটা দিয়া আছে, সেইটোলৈ মন কৰি চাওকচোন। এশ পনৃচল্লিছ। আগৰ এশ চৌৱাল্লিছ পাত ক'লৈ গ'ল?

— চোৰৰ হাতত গ'ল হ'বলা সেই কিখিনা পাত সিহঁতেই পুৰি খাওক।

—এ:ন ধৰণৰ কাগজ কেতবোৰকে চুৰ কৰিবলৈ চোৰ অহা কথাটো অলপ কিবা কিবা যেন বোধ হৈছে। আপোনাৰ মত কি, ইন্সপেক্টৰ ?

— মোৰ মতেৰে উবাজুবাত হাতৰ আগত যি পালে তাকে লৈ ৰাস্কেলকিটা ভাগিল। যিসোপা সিহঁতে পালে তাকে লৈ সিহঁত সুখী হওক।

মিচেচ মেবাৰ্লিয়ে তেনেতে সুধিলে: মোৰ লৰাৰ বস্তুত সিহঁতে হাত দিবলৈ গৈছিল কিয় ?

ইন্‌স্‌পেক্টৰে উত্তৰ দিলে: তলৰ মহলত বহুমূলীয়া বস্তু একো নাপাই সিহঁত ওপৰ মহলালৈ আহিছিল বুলি মই ভাবিছোঁ। আপুনি কি কয়, মিষ্টাৰ হ'ম্‌চ্‌ ?

—ভাবি চাব লাগিব, ইন্‌স্‌পেক্টৰ। খিড়িকীৰ দাঁতিলৈ বলাঁচোন, ৱাট্‌চন।

খিড়িকীৰ দাঁতিলৈ গৈ আমি দুয়ো কাগজডোখৰ পঢ়ি চালোঁ। এষাৰ বাক্যৰ মাজডোখৰৰপৰা পাতখিলাত লিখা কথাখিনি আৰম্ভ হৈছিল এই দৰে:

.... গালেদি তেজ বৈ গৈছিল, কিন্তু সেই শুৱনী মুখখনি দেখি তেওঁৰ হিয়াৰ মাজেদি তেজৰ যি সোঁত বৈছিল তাৰ তুলনাত সি একোৱেই নহয়। সেই মুখখনিৰ কাৰণে নিজৰ জীৱন উচৰ্গা কৰিবলৈকো তেওঁ সাজু আছিল। অপমানিত, আহত, জৰ্জৰিত অৱস্থাত তেওঁ মাটিত পৰি আছে। চকু মেলি চাই দেখে ধুনীয়া চকুযুৰিৰে মুখখনিয়ে তেওঁলৈ চাই আছে; মিচিকীয়াই হাঁহিছে। হে ঈশ্বৰ, তাই দেখোন হাঁহিছেহে; হৃদয়হীনা সেই দানৱীজনীয়ে দেখোন হাঁহিছেহে। সেই মুহূৰ্ততে ভালপোৱাৰ মৃত্যু ঘটিল; তেওঁৰ অন্তৰত অবৰ্ণনীয় ঘৃণা জন্ম হ'ল। কিবা এটা আশাত হে মানুহ জীয়াই থাকিব পাৰে। তোমাক বুকুত সাৱটি ল'বলৈ পোৱাৰ আশাত জীয়াই থকাৰ সকাম আৰু নাই যেতিয়া, তোমাক ধ্বংস কৰিবলৈ,

তোমাৰ ওপৰত হৈঁপাহ পলুৱাই প্ৰতিশোধ ল'বলৈকে মই জীয়াই থাকিম।

কাগজ ডোখৰ পঢ়ি উঠি হ'ম্‌চে ক'লে: ব্যাকৰণলৈ মন কৰিবাঁ, ৰাটচন— শেহৰ বাক্য যাৰত "তেওঁ"টো "মই" হৈ পৰিল। গল্পটো লিখি যাওঁতে লিখক ইমান অভিভূত হৈ পৰিছিল যে প্ৰহৰণত নায়কৰ আসনত নিজকে বহুৱাই দিলে।

"কিনো বাৰেবাংকৰা কথা সোপা লিখিছে" বুলি অভিমত প্ৰকাশ কৰি ইন্সপেক্টৰে কাগজডোখৰ আকৌ তেওঁৰ নোটবহীৰ মাজত সুমুৱাই, হ'ম্‌চ্‌লৈ চাই সুধিলে: কি হ'ল, মিষ্টাৰ হ'ম্‌চ্‌? আপুনি যাবলৈ ওলালেই নে কি?

পাৰ্গত লোকৰ হাতত তদন্তৰ ভাৰ পৰিছে যেতিয়া, মইনো ইয়াত থাকি কি ঘোঁৰাৰ ঘাহ কাটিম? পিছে, মিচেচ্‌ মেৰালি আপোনাৰ দেশ চোৱাৰ হাবিয়াস আছিল বুলি কৈছিল নহয়।

— সেইটোৱেই মোৰ জীৱনৰ সপোন।

— ক'লৈ যাব খোজে—কাইৰ, মাদেইৰা, ৰিভিয়েৰা?

—আ! টকা হ'লে মই ভূ-প্ৰদক্ষিণ কৰিলোঁহেতেন।

— ভূ-প্ৰদক্ষিণ? ভাল কথা। বাৰু, গুড্‌ মৰ্নিং। গধূলি ভাগলৈ মই বোধ কৰোঁ কিবা বাতৰি এটি পঠাম।

আমি বাজলৈ ওলাই যাওঁতে ইন্স্‌পেক্টৰে মুখত মিচিকীয়া হাঁহি বিৰিঙাই মূৰটো জোকৰা দেখিলোঁ। তেওঁৰ মুখৰ ভাবটো এনে যে অতি বুধিয়ক মানুহবোৰ অলপ পগলাৰ লেখিয়া হয়েই।

আমি আকৌ আহি লণ্ডনৰ হট্টগোলৰ মাজত সোমোৱাৰ পাছতহে হ'ম্‌চৰ মুখেদি মাত ওলাল; ক'লে; ৱাট্‌চন, কামৰ অন্ত পৰি আছিল; তপতে তপতে কামটো একেবাৰে শেষ কৰি পেলোৱা যাওক। তুমিও লগত থাকিলে ভাল হয়, কাৰণ ইচাড'ৰা ক্লাইনৰ লেখিয়া এগৰাকী মহিলাৰ লগত কথা বতৰা হওঁতে এজন সাক্ষী নৰখাকৈ কথা বতৰা হোৱা নিৰাপদ নহয়।

বাগী এখন কেৰেয়া কৰি আমি গ্ৰ'ভনাৰ স্কোয়েয়াৰৰ এটা ঠিকনালৈ পোনালোঁ। হ'ম্‌চে পুনৰ চিন্তাৰ সাগৰত বুৰ মাৰিলে। কিছুপৰৰ মূৰত টোপনিৰ পৰা সাৰ পোৱা যেন হৈ ক'লে : ৱাট্‌চন্‌, কথাবোৰ এতিয়া পৰিস্কাৰ বুজিব পাৰিছা চাগৈ ? নাই পৰানে?

— পাৰিছোঁ বুলি ক'ব নোৱাৰিম। যিগৰাকী মহিলা এই ঘটনা-ৱলীৰ গুৰিত আছে, তেওঁক এতিয়া গৈ লগ ধৰিবলৈ আমি ওলাইছোঁ, সেই কথাহে মাথোন মই বুজিব পাৰিছোঁ।

— ইচাড'ৰা ক্লাইনৰ নামটো শুনি তোমাৰ মনৰ মাজত কোনো নতুন ধাৰণাই উঁকি মৰা নাইনে। অপৰূপা সুন্দৰী ইচাড'ৰা ক্লাইনৰ নাম শুশুনাকৈ তুমি থকা নাই। স্পেইনদেশীয় মহিলা। চেনিৰ কাৰবাৰ কৰি ৰজা হোৱা জাৰ্মান ব্যৱসায়ী বুঢ়া ক্লাইনৰ লগত বিয়া হৈছিল। বুঢ়া মৰাৰ পিছৰপৰা তেওঁ পৃথিবীৰ অকল শ্ৰেষ্ঠা ৰূপহীয়েই হয়, সকলোতকৈ চহকী বিধবা হৈ উঠিল। তাৰ পিছত নিজ ইচ্ছা অনুসৰি তেওঁ মৌ চুঁহি ফুৰিবলৈ ধৰিলে ; কেইবাজনো প্ৰেমিকক ঘাইল কৰিলে। লণ্ডনৰ অন্যতম দেখনিয়াৰ পুৰুষ ডাগ্লাচ্‌ মেবাৰ্লিও তাৰে এজন। পিছে ডাগ্লাচ্‌ আছিল বেলেগ বিধৰ প্ৰেমিক। ফুলে ফুলে পৰি ফুৰা পখিলা তেওঁ নাছিল ; আছিল বলিষ্ঠ, আত্মাভিমানী পুৰুষ ; নিজক আনৰ ওচৰত বিলালে আনকো সম্পূৰ্ণৰূপে পাবলৈ বিচৰা মানুহ। কিন্তু তিৰোতা গৰাকী হ'ল উপন্যাসৰ 'লা বেল্‌ দাম চাঁ মেৰ্চি' — সম্পূৰ্ণ হৃদয়হীনা সুন্দৰী। হেঁপাহ পলোৱা মাত্ৰকে তেওঁৰ প্ৰেমবো অন্ত পৰে। সিপক্ষই সেই কথা যদি বুজিব নোখোজে, কেনেকৈ বুজাব লাগে তাকো তেওঁ বঢ়িয়াকৈ জানে।

— তেন্তে তেওঁ লিখা সেই ঘটনাটোৰ কথা নিজৰ জীৱনৰ কাহিনী।

— আ ! কথাবোৰ এতিয়া তুমি বুজিয়াব পৰা হৈছাগৈ। সুন্দৰী গৰাকীৰ ল'ৰা থকা হ'লে লমণ্ডৰ ডিউকৰ বয়সৰে হ'লহেতেন, তথাপি সেই ডিউকজনকে বিয়া কৰাবলৈ তেওঁ মন মেলিছে।

ডিউকৰ মাকে অৱশ্যে বয়সৰ কথালৈ ৰৰকৈ আপত্তি নুতুলিলেহেঁতেন, কিন্তু অতীতৰ কেলেঙ্কাৰী উদ্ঘাটিত হ'বলৈ—। আ! পালোঁ হি।

ঘৰটো আছিল অভিজাত শ্ৰেষ্ঠ এণ্ডৰ এটি আটকধুনীয়া ঘৰ। যন্ত্ৰৰ লেখিয়া লগুৱা এটাই আমাৰ কাৰ্ড দুখন হাতত লৈ, অলপ পৰৰ মূৰত ঘূৰি আহি ক'লেহি: ঘৰত নাই।

হ'ম্চে উত্তৰ দিলে: তেখেত উলটি নহালৈকে আমি ইয়াতে বহি বাট চাম।

যন্ত্ৰটিয়ে এইবাৰ মানুহমুৱা হৈ ক'লে: ঘৰত আছে, কিন্তু আপোনালোকৰ বাবে নাই।

— উত্তম! তেতিয়া হ'লে বাট চোৱাৰ আৱশ্যক ন'হ'ব।

সেই বুলি কৈ হ'ম্চে তেওঁৰ নোটবহীৰ পাত এখিলা ফালি তাত তিনিটা নে চাৰিটা শব্দ লিখি লগুৱাটোৰ হাতত দি ক'লে: এই কাগজডোখৰ তোমাৰ গিৰিহঁতনীক দিয়াঁগৈ।

মানুহটো আঁতৰি যোৱাৰ পাছত মই হ'ম্চক সুধিলোঁ: কি লিখি পঠালাঁ।

—লিখিলোঁ মাত্ৰ এষাৰ কথা: "তেনেহলে পুলিচক খবৰ দিম নে কি?" মোৰ মনেৰে সেয়ে কাম দিব।

কামটো দিলেই, তুৰন্তে দিলে। এক মিনিটৰ পিছতে আৰব্য উপন্যাসত বৰ্ণোৱা একোটি কক্ষৰ দৰে এটি কক্ষত আমি সোমালোঁগৈ। বিৰাট কক্ষটিত এটি মাথোন বিজুলী চাকিয়ে চকাচমকা পোহৰ পেলাইছিল। মহিলা গৰাকীয়ে সেই সময়ত জীৱনৰ সেইটো বয়সত ভৰি দিছিল, যিটো বয়সত অপৰূপা সুন্দৰীসকলেও উজ্জ্বল পোহৰতকৈ ম্লান পোহৰতহে সৌন্দৰ্য্য বিকাশ কৰিবলৈ বিচাৰে। দীঘল আৰামী চকী এখনৰ পৰা লাহে লাহে তেখেত থিয় দি উঠিল—দীঘল সুঠাম দেহ, অপূৰ্ব্ব এযোৰ স্পেইনদেশীয় চকুৰে এখনি লাৱনি মুখ—যেন এগৰাকী ৰাণীহে। কিন্তু আমাক দেখি চকুযুৰিয়েদি তেওঁৰ জুইৰ আগুনি

ওলোৱা যেন লাগিল; সুধিলে: এই অনধিকাৰ প্ৰৱেশ আৰু এই অপমানজনক কাগজডোখৰৰ অৰ্থ কি?

হ'ম্‌চে উত্তৰ দিলে: তাৰ অৰ্থ মই বুজাই ক'ব লাগিব নেকি, মাদাম? আপোনাৰ ধী শক্তিৰ প্ৰতি মোৰ অগাধ শ্ৰদ্ধা আছে। কিন্তু অলপতে ঘটা ঘটনালৈ চাই সেই শক্তিত অলপ কেৰোণে ধৰিছে যেন বুলি মোৰ বোধ হৈছে।

—কি কাৰণতনো তেনে বোধ হ'ল?

— আপুনি দৰ্মহা দি ৰখা গুণ্ডাই মোক ভয় খুৱাব পাৰিব বুলিনো আপুনি ভাবিব লাগিছিলনে বাৰু, কওকচোন। যি কাৰ্য্যত বিপদৰ আশঙ্কা নাই তেনে কাৰ্য্যই মোৰ শ্ৰেণীৰ মানুহক আকৰ্ষণ নকৰে। মেবাৰ্লিৰ বিষয়টো পৰীক্ষা কৰি চাবলৈ আপুনি মোক বাধ্য কৰালে।

– আপুনি কি কথাবোৰ কৈছে মই একো বুজিব পৰা নাই। দৰ্মহা দি মই গুণ্ডা পুঁহিবলৈ যাম কিয়?

হ'ম্‌চে বিৰক্তিৰ ভাব দেখুৱাই মুখখন ঘূৰাই কলে: আপোনাৰ ধী-শক্তিৰ হ্ৰাস হোৱা বুলি ভবাটো দেখিছো মোৰ ভুলেই হৈছিল। ভাল বাৰু, আমি বিদায় হলোঁ; গুড্ আফ্‌টাৰনুন।

—ৰব, ক'লৈ যাবলৈ ওলাইছে?

— স্কট্‌লেণ্ড য়াৰ্ডলৈ।

আমি দুৱাৰডলি নৌপাওঁতেই পিছে পিছে আহি মানুহ গৰাকীয়ে হ'ম্‌চৰ বাউসিত ধৰিলেহি। মূহুৰ্ত্ততে লো কুমলি যেনিবা মখ্‌মল্ হে হৈ পৰিল। কোমল মাতেৰে তেখেতে ক'লে: আহকচোন, দুয়ো অকণমান পৰ বহকহি। খোলাখুলিকৈ আমি তেনেহ'লে কথা হওঁ। আপুনি ভদ্ৰলোক, মিষ্টাৰ হ'ম্‌চ; মই তিৰোতা মনুহ, গতিকে সেই কথা সহজে বুজিব পাৰোঁ। আপোনাৰ পৰা একো মই লুকুৱাওঁ। আপোনাক মই বন্ধু হিচাপে গ্ৰহণ কৰিলোঁ।

— ধন্যবাদ, কিন্তু আপোনাক মই বন্ধু হিচাপে গ্ৰহণ কৰিব পাৰিম নে নোৱাৰিম, সেই কথা হ'লে মই এতিয়াও ক'ব পৰা নাই, মাদাম্। মই আইনজ্ঞ নহঁও, কিন্তু লোকে যাতে ন্যায় বিচাৰ পায়, তাৰ বাবে মোৰ ক্ষুদ্ৰ বুদ্ধিৰে যিকণ পাৰোঁ দণ্ডাধীশসকলক সাহায্য কৰিবলৈ মই চেষ্টা কৰোঁ। আপোনাৰ কথা কাণ পাতি শুনিবলৈ মই প্ৰস্তুত আছোঁ, কিন্তু আপোনাৰ কথা শুনাৰ পাছত কি কৰোঁ কি নকৰোঁ সেই বিষয়ে এতিয়া ক'ব নোৱাৰিম।

— আপোনাৰ লেখিয়া এজন সাহসী পুৰুষক ভয় খুৱাবলৈ গৈ মই বৰ বুৰ্বকৰ কাম কৰিছিলোঁ।

— তাতোকৈ বুৰ্বকৰ কাম হৈছিল এমথা অঘাইতত আপোনাৰ আস্থা স্থাপন কৰাটো। ভয় দেখুৱাই আপোনাৰপৰা ধন আদায় কৰিবলৈ বা আপোনাক ধৰাই দিবলৈ সিহঁতে লেশমাত্ৰও দ্বিধা বোধ নকৰিব।

— 'সিমান আঁকৰি মই নহওঁ, মিষ্টাৰ হ'ম্‌চ। বাৰ্গে ষ্টক্‌ডেইল আৰু তাৰ ঘৈণীয়েক চুচানৰ বাহিৰে বাকীবোৰে, কোনে সিহঁতক এই কামত নিয়োগ কৰিছে, সেই সম্বন্ধে একোকে নাজানে। তাৰ সিহঁত দুটাক এইবাৰেই প্ৰথম— বাৰু সেইবোৰ কথা যাবলৈ দিয়ক' বুলি কৈ তেওঁ মিচিকীয়া মন ভুলোৱা হাঁহি এটি মাৰিলে।

— তাৰ মানে আগতেও এনেবোৰ কামত আপুনি সিহঁত দুটিক খটুৱাইছিল।

— সিহঁত মোৰ বিশ্বাসী লোক; আজ্ঞা পালন কৰা হাউণ্ড্ কুকুৰ; ভুক্‌ভুকোৱা কুকুৰ নহয়।

— পিছে তেনে বিধ কুকুৰে মাজেসময়ে ভাত খাবলৈ দিলে আঙুলিও খায়। চুব কৰিবলৈ মিচেচ্ মেবাৰ্লিৰ ঘৰত সোমোৱাৰ বাবে অতি শীঘ্ৰে সিহঁতক পুলিচে গ্ৰেপ্তাৰ কৰিব।

— তাৰ বাবে যি আৱশ্যক হয় মই কৰিম। কাটেকলৈ যাব

লগা হ'লে সিহঁত যাব। সেই কথা বুজি-গুজিহে সিহঁতে মোৰ তলত চাকৰি লৈছে। সেই বুলি মোক কাছাৰী ঘৰত হাজিৰ হ'বলগীয়া সিহঁতে নকৰে।

— কিন্তু মই যদি কৰোঁ?

— আপুনি ভদ্ৰলোক মিষ্টাৰ হ'ম্‌চ; তেনে কাম আপুনি কেতিয়াও নকৰিব বুলি মই জানোঁ। মাইকী মানুহৰ গুপুত কথা আপুনি কেতিয়াও বেকত কৰিবলৈ নাযায়।

— প্ৰথম কথা হ'ল সেই পাণ্ডুলিপিখিনি মোক আপুনি ওলোটাই দিব লাগিব।

খিলখিলাই হাঁহি চিমনিৰ কাষলৈ গৈ, জুই খোচৰা মাৰি ডালেৰে জুইত পোৰা কাগজ এনুৰা খুচি খুচি তেওঁ গুৰি কৰিবলৈ ধৰিলে। তাৰ পাছত হ'ম্‌চলৈ চাই সুধিলে: এই ছাই সোপা আপোনাক লাগে নে কি?

কথাষাৰ কৈ যুদ্ধলৈ আহ্বান জনোৱাৰ ভঙ্গী দি মানুহ গৰাকীয়ে এনে এটি দুষ্টা, মনোমোহিনীৰ ৰূপ ধৰিলে যে মই ভাবিলোঁ, এনেবিধৰ বহু লোকক হ'ম্‌চে জব্দ কৰিছিল যদিও, এই গৰাকীক জব্দ কৰাটো তেওঁৰ পক্ষেও সহজ কাম ন'হ'ব। কিন্তু শ্বাৰ্লক হ'ম্‌চ্ এনে ধৰণৰ ছল-চাতুৰীৰে ভুলাব পৰা বিধৰ পুৰুষ নাছিল। তেওঁ ক'লে: নিজৰ ভৰিত নিজেই আপুনি কুঠাৰ মাৰিলে। আপুনি বৰ ঘপৰাই কামবোৰ কৰে, মাদাম, কিন্তু আপোনাৰ এইবাৰৰ কামটো সুবিধাজনক ন'হ'ল।

হ'ম্‌চৰ কথা শুনি ফণাধাৰী ফণীনীৰ ৰূপ ধৰি তেওঁ এইবাৰ সঁকীয়ালে: সাৱধান! মোক ভয় প্ৰদৰ্শাবলৈ নাহিব; সকলোখিনি কথা কওঁ তেনেহলে, শুনক।

— আপুনি ন'ক'লেও সকলোখিনি কথা ময়ে ক'ব পাৰিম।

— কিন্তু মিষ্টাৰ হ'ম্চ, গোটেইবোৰ কথা আপুনি মোৰ চকুৰে চাব লাগিব'। ভাবি চাওকচোন, এগৰাকী তিৰোতাৰ জীৱনৰ সকলো বাসনা পূৰ্ণ হওঁ হওঁ হোৱা অৱস্থাত কোনোবাই যদি তেওঁৰ ভৱিষ্যত নষ্ট কৰি দিব খোজে, তেতিয়া তিৰোতা গৰাকীয়ে কি কৰা উচিত হ'ব? এনে অৱস্থাত পৰা এগৰাকী তিৰোতাই আত্মৰক্ষা কৰিবলৈ চেষ্টা কৰাটো দোষণীয় কাম হ'বনে?

— কিন্তু পাপ পোনতে আপুনিয়েইহে কৰিছিল।

— কৰিছিলোঁ; সেই কথা মই অস্বীকাৰ কৰিব খোজা নাই। ডাগ্লাচ্ মোৰ মৰমৰ মানুহ আছিল, কিন্তু মোৰ জীৱনৰ আঁচনিৰ লগত খাপ খোৱা বিধৰ মানুহ সি নাছিল। সি মোক বিয়া কৰাবলৈ বিচাৰিছিল, মিষ্টাৰ হ'ম্চ—বিয়া। সি অভিজাত বংশৰো নাছিল, চহকীও নাছিল। চহকী নালাগে ভালদৰিদ্ৰকে বুলিব পাৰি। তথাপি তাক লাগে মোক বিয়া কৰাবলৈ। বিয়াৰ বাহিৰে তাক আন একোৰে সন্তুষ্ট কৰিব নোৱাৰিলোঁ। তাক অলপ দিছিলোঁ বাবে মোৰ যি আছে সকলোখিনি তাক দিব লাগে, একমাত্ৰ তাক। এই কথাত সি আঁকোৰ-গোজালি দি ধৰিলত মোৰ অসহ্য হ'ল। একোপধ্যে তাক বুজাব নোৱাৰি, উগ্ৰ পন্থা অৱলম্বন কৰি বুজাবলৈ মই বাধ্য হলো।

— আপোনাৰ ঘৰৰ খিড়িকীৰ দাঁতিতে গুণ্ডা লগাই পিটাই বুজনি দিলে।

— আপুনি সঁচাকৈয়ে সকলোবোৰ কথা গম পায় যেন দেখিছো। কথাটো মিছা নহয়; বাৰ্ণে আৰু তাৰ হাতৰ মানুহে মাৰপিট কৰি ডাগ্লাচক খেদাইছিল। এই কথাও স্বীকাৰ কৰোঁ যে যিমানখিনি কৰিব লাগিছিল, তাতকৈ অলপ সিহঁতে বেছি কৰিছিল। কিন্তু তাৰ পাছত গৈ সি কৰিলেগৈ কি কামটো? কোনোবা ভদ্ৰলোকে নো এনে কাম কৰিব পাৰে বুলি ভাবিব পাৰিনে? নিজৰ জীৱনৰ কথাকে লৈ সি এখন উপন্যাস লিখিলে। উপন্যাসখনৰ বাঘিনীজনী

হলোঁগৈ মই, আৰু নিমাখিত ভেড়া ছাগলীটো হ'লগৈ সি। নাম নিদি ছদ্মনাম দি লিখিলে কি হ'ব? সেই উপন্যাসখন কাৰ সম্বন্ধেনো লিখা হৈছিল, লণ্ডন চহৰত সেই কথা কোনোবাই নুবুজাকৈ থাকিল-হেতেন নে? এনে অৱস্থাত মইনো কি কৰা উচিত আছিল, কওকচোন, মিষ্টাৰ হ'মচ্।

— আইন বিৰুদ্ধ কামতো একো তেওঁ কৰা নাছিল।

ইতালিৰ বতাহে ইতালিবাসীৰ কুটিল, নির্মম মনোভাবো তাক দিছিল যেন পাওঁ। চিঠি এখনেৰে সৈতে কিতাপখনৰ পাণ্ডুলিপিৰ নকল এটাও সি মোলৈ পঠাইছিল, যাতে কিতাপখন ছপা হৈ নোলোৱা দিনালৈকে মই দেইপুৰি মৰোঁ। সি লিখিছিল যে পাণ্ডুলিপিৰ দুটাহে মাত্র নকল তাৰ হাতত আছিল, তাৰে এটা মোলৈ পঠালে।

— কিন্তু সিটো কপি যে প্রকাশকৰ হাতত পৰাগৈ নাছিল, সেই কথা আপুনি জানিছিল কেনেকৈ?

— তাৰ প্রকাশকৰ নাম মই জানিছিলোঁ! সেই খনেই সি লিখা একমাত্র উপন্যাস নহয়; তাৰ আগতো সি কিতাপ লিখিছিল। প্রকাশকক সুধি গম পালোঁ যে ইতালিৰপৰা কোনো পাণ্ডুলিপি তেওঁলৈ অহা নাই। তেনেতে ডাগ্লাচ হঠাৎ ঢুকাই থাকিল। সিখন পাণ্ডুলিপি যিমান দিনলৈ পৃথিৱীত থাকে সিমান দিনলৈ মোৰ বিপদ নুগুচে। তাৰ মাল-মত্তৰ মাজত পাণ্ডুলিপিখন নিশ্চয় থাকিব বুলি আৰু সেইবোৰ বস্তু-বাহানি সি মাকলৈ পঠাব বুলি জানিবলৈ সৰহ বুদ্ধিৰ আৱশ্যক নাই। তাকে চাই, দলটোক মই কামত লগালোঁ। দলৰে এজনীয়ে বান্দীহৈ সেই ঘৰত ঠাই ল'লে। আইনসঙ্গতভাৱে, সজ উপায়েৰেই মই কামটো সমাধা কৰিব খুজিছিলোঁ—বস্তু-বাহানি গোটেই সোপাৰে সৈতে ঘৰটো কিনিবলৈ ওলাইছিলোঁ। যি দাম বিচাৰিছিল তাকে দিবলৈকো মান্তি হৈছিলোঁ। সেই উপায়ে কাম নিদিলতহে মই আনটো উপায় অৱলম্বন কৰিছিলোঁ। মিষ্টাৰ হ'মচ,

ডায়াচৰ প্ৰতি মই নিষ্ঠুৰ আচৰণ কৰিছিলোঁ, সেই কথা মই মানি লৈছোঁ। তাৰ বাবে মই দুঃখিত। কিন্তু মোৰ গোটেই ভৱিষ্যত জীৱনটো বিপন্ন হ'বলৈ মই দিওঁ কেনেকৈ ?

শ্বাৰ্লক হ'ম্চে কান্ধ দুখন জোকাৰি ক'লে : আপুনি গুৰুতৰ এটি অপৰাধ কৰা স্বত্বেও আপোনাৰ লগত মই আপোচ মীমাংসা কৰিব লগীয়া হ'ল যেন পাইছোঁ। ফাৰ্ষ্ট ক্লাচ্ স্টাইলত ভূ-প্ৰদক্ষিণ কৰিবলৈ কিমান সময় লাগে ?

মল্লিলাগৰাকীয়ে ভেবা লাগি হ'ম্চৰ পিনে চাই ৰ'ল ?

হ'ম্চে আকৌ সুধিলে : পাঁচ হাজাৰ পাউণ্ডেৰে নাটিবনে ?

— আঁটিব লাগে।

— ভাল কথা ; পাঁচ হাজাৰ পাউণ্ডৰ চেক্ এখন আপুনি চহী কৰি দিয়ক। টকাটো মিচেচ্ মেবাৰ্লিৰ হাতত নি পেলোৱাৰ দায়িত্ব মোৰ গাত ৰ'ল। তেখেতক অলপ ফুৰা চকা কৰাৰ সুবিধা দিয়াটো আপোনাৰ কৰ্তব্য ; আপোনাৰ ঋণ পৰিশোধ কৰক।

তাৰ পাছত তৰ্জনি আঙুলিটো জোকাৰি জোকাৰি হ'ম্চে ক'লে : কিন্তু মাদাম্, সাৱধান হ'ব, সাৱধান হ'ব ; বাৰে বাৰে জুইত হাত দিবলৈ গ'লে এবাৰ নহয় এবাৰ আপোনাৰ ধুনীয়া হাত বেয়াকৈ পুৰিব।

সত্যেন বৰকটকীৰ অন্যান্য :

অসমীয়া :

ফুলবিৰী

হাকিমৰ টিঘিলঘিলনি : Orient Longman's.

পৰ্বতীয়া সাধুকথা } Publication Board, Assam.
কৰাচী গল্প

নাপলেঁয় ব'নাপাৰ্ট } Sribhumi Publishing Co.
গীদ মপাঁচৰ শ্ৰেষ্ঠ গল্প
ৰহস্য কাহিনী (চোৰাংচোৱা)

ৰহযজ্ঞ : Bhabani Publishing Concern.

এচেণ্ডিং কুমজেলেকুৱা : Mitra Agency & Co.

জগলি-মোহন : } সাহিত্য প্ৰকাশ ;
ল'ৰা লুবিৰ সাধু } (সোনকালে ওলাব)

আডল্‌ফ্‌ হিটলাৰ : ১ম খণ্ড ; Sribhumi Publishing Co.
(সোনকালে ওলাব)

ইংৰাজী :

The Escapades of a Magistrate : Orient Longman's.

Post Magisterial : Assam Book Depot.

The Grand Panjandrum : United Publishers.

Tribal Folk-tales of Assam : Assam Publication Board

Assam } National Book Trust, India : translated into Hindi & Assamese.
Tribes of Assam :

The Khasis : Bani Prakash.

Fables and Folk-tales of Assam } to be published shortly.
Folk-tales of Assam for young ones
Assam at a Glance